
Content includes AI-generated material

www.newsnextone.com
# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

THURSDAY, FEBRUARY 20, 2025 ■ বৃহস্পতিবাৰ, ৭ ফাগুন, ১৯৪৬ শকাব্দ ■ www.newsnextone.comৰ অনলাইন দৈনিক ■ দ্বিতীয় বছৰ, সংখ্যা ৫৫ Guwahati, Assam ।। মূল্যঃ এটকা

**এটা হাড়গিলাৰ বাবে সঞ্জয়ৰ চকুলো**



বিতং বাতৰি ৮ নং পৃষ্ঠাত

**প্ৰহসনত পৰিণত এপিএছচিৰ কেলেংকাৰীৰ তদন্ত আয়োগৰ প্ৰতিবেদন**

# নম্বৰ বঢ়াই চাকৰি লোৱা ৯ বিষয়াক ৰক্ষণাবেক্ষণ চৰকাৰৰ

**চাকৰি অব্যাহত নৱনীতা, অসীমা, অমিত, ত্ৰিদিব, ঋতুৰাজ, জগদীশৰ**



- বিক্ৰম, নন্দিতা, স্বৰূপৰ আজিও অব্যাহত দপদপনি
- হাল এৰি শিয়ালহে খেদাত ব্যস্ত ৰাজ্য চৰকাৰ

ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ আয়োগত বক্ৰ পথেৰে চাকৰি লোৱা বুলি স্পষ্টকৈ নাম থকা বহু বিষয়াই বৰ্তমানেও এইখন চৰকাৰৰ দিনত চাকৰি কৰি আছে। নৱনীতা শৰ্মা, অসীমা কলিতা, অমিত ৰাজ চৌধুৰী, ত্ৰিদিব ৫ পৃষ্ঠাত চাওক

## উমৰাংছুত উদ্ধাৰ আৰু ৫ মৃতদেহ

ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ উমৰাংছুৰ অবৈধ কয়লাৰ খনিৰ পৰা আজি ৫টা মৃতদেহ উদ্ধাৰ ৪ পৃষ্ঠাত



**দিল্লীত অপেক্ষা শেষ**

## ৰেখা গুপ্তা নতুন মুখ্যমন্ত্ৰী

নতুন দিল্লী, ১৯ ফেব্ৰুৱাৰীঃ সুদীৰ্ঘ ২৭ বছৰৰ মূৰত প্ৰত্যাৱৰ্তন ৫ পৃষ্ঠাত চাওক

**ভূমি পট্টাৰ নামত ১০কোটি সংগ্ৰহ**

## কংগ্ৰেছক দুৰ্নীতিৰ চৰ্দাৰ আখ্যা দিয়া দিলীপৰ দুৰ্নীতিও পোহৰলৈ



ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ তদানীন্তন মুখ্যমন্ত্ৰী তৰুণ গগৈৰ অন্তিম কাৰ্যকালত সংঘটিত অসম লোকসেৱা আয়োগৰ বিয়াগোম চাকৰি কেলেংকাৰীৰ ৭ পৃষ্ঠাত

**হুলস্থূলৰ বাবে তিনিবাৰ স্থগিত সদন**

## প্ৰতিবেদন, ছিণ্ডিকেটক লৈ উত্তপ্ত বাজেট অধিৱেশন

ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ আজি দ্বিতীয় দিনটোত সদনত এক অভাৱনীয় পৰিস্থিতিৰ উদ্ভৱ হয়। বিৰোধী দল কংগ্ৰেছে ৩ পৃষ্ঠাত

**নজিৰবিহীন ঘটনাৰে শাসক পক্ষই আনিলে সভাস্থগিতৰ প্ৰস্তাৱ, স্থিতিত অটল বিৰোধী**

## বিধানসভাত অখিল-কমলৰ তক লৈ চৰ্চা

ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ কংগ্ৰেছ চৰকাৰৰ দিনত অসম লোকসেৱা আয়োগত হোৱা কেলেংকাৰীৰ ৬ পৃষ্ঠাত

**তৰুণ গগৈ প্ৰসংগত ভূপেন বৰাৰ প্ৰত্যুত্তৰ**

## হিমন্ত বিশ্ব শৰ্মাক ভগৱানেও ক্ষমা নকৰিব!





গুৱাহাটী, ১৯ ফেব্ৰুৱাৰীঃ ৰাজ্যৰ অৰ্থনীতি থানবান হৈ পৰা এক জটিল পৰিস্থিতিত মুখ্যমন্ত্ৰী হিচাপে দায়িত্ব গ্ৰহণ কৰি ৬ পৃষ্ঠাত চাওক

## জয়ন্তমল্ল বৰুৱা লুটমাৰ চলোৱা মন্ত্ৰী!

**মুখতে ক'লে অখিল গগৈয়ে**



ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ দ্বিতীয় দিনটোত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী শেষাংশ ৪ পৃষ্ঠাত

## জ্ঞানেশক মাজনিশা দায়িত্ব

নতুন দিল্লী, ১৯ ফেব্ৰুৱাৰীঃ উচ্চতম ন্যায়ালয়ৰ শুনানিৰ ঠিক পূৰ্বে মধ্যৰাতি জ্ঞানেশ কুমাৰক মুখ্য ৩ পৃষ্ঠাত

## বৃহৎ সকাহ লাভ কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰামাইয়াৰ



বাংগালুৰু, ১৯ ফেব্ৰুৱাৰীঃ মুডা কেলেংকাৰীত বৃহৎ সকাহ লাভ কৰিলে কৰ্ণাটকৰ মুখ্যমন্ত্ৰী সিদ্দাৰামাইয়াই। ২ পৃষ্ঠাত চাওক

## ভোট বঢ়াবলৈ ধন নিদিয়ে ড'নাল্ড ট্ৰাম্পে



প্ৰয়াগৰাজ, ৯ ফেব্ৰুৱাৰীঃ ভাৰতীয় ভোটাৰক ভোটদানৰ বাবে উৎসাহিত কৰিবলৈ আগবঢ়াই অহা ২ কোটি ১০ লাখ ডলাৰৰ অনুদান ৬ পৃষ্ঠাত

**আকৌ সৰৱ অখিল গগৈ**

## 'এপিএছচিৰ দুৰ্নীতিৰ আচল খলনায়কেই হ'ল হিমন্ত বিশ্ব'



ই-সংবাদ, ১৯ ফেব্ৰুৱাৰীঃ অসম বিধানসভাৰ বাজেট অধিৱেশনৰ দ্বিতীয় দিনটোত ২ পৃষ্ঠাত





## মুখ্যমন্ত্ৰীক সহায় ভিক্ষা

**কান্দি কান্দি স্বামী-স্ত্ৰীয়ে ক'লে, 'আমাক বচাই ৰাখক চিএম ছাৰ'**

ই-সংবাদ, শুৱালকুছি, ১৯ ফেব্ৰুৱাৰীঃ কামৰূপৰ জিলাৰ শুৱালকুছি আৰক্ষী থানাৰ অন্তৰ্গত কাপুন অন্তিম পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৃহৎ সকাহ লাভ কৰ্ণাটকৰ মুখ্যমন্ত্ৰী

৩ হাজাৰ কোটি টকীয়া দুৰ্নীতিৰ গোচৰত মুখ্যমন্ত্ৰী সিদ্দাৰামাইয়া, পত্নী পাৰ্বতী আৰু আন দুজন অভিযুক্তক ক্লীনচিট প্ৰদান কৰিছে কৰ্ণাটকৰ লোকায়ুক্তই। তদন্তৰ অন্তত লোকায়ুক্তই কয় যে এই গোচৰত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে কোনো প্ৰমাণ পোৱা হোৱা নাই। অৱশ্যে কেন্দ্ৰীয় তদন্তকাৰী সংস্থা ইডিয়ে এতিয়াও তেওঁৰ বিৰুদ্ধে তদন্ত অব্যাহত ৰাখিব। উল্লেখ্য যে, মুখ্যমন্ত্ৰী পদ গ্ৰহণ কৰাৰ এবছৰৰ ভিতৰতে সিদ্দাৰামাইয়াৰ বিৰুদ্ধে গুৰুতৰ অভিযোগ উত্থাপন হৈছিল। মহীশূৰ নগৰ উন্নয়ন প্ৰাধিকৰণৰ (মুডা)ৰ গৃহ নিৰ্মাণ প্ৰকল্পত তেওঁৰ পত্নী পাৰ্বতীক চৰকাৰী ভূমিৰ প্লটৰ সৈতে জড়িত নথি-পত্ৰ সলনি কৰি সস্তীয়া মূল্যত এটা ব্যয়বহুল প্লট দিয়া বুলি দাবী কৰে অভিযোগকাৰীয়ে। অভিযোগ অনুসৰি তেওঁ প্ৰায় তিনি হাজাৰ কোটি টকাৰ সুবিধা লাভ কৰিছিল। ইয়াৰ পিছতে কৰ্ণাটকৰ ৰাজ্যপাল থাৱৰ চান্দ গেহলটে তদন্তৰ নিৰ্দেশ দিয়ে আৰু মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালৰ বিৰুদ্ধে গোচৰ ৰুজু হয়। লোকায়ুক্ত আদালতৰ নিৰ্দেশত সিদ্দাৰামাইয়াৰ বিৰুদ্ধে এফআইআৰ দাখিল কৰি তদন্ত আৰম্ভ কৰা হয়। অৱশেষত তদন্তৰ অন্তত লোকায়ুক্তই কয় যে অভিযোগৰ সমৰ্থনত কোনো প্ৰমাণ নাই আৰু ই অপৰাধমূলক তদন্তৰ যোগ্য নহয়। অৱশ্যে এতিয়াও এই গোচৰত মুখ্যমন্ত্ৰীৰ বিৰুদ্ধে তদন্ত অব্যাহত ৰাখিব পাৰিব ইডিয়ে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিধানসভাত অখিল-কমলৰ ৩ক লৈ চৰ্চা

বাবে গঠিত বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনত বিজেপি নেতা কমল কুমাৰ মেধিৰ জৰিয়তে অখিল গগৈয়ে ৰাকেশ পালৰ পৰা ৩ লাখ টকা লোৱা বুলি  ৰাজসাক্ষী মৃগেন শইকীয়াই উল্লেখ কৰিছে। ইমানে নহয় গৌৰৱ গগৈৰ বিয়াত যে ৰাকেশ পালে সোণৰ চেইন-ব্ৰেচলেট উপহাৰ দিছিল সেই কথাটোকে চৰ্চা কৰা হৈছে। এই অভিযোগ প্ৰতিবেদনত উত্থাপনৰ পিছতে টকা দি চাকৰি লোৱা বিষয়াক সুৰক্ষা দিয়াৰ স্বাৰ্থত একাংশ লোকে জানি-বুজি গৌৰৱ গগৈ, অখিল গগৈ, গৌৰৱ গগৈ, কমল কুমাৰ মেধিৰ নামহে চৰ্চা কৰি থকা পৰিলক্ষিত হৈছে। বিশেষকৈ অখিল গগৈ আৰু গৌৰৱ গগৈৰ কথা খুব চৰ্চা কৰি থকা হৈছে। বক্ৰ পথেৰে চাকৰি লোৱা নেতাসকলৰ বিৰুদ্ধে ব্যৱস্থা লৈ চাকৰিৰ পৰা বৰ্খাস্ত কৰিবলৈ ব্যৱস্থা কিয় লোৱাই সেই প্ৰশ্ন চৰকাৰক কৰাৰ পৰিৱৰ্তে অখিলৰ গগৈৰ বিষয়টোক লৈ বৌজাল-বৌজাল কৰা হৈছে। স্পষ্টিকৰণ দি টকা লোৱাৰ কথা নস্যাৎ কৰিছে যদিও সাৰি যাব নোৱাৰিলে কৃষক মুক্তি সংগ্ৰাম সমিতিৰ প্ৰাক্তন নেতা অখিল গগৈ। আজি অখিল গগৈৰ বিৰুদ্ধে ৩ লাখ টকা লোৱাৰ অভিযোগৰ প্ৰসংগ বিধানসভাত শুনা গ'ল। আজি জয়ন্তমল্ল বৰুৱাই সদনত ৩ লাখ টকাৰ প্ৰসংগ উল্লেখ কৰি অখিল গগৈক আক্ৰমণৰ লক্ষ্য কৰি লয়। আজি সদনত জনস্বাস্থ্য কাৰিকৰী বিভাগ তথা নগৰ-পৰিকল্পনা বিভাগৰ মন্ত্ৰী বৰুৱাই সদনত গুৱাহাটীৰ পানীৰ পাইপ ফুটি অহা বিষয়টোক লৈ কয় যে আগৰ ঠিকাদাৰে খেলিমেলি কৰি যোৱাৰ বাবেই এতিয়া লৈ সঠিক পৰ্যায়লৈ আনিব পৰা নাই। মন্ত্ৰীগৰাকীয়ে বক্তব্য প্ৰদান কৰি থকাৰ সময়তে অখিল গগৈয়ে আসনৰ পৰা থিয় হৈ কয় যে এই বিভাগটো ফেইল মাৰিছে। এই ডিপাৰ্টমেণ্টে পানী দিব নোৱাৰি লুট-ৰাজ কৰি আছে। পিএইচই ডিপাৰ্টমেণ্টটো লুট-ৰাজ কৰি শেষ কৰি দিলে। মন্ত্ৰীয়ে এই কথা বিলাক এনেয়ে কৈ আছে। তেতিয়া বিধানসভাৰ অধ্যক্ষৰ পদত বহি থকা উপাধ্যক্ষ ডঃ নোমল মমিনে কয় যে কোনো কথা ৰেকৰ্ডত নাযায়। তেতিয়া অখিলে কয় যে মুখ্যমন্ত্ৰী ডাঙৰীয়া ডিপাৰ্টমেণ্টৰ বিৰুদ্ধে তদন্ত দিব লাগে। গোটেই পইছা খাই শেষ কৰিলে, পানী দিব পৰা নাই। সেই সময়তে মন্ত্ৰী বৰুৱাই অখিল গগৈক ৩ লাখ টকা লোৱাৰ অভিযোগৰ বিষয়টো উত্থাপন কৰি আক্ৰমণৰ লক্ষ্য কৰি লয়। অখিল গগৈক বিজেপি নেতা কমল কুমাৰ মেধিৰ জড়িয়তে ৰাকেশ পালৰ পৰা ৩ লাখ টকা লোৱা বুলি শৰ্মা আয়োগৰ প্ৰতিবেদনত প্ৰকাশ পোৱা বিষয়টোক উভতি ধৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাকেশ পালৰ পৰা লোৱা ৩ লাখ টকাৰ লোৱাৰ উত্তৰ দিয়ক। আপুনি তাৰ উত্তৰ দিয়ক। তেতিয়াই বিধায়ক অখিল গগৈ আৰু মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ বক্তব্যত হস্তক্ষেপ কৰি উপাধ্যক্ষই অখিল গগৈক সদনৰ পৰা ১০ মিনিটৰ বাবে বহিস্কাৰ কৰে। বাজেট অধিৱেশনৰ দ্বিতীয় দিনটোত এনেদৰে আজি সদনৰ মজিয়া উত্তপ্ত হৈ পৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# 'এপিএছচিৰ দুৰ্নীতিৰ আচল খলনায়কেই

বিধায়ক অখিল গগৈয়ে এপিএছচি কেলেংকাৰীক লৈ গঠিত বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনক লৈ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক লক্ষ্য কৰি লয়। বিধানসভাৰ বাহিৰত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈ মুখ্যমন্ত্ৰীগৰাকীক এপিএছচি কেলেংকাৰীৰ মূল খলনায়ক হিমন্ত বিশ্ব শৰ্মা আৰু তৰুণ গগৈ বুলি দাবী কৰিছে। বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ এই কেলেংকাৰীৰ মূল খলনায়ক। বিপ্লৱ শৰ্মা আয়োগে কেলেংকাৰীৰ মূল অভিযুক্তসকলক সুৰক্ষা দিছে আৰু প্ৰতিবেদনত বহুতো গুৰুত্বপূৰ্ণ তথ্য লুকুৱাই ৰখা হৈছে। অখিল গগৈয়ে কয় যে এপিএছচি কেলেংকাৰী অসমৰ ইতিহাসৰ আটাইতকৈ ভয়ংকৰ কেলেংকাৰী আছিল। যিয়ে পৰীক্ষাৰ প্ৰণালীটো সম্পূৰ্ণৰূপে ধ্বংস কৰিছিল। এই কেলেংকাৰীত কেৱল ৰাকেশ পালেই জড়িত নাছিল, বৰঞ্চ চৰকাৰো জড়িত আছিল। এই প্ৰতিবেদনত কেলেংকাৰীৰ মূল ব্যক্তিসকলৰ নাম অন্তৰ্ভুক্ত কৰা হোৱা নাই। অখিল গগৈয়ে কয় যে এই কেলেংকাৰী কেৱল লাখ টকাৰ কেলেংকাৰী নহয়, বৰঞ্চ ই বহু হাজাৰ টকাৰ কেলেংকাৰী। কেলেংকাৰীত প্ৰাক্তন মন্ত্ৰী গৌতম ৰয় আৰু আন এজন মন্ত্ৰীও জড়িত আছিল। কিন্তু বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত তেওঁলোকৰ নাম উল্লেখ কৰা হোৱা নাই। অখিল গগৈয়ে বিস্ফোৰক অভিযোগ উত্থাপন কৰি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ বিৰুদ্ধে সৰৱ হৈ কয় যে অসম লোকসেৱা আয়োগৰ অন্যতম মূল খলনায়কজন হৈছে বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা। আনজন খলনায়ক হৈছে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ। অসম বিধানসভাৰ বাজেট অধিৱেশনৰ বুধবাৰে দ্বিতীয় দিনা বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনক লৈ বিধানসভা চৌহদত বিধায়কগৰাকী এইদৰে সৰৱ হৈ পৰে। বিধায়কগৰাকীয়ে পুনৰ কয়, "শৰ্মা আয়োগে কেলেংকাৰীৰ মূল অভিযুক্তসকলক ৰক্ষণা-বেক্ষণ দিছে। বিপ্লৱ শৰ্মা আয়োগৰ প্ৰতিবেদনত বহু কথাই লুকুৱাব বিচাৰিছে। পিএছআ'ৰ পৰা এপিএছচিৰ অধ্যক্ষলৈ কেৱল ১৪ জনৰ নাম অভিযুক্তৰ তালিকাত আছে। কেলেংকাৰীৰ মূল মানুহবোৰৰ নাম অন্তৰ্ভুক্ত কৰা হোৱা নাই। প্ৰতিবেদনত এজন অভিযুক্তৰ স্বীকাৰোক্তিৰ ভিত্তিত কমল মেধিয়ে ৩ লাখ টকা লোৱা বুলি কোৱা হৈছে। দুলাল বৰাই ২ লাখ টকা লোৱা বুলি কোৱা হৈছে। প্ৰাক্তন বিধায়ক গুৰুজ্যোতি দাসে ৬০ লাখ টকা লোৱা বুলি অভিযোগ উত্থাপিত হৈছে। গৌৰৱ গগৈৰ নাম উল্লেখ কৰা হৈছে। এয়া কেৱল মুখৰোচক বাতৰিহে। এই কেলেংকাৰীত লাখ টকাৰ কেলেংকাৰী নহয়, এই কেলেংকাৰী বহু হাজাৰ টকাৰ। এই কেলেংকাৰীৰ মূল খলনায়ক হিমন্ত বিশ্ব শৰ্মা আৰু তৰুণ গগৈ। এই কেলেংকাৰীত জড়িত আছিল প্ৰাক্তন মন্ত্ৰী গৌতম ৰয়। আন এজন মন্ত্ৰীও জড়িত আছিল।"

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নম্বৰত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# প্ৰতিবেদন, ছিণ্ডিকেটক লৈ উত্তপ্ত

উমৰাংছুত অবৈধ কয়লা ছিণ্ডিকেটত বহুকেইজন শ্ৰমিকৰ মৃত্যু হোৱা আৰু এতিয়ালৈকে আৱদ্ধ হৈ থকা শ্ৰমিকক উদ্ধাৰ কৰিব নোৱৰা বিষয়টো সন্দৰ্ভত সভা স্থগিত প্ৰস্তাৱ উত্থাপন কৰে। বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই আজিৰ তাৰিখত উমৰাংছুৰ কয়লা খনিত শ্ৰমিক গাঁতত আৱদ্ধ হৈ থকা বিষয়টোৰ প্ৰাসংগিকতা অধিক বুলি উল্লেখ কৰি বিধানসভাৰ আন কাৰ্যসূচী বাতিল কৰি উমৰাংছু কাণ্ডৰ আলোচনাৰ প্ৰস্তাৱ দাঙি ধৰে। শাসকীয় দলে লগে লগে বিপ্লৱ কুমাৰ শৰ্মাৰ এপিএছচি কেলেংকাৰীৰ প্ৰতিবেদন সন্দৰ্ভত আলোচনা হ'ব লাগে বুলি দাবী উত্থাপন কৰে। বিৰোধী আৰু শাসকীয় পক্ষৰ বাক-বিতণ্ডাৰ মাজতে আজি কেবাবাৰো বিধানসভাৰ অধ্যক্ষই সভাৰ কাম-কাজ স্থগিত ৰাখিবলৈ বাধ্য হয়। আজি অসম বিধানসভাত শাসকীয় পক্ষৰ পৰা প্ৰথমবাৰ নজিৰবিহীন দৃশ্য দেখা যায়। বিধানসভাত অধ্যক্ষৰ আসনৰ সন্মুখলৈ উঠি গৈ বিভিন্ন শ্ল'গান সভাস্থগিত প্ৰস্তাৱ আনি এপিএছচি কেলেংকাৰীৰ প্ৰতিবেদন সন্দৰ্ভত আলোচনা বিচাৰে শাসক বিজেপিয়ে। বিৰোধী কংগ্ৰেছে নিজৰ স্থিতিত অটল থাকি অধ্যক্ষৰ আসনৰ ওচৰলৈ গৈ সভা স্থগিত ৰাখি কয়লা খনি কাণ্ডৰ আলোচনা বিচাৰি শ্ল'গান দিয়ে। শাসক-বিৰোধীয়ে নিজ নিজ সভাস্থগিত প্ৰস্তাৱৰ সপক্ষে সদনত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি কৰে। বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে বাৰে বাৰে আসনলৈ দুয়োপক্ষৰ বিধায়কক উভতি যাবলৈ আহ্বান জনাই হস্তক্ষেপ কৰিছিল যদিও অৱশেষত ঘোষণা কৰি কয় যে আজি সভাস্থগিত নহয়। এতিয়া শূন্যকালীন ঘণ্টা। আজি কেৱল ৰাজ্যপালৰ ভাষণৰ ওপৰত ধন্যবাদসূচক আলোচনা হ'ব। বাকী বিষয় আলোচনা নহয়। কংগ্ৰেছ বিধায়িনী দলে বিধানসভাৰ নিয়ম ৫৬ৰ অধীনত সদন স্থগিত প্ৰস্তাৱৰ জোৰ দিছিল। বিৰোধীয়ে ডিমা হাচাও জিলাৰ উমৰাংছুত প্ৰায় ৪০ দিন পূৰ্বে সংঘটিত অবৈধ কয়লা খনি দুৰ্ঘটনাত কেইবাজনো শ্ৰমিক নিহত বিষয়টোক লৈ আলোচনা বিচাৰিছিল। বিৰোধী দলৰ নেতা দেৱব্ৰত শইকীয়াই শাসকীয় দলটোক সমালোচনা কৰি প্ৰশ্ন কৰিছিল যে কয়লা খননৰ কথা উল্লেখ কৰিলে চৰকাৰে আতংকিত হয় কিয়? আমি উমৰাংছুৰ বিষয়ে আলোচনা কৰিব বিচাৰিছিলো, কিন্তু অনুমতি দিয়া হোৱা নাছিল। শাসকীয় দলটোৱেই অনুশাসন উলংঘা কৰিছে। ইফালে, শাসকীয় মিত্ৰজোঁটে এপিএছচি কেলেংকাৰী সন্দৰ্ভত বিপ্লব কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ বিষয়ে আলোচনা কৰিবলৈ স্থগিত ৰখাৰ প্ৰস্তাৱো ৰাখে। অৱশ্যে, অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে চাৰিওটা প্ৰস্তাৱ নাকচ কৰে। যাৰ ফলত দুয়োপক্ষৰ প্ৰতিবাদৰ মাজতে অধিৱেশনখন ১০ মিনিটৰ বাবে স্থগিত ৰখা হয়। বুধবাৰে শাসক-বিৰোধী সদস্য উভয়ে নিৰ্দিষ্ট বিষয়ৰ আলোচনা স্থগিত ৰাখি সুকীয়া বিষয়ক লৈ আলোচনাৰ দাবী জনোৱাৰ পিছত অসম বিধানসভা তিনিবাৰ স্থগিত ৰখা হয়। বিৰোধীয়ে চাৰিটা স্থগিত প্ৰস্তাৱ আনিছিল, আনহাতে শাসক পক্ষই এপিএছচিৰ চাকৰি কেলেংকাৰীৰ ওপৰত শেহতীয়া শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ওপৰত আলোচনা বিচাৰিছিল। কংগ্ৰেছৰ দ্বাৰা উমৰাংছুৰ কয়লা খনি ট্ৰেজেডী, চিপিআইএমৰ একমাত্ৰ বিধায়কৰ দ্বাৰা কয়লা আৰু অন্যান্য চিণ্ডিকেট, এআইইউডিএফৰ দ্বাৰা ডিটেনচন চেন্টাৰত ভাৰতীয় নাগৰিকৰ ওপৰত অত্যাচাৰ আৰু নিৰ্দলীয় বিধায়ক অখিল গগৈয়ে দ্বাৰা অসম লোক সেৱা আয়োগৰ চাকৰি কেলেংকাৰীক লৈ আলোচনা বিচাৰিছিল। প্ৰশ্নকাল শেষ হোৱাৰ লগে লগে, দুয়োপক্ষই সদনত অধ্যক্ষ আসনৰ দিশে অগ্ৰসৰ হৈ তেওঁলোকৰ বিচৰা বিষয়ত আলোচনা বিচাৰি উত্তাল পৰিৱেশৰ সৃষ্টি কৰে। এক বিৰল উদাহৰণ স্বৰূপে বিজেপি নেতৃত্বাধীন শাসকীয় মিত্ৰজোঁটে এপিএছচি কেলেংকাৰী সন্দৰ্ভত এক জনীয়া ন্যায়াধীশ (অৱসৰপ্ৰাপ্ত) বিপ্লৱ কুমাৰ শৰ্মা আয়োগৰ প্ৰতিবেদনৰ ওপৰত আলোচনাৰ অনুমতি দিবলৈ অধ্যক্ষৰ আসনৰ ওচৰলৈ গৈ শ্ল'গান দিছিল। সমগ্ৰ বিৰোধীয়ে অধ্যক্ষক তেওঁলোকৰ চাৰিখন জাননী গ্ৰহণ কৰিবলৈ দাবী জনাইছিল। এআইইউডিএফে বিদেশী হোৱাৰ নামত নিৰ্যাতিত আৰু ডিটেনচন চেন্টাৰত ৰখা লোকসকলৰ ন্যায়দাবী কৰি প্লেকাৰ্ড প্ৰদৰ্শন কৰিছিল। অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে পাঁচোটা দাবী নাকচ কৰি কয় যে আন মাধ্যমৰ জৰিয়তে বিষয়বোৰ উত্থাপন কৰক। অনুগ্ৰহ কৰি আসনলৈ উভতি যাওক আৰু আসনৰ পৰা বিষয় উত্থাপন কৰক। কিন্তু শাসক-বিৰোধীয়ে অধ্যক্ষৰ অনুৰোধ গ্ৰহণ নকৰি সদনত শ্ল'গান দি থকাত অধ্যক্ষই তেতিয়া সদনখন ১০ মিনিটৰ বাবে স্থগিত ৰাখে। বিজেপি বিধায়ক সুশান্ত বৰগোহাঁয়ে কয় যে বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনক লৈ আমি আলোচনা বিচাৰিছো। কংগ্ৰেছে বিৰোধিতা কৰিছে। কোন দোষী, কোন নিৰ্দোষী আলোচনা হওক। কংগ্ৰেছে বিচৰা নাই আলোচনা। বিধায়ক মানৰ ডেকাই কয় যে এপিএছচি কেলেংকাৰীৰ খলনায়কসকল চিনাক্ত হ'ব লাগে। তাৰ বাবে আমি আলোচনা বিচাৰি সভা স্থগিত বিচাৰিছো। শাসক-বিৰোধীৰ হুলস্থুলৰ বাবে সদন স্থগিত ৰাখিবলগীয়া হয় অধ্যক্ষই। পুনৰ সদন আৰম্ভ হোৱাত পুনৰ সভা স্থগিত প্ৰস্তাৱৰ দাবী তোলে শাসক-বিৰোধীয়ে। অধ্যক্ষই পুনৰ সদনত স্থগিত কৰিবলৈ বাধ্য হয়। প্ৰথমবাৰ ১০ মিনিট, দ্বিতীয়বাৰ ১০ মিনিট আৰু তৃতীয়বাৰ ২০ মিনিটৰ বাবে স্থগিত কৰিবলৈ বাধ্য হয় অধ্যক্ষ। সেই সময়তে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই থিয় হৈ কয় যে এমহাৰ বাবে বাজেত অধিৱেশন চলিব। পিছতো এই বিষয়ত আলোচনা কৰিব পৰা যাব। দুটা বিষয়ত সদন স্থগিত কৰি অধ্যক্ষই আলোচনাৰ সুবিধা দিয়ক। এপিএছচিৰ কেলেংকাৰী আৰু কংগ্ৰেছে কোৱা ছিণ্ডিকেটৰ বিষয়ত আলোচনা কৰক আৰু অধ্যক্ষই যি সিদ্ধান্ত লওক বুলি কয় মুখ্যমন্ত্ৰীয়ে। অসম বিধানসভাৰ বাজেট অধিৱেশনৰ দ্বিতীয়দিনটোত শাসক বিজেপি আৰু মুখ্য বিৰোধী কংগ্ৰেছৰ বিধায়কসকলে সভা স্থগিত প্ৰস্তাৱ আনি উত্তপ্ত পৰিস্থিতিৰ সৃষ্টি কৰাৰ সময়তে কংগ্ৰেছ আৰু এআইইউডিএফে সদন ত্যাগ কৰে। এআইইউডিএফৰ বিধায়কসকলে সদন ত্যাগ কৰি বাহিৰলৈ ওলাই আহি প্ৰতিবাদ সাব্যস্ত কৰে। প্লেকাৰ্ড লৈ এআইইউডিএফৰ বিধায়কসকলে বিদেশী ন্যায়াধীকৰণৰ বিৰুদ্ধে সৰৱ হয় আৰু বিধায়ক আমিনুল ইছলামে কয় যে বিদেশী ন্যায়াধীকৰণে অন্যায়ভাৱে বিদেশীৰ ৰায় দিয়া বন্ধ কৰক। বিদেশীৰ নামত প্ৰকৃত ভাৰতীয় নাগৰিকক অত্যাচাৰ বন্ধ কৰক। ডিটেনচন কেম্পৰ পৰা ভাৰতীয় নাগৰিকক মুক্তি দিয়ক। আমি এই গুৰুত্বপূৰ্ণ বিষয়টো সন্দৰ্ভত সভা স্থগিতৰ প্ৰস্তাৱ আনিছিলো। এটা বিশেষ সম্প্ৰদায়ক নিঃশেষ কৰাৰ ষড়যন্ত্ৰ কৰা হৈছে। এনেদৰে আজি বিধানসভাৰ বাজেট অধিৱেশনৰ দ্বিতীয় দিনটোত সদন উত্তপ্ত হৈ পৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# জ্ঞানেশক মাজনিশা দায়িত্ব

নিৰ্বাচন আয়ুক্ত হিচাপে হঠাৎ নিযুক্তি প্ৰদানক লৈ তীব্ৰ আপত্তি প্ৰকাশ কৰিছে কংগ্ৰেছে। বিৰোধী নেতাৰ মতামতক আওকাণ কৰি নিৰ্বাচনী সমিতিৰ বৈঠকত সংখ্যাগৰিষ্ঠতাৰ ভিত্তিত এক সিদ্ধান্ত কেন্দ্ৰই জাপি দিয়াৰ অভিযোগ কৰিছে দলটোৱে। কংগ্ৰেছে অভিযোগ কৰিছে যে এই নিযুক্তি দৰাচলতে নিৰ্বাচন আয়োগক নিজৰ দখললৈ অনাৰ এক নামান্তৰ মাত্ৰ। উল্লেখ্য যে, সোমবাৰে নিশা জ্ঞানেশ কুমাৰৰ নাম দেশৰ পৰৱৰ্তী মুখ্য নিৰ্বাচনী আয়ুক্ত হিচাপে ঘোষণা কৰা হয়। এই নিযুক্তিৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ, কেন্দ্ৰীয় আইন মন্ত্ৰী অৰ্জুন মেঘৱাল আৰু বিৰোধী দলপতি ৰাহুল গান্ধীক লৈ এখন সমিতি গঠন কৰা হৈছিল। কিন্তু ৰাহুল গান্ধীয়ে পোনপটীয়াকৈ দাবী কৰে যে যিহেতু বিষয়টো উচ্চতম ন্যায়ালয়ত বিচাৰাধীন হৈ আছে, গতিকে বৈঠক পিছুৱাই দিব লাগে। কিন্তু কংগ্ৰেছৰ সেই দাবীক আওকাণ কৰি সংখ্যাগৰিষ্ঠতাৰে বলপূৰ্বকভাৱে এই সিদ্ধান্ত জাপি দিয়া বুলি অভিযোগ উত্থাপন হৈছে। কংগ্ৰেছ নেতা কে চি বেণুগোপালে কয়, "এয়া সংবিধানৰ মূল আদৰ্শৰ ওপৰত আক্ৰমণ। এই খৰখেদা সিদ্ধান্তই আয়োগৰ নিৰপেক্ষতাক লৈ ভোটাৰৰ মনত আৰু অধিক সন্দেহৰ সৃষ্টি কৰিব।" বিৰোধীয়ে দাবী কৰিছে যে এই পদক্ষেপ আচলতে উচ্চতম ন্যায়ালয়ৰ ৰায়দানৰ পূৰ্বে আদালতৰ মনোযোগ এৰাই চলাৰ কৌশল। প্ৰসংগক্ৰমে ২০২৩ চনত নিৰ্বাচন আয়ুক্ত নিযুক্তি সন্দৰ্ভত কেন্দ্ৰই নিয়ম সলনি কৰিছিল। পূৰ্বে এই কমিটীত উচ্চতম ন্যায়ালয়ৰ মুখ্য ন্যায়াধীশক অন্তৰ্ভুক্ত কৰা হৈছিল যদিও নতুন নিয়ম অনুসৰি ইয়াৰ পৰিৱৰ্তে গৃহমন্ত্ৰীক অন্তৰ্ভুক্ত কৰা হৈছে। সেই সংশোধিত আইনখনৰ বৈধতা সন্দৰ্ভত উচ্চতম ন্যায়ালয়ত গোচৰ চলি আছে।

প্ৰথম পৃষ্ঠাৰ পৰা...

# জয়ন্তমল্ল বৰুৱা লুটমাৰ চলোৱা মন্ত্ৰী!

জয়ন্তমল্ল বৰুৱাই নগৰ আৰু পৰিকল্পনাৰ গুৱাহাটী মহানগৰ উন্নয়ন বিভাগৰ উত্তৰ দি থকা অসমত বাৰে বাৰে আসনৰ পৰা উঠি নিজৰ পক্ষ ৰাখিবলৈ প্ৰয়াস কৰি সদনৰ পৰা বহিস্কাৰ হয় শিৱসাগৰৰ বিধায়ক অখিল গগৈ। মন্ত্ৰী জয়ন্তমল্ল বৰুৱাই নিজ বিভাগক লৈ উত্তৰ দি থকাৰ সময়তে অখিল গগৈয়ে থিয় দি কথা ৰাখিব খোজাত বিধানসভাৰ উপাধ্যক্ষই হস্তক্ষেপ কৰে। কিন্তু অখিল গগৈয়ে অধ্যক্ষৰ কথা নুশুনি মন্ত্ৰীগৰাকীৰ কথাৰ মাজত কথা কোৱাত আজি ১০ মিনিটৰ বাবে সদনৰ পৰা অখিল গগৈক বহিস্কাৰ কৰা হয়। কিন্তু ১০ মনিট পিছত অখিল গগৈৰ বহিস্কাৰ উঠাই লোৱাত পুনৰ সদনলৈ আহে অখিল গগৈ। গুৱাহাটী মহানগৰীত জাইকাই বহুওৱা পানীৰ পাইপ ফুটি প্ৰায়ে প্ৰলয়ৰ সৃষ্টি হয়। আজি সদনত জনস্বাস্থ্য কাৰিকৰী মন্ত্ৰী তথা নগৰ আৰু পৰিকল্পনা বিভাগৰ মন্ত্ৰী এই বিষয়ত সদনত বক্তব্য ৰাখি থকাৰ সময়তে অসম বিধানসভাত হুলস্থুলীয়া পৰিৱেশৰ সৃষ্টি হয়। জয়ন্ত মল্ল বৰুৱাই গুৱাহাটীৰ পানীৰ পাইপ ফুটি অহা বিষয়টোক লৈ কয় যে আগৰ ঠিকাদাৰে খেলিমেলি কৰি যোৱাৰ বাবেই এতিয়া লৈ সঠিক পৰ্যায়লৈ আনিব পৰা নাই। মন্ত্ৰীগৰাকীয়ে বক্তব্য প্ৰদান কৰি থকাৰ সময়তে অখিল গগৈয়ে আসনৰ পৰা থিয় হৈ কয় যে এই বিভাগটো ফেইল মাৰিছে। এই ডিপাৰ্টমেণ্টে পানী দিব নোৱাৰি লুট-ৰাজ কৰি আছে। পিএইচই ডিপাৰ্টমেণ্টটো লুট-ৰাজ কৰি শেষ কৰি দিলে। মন্ত্ৰীয়ে এই কথা বিলাক এনেয়ে কৈ আছে। তেতিয়া বিধানসভাৰ অধ্যক্ষৰ পদত বহি থকা উপাধ্যক্ষ ড০ নোমল মমিনে কয় যে কোনো কথা ৰেকৰ্ডত নাযায়। তেতিয়া অখিলে কয় যে মুখ্যমন্ত্ৰী ডাঙৰীয়া ডিপাৰ্টমেণ্টৰ বিৰুদ্ধে তদন্ত দিব লাগে। গোটেই পইছা খাই শেষ কৰিলে, পানী দিব পৰা নাই। এই ডিপাৰ্টমেণ্টটো লুটমাৰৰ ডিপাৰ্টমেণ্ট। গোটেই জলজীৱন মিছনৰ টকা শেষ কৰি দিলে। তেতিয়া মন্ত্ৰী জয়ন্ত মল্ল বৰুৱাই উত্তৰ দি কয় যে অখিল গগৈৰ বিভাগীয় জ্ঞান নাই। মই গুৱাহাটী উন্নয়ন বিভাগৰ উত্তৰ দি আছো। তেতিয়া অখিল গগৈয়ে কয় যে নগৰ আৰু পৰিকল্পনাৰ লগতে দুয়োটা বিভাগ শেষ কৰিলে। টকা খাই শেষ কৰি দিলে। আকৌ মন্ত্ৰীগৰাকীয়ে অখিলক প্ৰত্যুত্তৰ দি কয় যে অকণমান জ্ঞান লওক। অখিল গগৈক উদ্দেশ্যে মন্ত্ৰীয়ে কয় আপোনাৰ সমষ্টিত কিমান মানুহে জলজীৱন মিছনৰ পানী পাই আছে তাৰ খবৰ লওক। অখিল গগৈক বিজেপি নেতা কমল কুমাৰ মেধিৰ জৰিয়তে ৰাকেশ পালৰ পৰা ৩ লাখ টকা লোৱা বুলি শৰ্মা আয়োগৰ প্ৰতিবেদনত প্ৰকাশ পোৱা বিষয়টোক উভতি ধৰি মন্ত্ৰীগৰাকীয়ে কয় যে ৰাকেশ পালৰ পৰা লোৱা ৩ লাখ টকাৰ লোৱাৰ উত্তৰ দিয়ক। আপুনি তাৰ উত্তৰ দিয়ক। তেতিয়াই বিধায়ক অখিল গগৈ আৰু মন্ত্ৰী জয়ন্তমল্ল বৰুৱাৰ বক্তব্যত হস্তক্ষেপ কৰি অখিল গগৈক সদনৰ পৰা ১০ মিনিটৰ বাবে বহিস্কাৰ কৰে। আজি সদনত জনস্বাস্থ্য কাৰিকৰী বিভাগৰ মন্ত্ৰী বৰুৱাই গুৱাহাটীৰ পানীৰ পাইপ ফুটা বিষয়টোক লৈ উত্তৰ দি কয় যে গুৱাহাটী আইআইটিৰ পৰামৰ্শ মতে, ট্ৰেন্সমিচন লাইনত ৰ'বটিক চাৰ্ভে পৰ্যন্ত কৰিছো। ক'ত ক'ত পানীৰ পাইপৰ জইনত খেলিমেলি আছে, ক'ত লিকেজ হ'ব পাৰে জইনিং হোল বিলাকত ৱেল্ডিং কম আছিল। ৰিপৰ্ট সাজু হৈছে। তেনে জইন ১২টা ধৰা পৰা বুলি কয় মন্ত্ৰী বৰুৱাই।

প্ৰথম পৃষ্ঠাৰ পৰা...

# উমৰাংছুত উদ্ধাৰ আৰু ৫ মৃতদেহ

কৰিবলৈ সক্ষম হৈছে উদ্ধাৰকাৰী দলে। পানী নিষ্কাশন অব্যাহত ৰখা উদ্ধাৰকাৰী দলে আজি সুৰংগ সদৃশ গাতত সোমাই ৫টা উৱলি যোৱা মৃতদেহ উলিয়াই আনিবলৈ সক্ষম হয়। আজি পুৱাৰ ভাগতে উদ্ধাৰকাৰী দল গাতত সোমাই গৈছিল। প্ৰথমে দুয়া মৃতদে পৃথকে পৃথকে উলিয়াই আনিবলৈ সক্ষম হৈছিল। তাৰ পিছতে ৩টা মৃতদেহ পৃথকে পৃথকে উলিয়াই আনিবলৈ সক্ষম হয়। এই পৰ্যন্ত আগৰ চাৰিটা মৃতদেহ আৰু আজি ৫টা মৃতদেহ উদ্ধাৰৰ লগ লগে মুঠ ৯টা মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হয়। উৱলি যোৱা মৃতদেহ উলিয়াই এনাৰ পিছতে উৎকট গোন্ধত মানুহ থাকিব নোৱাৰা পৰিস্থিতিৰ সৃষ্টি হয়। মৃতদেহ মৰণোত্তৰ পৰীক্ষাৰ ব্যৱস্থা কৰিছে স্থানীয় আৰক্ষী-প্ৰশাসনে। উৱলি যোৱা উদ্ধাৰকৃত মৃতদেহ কেইটা চিনাক্ত কৰিব পৰা অৱস্তাত নাই। আৰক্ষীয়ে কেনেদৰে কোনটো মৃতদেহ কাৰ সেয়া কেনেকৈ প্ৰমাণিত কৰিব সেয়া জানিব পৰা হোৱা নাই। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই মৃতদেহ উদ্ধাৰ সন্দৰ্ভত তথ্য জাৰি কৰিছে। সামাজিক মাধ্যমত পোষ্ট দি মুখ্যমন্ত্ৰীয়ে কয় যে উমৰাংছুৰ কয়লা খনিৰ পানী নিষ্কাশন প্ৰক্ৰিয়া উদ্ধাৰ অভিযান আৰম্ভ কৰিব পৰাকৈ আজি সম্পন্ন কৰা হৈছিল। আজি ৫গৰাকী বনুৱাৰ মৃতদেহ উদ্ধাৰ কৰি খনিৰ খাদৰ পৰা উলিয়াই অনা হৈছে। মৃতদেহকেইটিৰ চিনাক্তকৰণৰ প্ৰক্ৰিয়া ইতিমধ্যে আৰম্ভ কৰা হৈছে। ৬ জানুৱাৰীত উমৰাংছুৰ তিন কিলোত ভয়ংকৰ ঘটনা সংঘটিত হৈছিল। অবৈধ কয়লাখনিত খনন কৰি থকাৰ সময়তে সমীপৰ পানী ভৰি থকা পৰিত্যক্ত গাতৰ পৰা পানী ভৰি আৰদ্ধ হৈছিল বহু শ্ৰমিক। ৭ জানুৱাৰীৰ পৰা আৰদ্ধ শ্ৰমিকক উদ্ধাৰৰ বাবে অভিযান চলিছিল যদিও পূৰ্বে চাৰি শ্ৰমিকৰ মৃতদেহ উদ্ধাৰ হৈছিল। চৰকাৰে মুঠ ৯ শ্ৰমিক আৰদ্ধ হোৱা বুলি তথ্য ৰাজহুৱা কৰিছিল। সেনা, এছডিআৰএফ, এনডিআৰএফ ৯ জন শ্ৰমকিৰ মৃতদেহ উদ্ধাৰ কৰিবলৈ সক্ষম হৈছে। অবৈধ কয়লাখনিটো ডিমা হাচাও স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইৰ আছিল। কিন্তু কণিকা হোজাই আৰু অসম খনিজ উন্নয়নৰ নিগনৰ পৰিচালন সঞ্চালক আনন্দ নটৰাজনৰ বিৰুদ্ধে আজিলৈ গোচৰ ৰুজু হোৱা নাই। কিন্তু উচ্চ ন্যায়ালয়ে গোচৰ ৰুজু কৰি চৰকাৰৰ পৰা শপতনামা বিচাৰিছে। গুৱাহাটী উচ্চ ন্যায়ালয়ে নিজাববীয়াকৈ গোচৰ ৰুজু কৰি মুখ্য ন্যায়াধীশৰ নেতৃত্বত গঠিত খণ্ড বিচাৰপীঠে সমগ্ৰ ঘটনাৰ সন্দৰ্ভত ৰাজ্য চৰকাৰক শপতনামা দাখিলৰ নিৰ্দেশ প্ৰদান কৰিছিল। ন্যায়ালয়ে বন্ধ কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়াৰ পিছতো অসমৰ প্ৰান্তে প্ৰান্তে চৰকাৰ-প্ৰশাসনৰ পৃষ্ঠপোষকতাত (কয়লা)ৰ অবৈধ ৰেট হোল মাইনিং চলি আছিল। অবৈধ মাইনিং চলি থকাৰ ফলতে উমৰাংছুৰ তিন কিলোত সুৰংগ সদৃশ গাতত কয়লাৰ অবৈধ খননৰ বাবে সোমাই ৯ শ্ৰমিকে প্ৰাণ হেৰুৱাই। উচ্চতম ন্যায়ালয়ে পূৰ্বেই ৰেট হোল মাইনিং বন্ধ কৰি ৰাখিবলৈ কঠোৰ নিৰ্দেশ দিয়াৰ পিছতো কেনেদৰে চলি থাকিব পাৰিছিল তেনে বিপজ্জনক কাম। যাৰ ফলত ৯ শ্ৰমিকে গাতত সোমাই প্ৰাণ হেৰুৱায়। বিজেপি দল-চৰকাৰৰ প্ৰভাৱশালী নেতাৰ লগত ৰাজ্য চৰকাৰৰ বহু প্ৰভাৱশালী বিষয়াই কয়লাৰ অবৈধ খননত জড়িত। অসম আৰক্ষীয়ে গোচৰ ৰুজু কৰি তিন কিলোৰ অবৈধ খনিটোত নিয়োজিত কেইবাজনো শ্ৰমিক-মেনেজাৰক গ্ৰেপ্তাৰ কৰিছে যদিও এই পৰ্যন্ত মুখ্য অভিযুক্ত ডিমা-হাচাও স্বায়ত্ব পৰিষদৰ মুখ্য কাৰ্যবাহী দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাইক গ্ৰেপ্তাৰ কৰাটো দূৰৰ কথা সোধ-পোছৰ বাবেও মাতি নিব পৰা নাই অসম আৰক্ষীয়ে। কিয়নো যিটো খনিত ৯ শ্ৰমিত নিহত হৈছে সেই খনিটোৰ খননৰ অনুমতি আছিল কণিকা হোজাইৰ নামত। অসম খনিজ উন্নয়ন নিগমে অবৈধভাৱে ৰেট হোল মাইনিঙৰ অনুমতি প্ৰদান কৰিছিল। বিজেপি নেতা দেৱলাল গাৰ্লোছাৰ পত্নী হোৱাৰ সুবাদতে কণিকা হোজাইৰ কাষ চাপিব পৰা নাই আৰক্ষী। ইপিনে মুখ্যমন্ত্ৰীয়ে ঘটনাক লৈ ন্যায়িক তদন্ত ঘোষণা কৰাৰ লগতে বিশেষ তদন্তকাৰী সমিতি গঠন কৰিছে। লগতে মুখ্যমন্ত্ৰীয়ে অবৈধ খনন বন্ধ কৰিবলৈ নিৰ্দেশ দিয়াত আৰক্ষী, প্ৰশাসন ৰেট হোল মাইনিং বন্ধ কৰিবলৈ উঠি-পৰি লাগিছিল। কিন্তু বাস্তৱত এয়া কেৱল চৰকাৰৰ ভেকোভাওনাতহে পৰিণত হৈছে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

প্ৰথম পৃষ্ঠাৰ পৰা...

# নম্বৰ বঢ়াই চাকৰি লোৱা ৯ বিষয়াক

ৰয়, ঋতুৰাজ দলে, জগদীশ ব্ৰহ্মা, বিক্ৰম আদিত্য বৰা, নন্দিতা হাজৰিকা, স্বৰূপ কুমাৰ ভট্টাচাৰ্যই চাকৰি কৰি আছে। এই ৯ বিষয়া এতিয়া চৰকাৰৰ বৰঘৰত চৰকাৰৰ নীতি-নিৰ্দেশনা সুন্দৰকৈ পালন কৰি আছে। অসম লোকসেৱা আয়োগৰ তেতিয়াৰ অধ্যক্ষ ৰাকেশ পালৰ নেতৃত্বত টেবুলেচনম্বিটিত নম্বৰ বৃদ্ধি কৰি দিয়াত এই ৯ বিষয়াই চাকৰি লাভ কৰিছিল। যি কথা শৰ্মা আয়োগৰ পাতত তন্নতন্নকৈ উল্লেখ আছে। কেনেদৰে নম্বৰ বঢ়াই দিয়া হৈছিল সেই কথাও প্ৰতিবেদনত উল্লেখ কৰা হৈছে। কোনোবাক বুৰঞ্জীত, কোনোবাক ইংৰাজীত নম্বৰ বৃদ্ধি কৰি দিয়া হৈছিল সেই কথা প্ৰতিবেদনত উল্লেখ কৰিছে আয়োগে। প্ৰকৃততে যিমান নম্বৰ লাভ কৰিছিল তাৰ সৈতে নম্বৰ সংযোগ কৰা হৈছিল। নৱনীতা শৰ্মাই পৰীক্ষাত এটা বিষয়ত প্ৰকৃততে নম্বৰ লাভ কৰিছিল ১২৩। ১২৩ নম্বৰক ১৭৩লৈ বৃদ্ধি কৰা হৈছিল। তেনেদৰে প্ৰতিগৰাকী পৰিক্ষাৰ্থীয়ে কম নম্বৰ লাভ কৰাৰ পিছতো নম্বৰ বৃদ্ধি কৰি পৰীক্ষাত উত্তীৰ্ণ কৰা হৈছিল। ডিব্ৰুগড় আৰক্ষী থানাত ৰুজু গোচৰৰ ভিত্তিত তদন্ত আৰম্ভ হোৱাত এই কেলেংকাৰীৰ সকলো দিশ স্পষ্ট হোৱাত সকলো বিষয়াক চাকৰিৰ পৰা খেদিব বুলি অসমবাসী ৰাইজে আশা কৰিছিল। কিন্তু তেনে নহ'ল। বক্ৰ পথেৰে চাকৰি লোৱাসকলক ৰক্ষণা-বেক্ষণ দিছে হিমন্ত বিশ্ব শৰ্মা চৰকাৰে। কিন্তু এতিয়া হাল এৰি শিয়াল খেদিছে চৰকাৰে, একাংশ ব্যক্তিবিশেষ। চৰকাৰ তথা একাংশ সংস্থাই মুখ্য বিষয়টোক তল পেলাই এইসকল বিষয়াক ৰক্ষণা-বেক্ষণ দিবলৈ আৰম্ভ কৰিছে। তদন্তৰ ভিত্তিত মুঠ ৭২গৰাকী লোকক গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰ ভিতৰত ৪৮ জন আছিল এচিএছ-এপিএছ। কিন্তু এতিয়াই ২০১৩-২০১৫ বৰ্ষত চাকৰি লাভ কৰা ৯গৰাকী বিষয়াৰ লগতে আন বহু বিষয়াই এতিয়াও চাকৰি কৰি আছে। এইকেইগৰাকী বিষয়াই অসমৰ প্ৰশাসন-আৰক্ষী বিভাগত দপদপাই আছে। শৰ্মা আয়োগে ২০২২ চনতে চৰকাৰৰ হাতত প্ৰতিবেদন দাখিল কৰিছিল। কিন্তু তিনিটা বছৰে চৰকাৰে জানি-শুনি এইসকল বিষয়াক চাকৰি কৰি থাকিবলৈ দিলে। কংগ্ৰেছৰ দিনত বক্ৰ পথেৰে চাকৰি লোৱা কেইবাগৰাকী বিষয়াই বৰ্তমানেও চাকৰি কৰি আছে যদিও শৰ্মা আয়োগক লৈ কিছু অত্যন্ত তৰল আৰু লক্ষ্য বিষয়ক লৈ ৰাজ্যত চলিছে আলোচনা। কোনে কাক বিয়াত কি উপহাৰ দিছিল, অখিল গগৈ, কমল কুমাৰ মেধিয়ে কাৰ পৰা দুই-তিনিলাখ টকা লৈছিল সেই কথাৰ খুব চৰ্চা হৈ আছে। কিন্তু মুখ্য বিষয়ত কোনোৱেও চৰ্চা কৰিব খোজা নাই। মুখ্য কথাটো হ'ব লাগিছিল যে অসম আৰক্ষীৰ তদন্ত আৰু আয়োগৰ প্ৰতিবেদনৰ ভিত্তিত প্ৰমাণ হৈছে যে ৰাকেশ পালৰ কাৰ্যকাল ২০১৩ চনৰ পৰা ২০১৫ চনলৈ অসম লোকসেৱা আয়োগত চাকৰি লাভ কৰা সকলো বিষয়াই টকা দি চাকৰি লৈছিল। যি কথা পূৰ্বেই অসম আৰক্ষীৰ তদন্তত ওলাই পৰিছিল। এইবাৰ শৰ্মা আয়োগৰ প্ৰতিবদনতো একেই কথা উল্লেখ আছে। আয়োগে চৰকাৰক পৰামৰ্শ দিছে যে সকলো চাকৰিয়ালক চাকৰিৰ পৰা বৰ্খস্ত কৰিব লাগে। চৰকাৰে ৯ বিষয়াক বৰ্তমানেও চাকৰি কৰি থকাৰ সুবিধা দিয়াৰ লগতে পূৰ্বে নিলম্বিত ২১ এচিএছ-এপিএছক পুনৰ চাকৰি লাভৰ বাট মুকলি কৰি দিছে। আদালতে বিচৰা উত্তৰ নিদিয়াত নিলম্বিত হৈ থকা এচিএছ-এপিএছৰ নিলম্বন বাতিল আৰু বিভাগীয় তদন্ত স্থগিত ৰাখিবলৈ নিৰ্দেশ দিছিল উচ্চ ন্যায়ালয়ে। অসমৰ বিজেপিৰ চৰকাৰৰ চৰম অনীহাৰ বাবেই বক্ৰ পথেৰে চাকৰি লাভ কৰা নিলম্বিত এচিএছ-এপিএছে পুনৰ চাকৰিত যোগদানৰ বাট মুকলি হৈছে। ২১ নিলম্বিত এচিএছ আৰু এপিএছৰ নিলম্বন বাতিল আৰু বিভাগীয় তদন্ত স্থগিত কৰিবলৈ নিৰ্দেশ প্ৰদান কৰিছে উচ্চ ন্যায়ালয়ে। সঠিক সময়ত উত্তৰ নোপোৱাত নিলম্বনত স্থগিতাদেশ দিয়াৰ লগতে চৰকাৰৰ পৰা গা এৰা মনোভাৱৰ বাবেই চাকৰি উভতাই পাবলৈ সক্ষম হোৱাৰ বাট মুকলি হৈছে। নিলম্বিত এচিএছ আৰু এপিএছসকলে উচ্চ ন্যায়ালয়ৰ কাষ চাপিছিল। ৭ ফেব্ৰুৱাৰীত উচ্চ ন্যায়ালয়ত শুনানি অনুষ্ঠিত হয়। শুনানিত নিলম্বন প্ৰত্যাহাৰ কৰাৰ লগতে তদন্ত স্থগিত কৰিবলৈ নিৰ্দেশ দিছে ন্যায়ালয়ে। ন্যায়ালয়ে বিচাৰিৰ দৰে সময়ত মতে, অসম চৰকাৰে নিলম্বনৰ কাৰণ দৰ্শাই উত্তৰ দিব নোৱাৰাত ৰাজপত্ৰিত বিষয়াসকলৰ নিলম্বন বাতিল কৰে। ইমানে নহয় চৰকাৰৰ অহমিকাৰ বাবে ৰাজপত্ৰিত বিষয়াসকলৰ বিৰুদ্ধে বিভাগে কৰি থকা তদন্তত স্থগিতাদেশ জাৰি কৰিছে। চৰকাৰৰ অৱহেলাৰ বাবেই এতিয়া বক্ৰ পথেৰে চাকৰি লাভ কৰাসকল চৰকাৰত উঠি-ৰজা, বহি ৰজা হোৱাৰ পথ প্ৰশস্ত হ'ল। চৰকাৰে দুৰ্নীতিৰ তদন্ত নিকা হোৱাৰ কথা আওৱাই চৰকাৰ যে শূন্যসহনশীল নীতিৰে চলে সেই কথা প্ৰমাণিত কৰিবলৈ প্ৰয়াসৰ সময়তে এয়া এক বৃহৎ মুখথেকেচা। চৰকাৰে জানি বুজি উত্তৰ দিয়াত বিলম্ব কৰা বুলি প্ৰশ্ন উত্থাপন হৈছে। লোক সেৱা আয়োগত বক্ৰ পথেৰে চাকৰিত লোৱা ২১ বিষয়াক ২০২৩ চনৰ ডিচেম্বৰত নিলম্বন কৰিছিল চৰকাৰে। ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মা আয়োগে প্ৰতিবেদন দাখিলৰ প্ৰায় ডেৰ বছৰৰ পাছত চৰকাৰে ৩ বিষয়াক গ্ৰেপ্তাৰৰ লগতে ২১ বিষয়াক চাকৰিৰ পৰা নিলম্বন কৰিছিল। ৪ এচিএছ, ১১ এপিএছ আৰু ৬ সংলগ্ন সেৱাৰ বিষয়াক চাকৰিৰ পৰা নিলম্বন কৰা হৈছিল। দীপাংকৰ দত্ত লহকৰ, নৱনীতা শৰ্মা, কল্যাণ কুমাৰ দাস, ফাৰুক আহমেদ, কুলপ্ৰদীপ ভট্টাচাৰ্য, নীলাঞ্জল গগৈ, নিতুমণি দাস, পুস্কল গগৈ, সুকন্যা দাস, ৰুমী তিমুংপি, অমিতৰাজ চৌধুৰী, অসীমা কলিতা, ৰাকেশ দাস, অনলজ্যোতি দাস, ঋতুৰাজ দলে, জগদীশ ব্ৰহ্মা, হিতেশ মজুমদাৰ, সৌৰভ কুমাৰ ভট্টাচাৰ্য, নন্দিনী কাকতি, নন্দিতা হাজৰিকা, সৌৰভপ্ৰাণ শৰ্মা (আবকাৰী পৰিদৰ্শক), বৰকিৰি তেৰাং (কৰ পৰিদৰ্শক), জয়ন্ত দলে (কৰ পৰিদৰ্শক), প্ৰিয়ংকা ডেকা (কৰ পৰিদৰ্শক), বিকাশ শৰ্মা (সহকাৰী সমবায় পঞ্জীয়ক), চক্ৰধৰ ডেকা (সহকাৰী সমবায় পঞ্জীয়ক), গীতাৰ্থ বৰুৱাৰ (সহকাৰী নিয়োগ বিষয়া) বিৰুদ্ধে এছআইটিয়ে তদন্ত কৰিছিল। কংগ্ৰেছৰ দিনত অসম লোকসেৱা আয়োগত সংঘটিত ভয়াবহ চাকৰি কেলেংকাৰী তদন্তৰ প্ৰসংগ উল্লেখ কৰি বিজেপিৰ নেতাসকলে বাঃ বাঃ লয়। বিজেপিয়ে শিৰ ফুলাই অসম লোকসেৱা আয়োগৰ চাকৰি কেলেংকাৰীৰ তদন্ত প্ৰসংগ উল্লেখ কৰে যদিও ৭ ফেব্ৰুৱাৰীত উচ্চ ন্যায়ালয়ে ৰাকেশ পালৰ দিনত চাকৰি পোৱা ২১ এচিএছ-এপিএছৰ নিলম্বন বাতিল কৰিছিল।

প্ৰথম পৃষ্ঠাৰ পৰা...

# ৰেখা গুপ্তা নতুন মুখ্যমন্ত্ৰী

কৰি এগৰাকী মহিলাক দিল্লী গতাই দিলে ভাৰতীয় জনতা পাৰ্টিয়ে। ৰাজধানী দিল্লীৰ পৰৱৰ্তী মুখ্যমন্ত্ৰী কোন হ'ব তাক লৈ অব্যাহত থকা বহু জল্পনা-কল্পনাৰ অৱসান ঘটাই আজি বিজেপিয়ে ঘোষণা কৰিলে তেওঁলোকৰ মুখ্যমন্ত্ৰীৰ নাম। বিজেপিৰ শীৰ্ষ নেতৃত্বই জ্যেষ্ঠ নেত্ৰী ৰেখা গুপ্তাৰ নাম পৰৱৰ্তী মুখ্যমন্ত্ৰী হিচাপে আজি ঘোষণা কৰিছে। বুধবাৰে অনুষ্ঠিত হোৱা বিজেপিৰ বিধায়নী দলৰ বৈঠকত দলৰ কেন্দ্ৰীয় পৰ্যবেক্ষক ওম প্ৰকাশ ধনখৰ আৰু ৰবি শংকৰ প্ৰসাদৰ উপস্থিতিত ঘোষণা কৰা হয় ৰেখা গুপ্তাৰ নাম। বিজেপিৰ সূত্ৰ অনুসৰি তেওঁৰ অভিজ্ঞতা আৰু প্ৰশাসনিক দক্ষতাৰ ভিত্তিত তেওঁক মুখ্যমন্ত্ৰীৰ দায়িত্ব দিয়া হৈছে। উল্লেখ্য যে, দলৰ শীৰ্ষ নেতৃত্বই প্ৰথমে প্ৰৱেশ বাৰ্মাৰ নাম বিবেচনা কৰিছিল যদিও শেষত ৰেখা গুপ্তাক বাছনি কৰা হয়। ফলত দিল্লীৰ ইতিহাসত বিজেপিৰ প্ৰথমগৰাকী মহিলা মুখ্যমন্ত্ৰী আৰু দিল্লীৰ ৰাজনীতিৰ চতুৰ্থগৰাকী মহিলা মুখ্যমন্ত্ৰীৰূপে কাৰ্যনিৰ্বাহ কৰিব ৰেখা গুপ্তাই। প্ৰণিধানযোগ্য যে, ছাত্ৰ জীৱনৰ পৰাই ৰাজনীতিৰ সৈতে জড়িত ৰেখা গুপ্তা বৰ্তমান দিল্লী বিজেপিৰ সাধাৰণ সম্পাদিকা। ২০২৫ চনৰ বিধানসভা নিৰ্বাচনত ছালিমাৰ বাগ (উত্তৰ-পশ্চিম) সমষ্টিৰ পৰা ৬৮,২০০ ভোটত জয়লাভ কৰে তেওঁ। ১৯৯৬-৯৭ চনত তেওঁ দিল্লী বিশ্ববিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সভানেত্ৰী আছিল। তাৰ পিছত ২০০৭ চনত উত্তৰ পীতামপুৰাৰ পৰা (৫৪ নং ৱাৰ্ড) দিল্লী পৌৰ নিগমৰ নিৰ্বাচনত জয়ী হয়। ২০১২ চনত পুনৰ জয়লাভ কৰি তেওঁ দক্ষিণ দিল্লীৰ মেয়ৰৰ পদতো অধিষ্ঠিত হৈছিল। যোৱা ৮ ফেব্ৰুৱাৰীত ঘোষণা হোৱা দিল্লী বিধানসভা নিৰ্বাচনত অভূতপূৰ্ব বিজয় সাব্যস্ত কৰিছিল বিজেপিয়ে। কিন্তু ফলাফল ঘোষণাৰ দহ দিনৰ পিছতো বিজেপিয়ে ঘোষণা কৰা নাছিল মুখ্যমন্ত্ৰীৰ নাম। ইয়াৰ পূৰ্বেই অৱশ্যে দলটোৱে শপত গ্ৰহণৰ তাৰিখ ঘোষণা কৰে। বিজেপিৰ সূত্ৰ অনুসৰি, প্ৰধানমন্ত্ৰীৰ বিদেশ ভ্ৰমণৰ পৰিপ্ৰেক্ষিততে মুখ্যমন্ত্ৰীৰ বাছনিত পলম হয়। উল্লেখ্য যে, বৃহস্পতিবাৰে দিল্লীৰ মুখ্যমন্ত্ৰীৰূপে শপত ল'ব ৰেখা গুপ্তাই।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# হিমন্ত বিশ্ব শৰ্মাক ভগৱানেও ক্ষমা

তৰুণ গগৈয়ে অসমৰ সামাজিক, অৰ্থনৈতিক আৰু ৰাজনৈতিক পৰিৱেশ সুস্থ কৰি তুলিছিল। মুখ্যমন্ত্ৰী হিচাপে তৰুণ গগৈৰ দক্ষতা সন্দৰ্ভত কোনেও প্ৰশ্ন উত্থাপন কৰা নাছিল যদিও শেহতীয়াকৈ অসম লোকসেৱা আয়োগৰ নিযুক্তি সন্দৰ্ভত অৱসৰপ্ৰাপ্ত ন্যায়াধীশ বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদনৰ কেইটামান পৃষ্ঠাক কেন্দ্ৰ কৰি কংগ্ৰেছ দল আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী তৰুণ গগৈক যিদৰে সমালোচনা কৰা হৈছে সেয়া দেখি মই হতচকিত হৈ পৰিছো। মোৰ আজি এনেকুৱা লাগিছে যে ৰাজনীতি নকৰা হ'লেই ভাল আছিল। অসম প্ৰদেশ কংগ্ৰেছ কমিটিৰ সভাপতি ভূপেন কুমাৰ বৰাই আজি পুৱাৰ ভাগত সাংবাদিকৰে হোৱা বাৰ্তালাপত এইদৰে কয়। বৰাই কয়, ৰাজনৈতিক উদ্দেশ্যেপ্ৰণোদিতভাৱে বৰ্তমানৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা আৰু বিজেপি দলৰ ৰাজ্যিক সভাপতিয়ে স্বৰ্গগামী হোৱা এজন ব্যক্তিক অহেতুক বিতৰ্কলৈ টানি আনিছে। এয়া অসমীয়া পৰম্পৰাৰ বিৰোধী আৰু ভগৱানে ইয়াৰ বিচাৰ কৰিব। অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ৰাকেশ পালক আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়াৰ ক্ষেত্ৰত তিনিজন কেবিনেট মন্ত্ৰীয়ে বিশেষ ভূমিকা গ্ৰহণ কৰিছিল। তাৰ ভিতৰত এজন বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু দুজন বিজেপি দলতেই আছে। বিপ্লৱ শৰ্মাৰ প্ৰতিবেদনত কিন্তু তেওঁলোকৰ নাম উল্লেখ নাই। ৯০০ পৃষ্ঠাৰ এখন প্ৰতিবেদন পুংখানুপুংখ বিশ্লেষণ নকৰাকৈ এটা মাত্ৰ ৫০২ নম্বৰ পৃষ্ঠাত থকা সাক্ষীৰ কেতবোৰ ভাষ্যক লৈ অসমত এটা হৈ-চৈৰ সৃষ্টি কৰা হৈছে। এই সাক্ষীজনৰ কেলেংকাৰীৰ অন্যতম খলনায়ক আছিল। তেওঁৰ বিৰুদ্ধে কি ব্যৱস্থা গ্ৰহণ কৰা হ'ল সেয়া উল্লেখ নাই। ৩ বছৰ পূৰ্বে দাখিল কৰা প্ৰতিবেদনখন ইমানদিন গাপ দি ৰাখি হঠাৎ নিৰ্বাচনলৈ এবছৰ থকা সময়ত গ্ৰহণ কৰি নিউজ চেনেলৰ যোগেদি এটা মাত্ৰ পৃষ্ঠা প্ৰকাশ কৰি প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈক বদনামী কৰাৰ ষড়যন্ত্ৰ কৰা হৈছে। উমৰাংছুৰ কয়লা খনিত শ্ৰমিকৰ মৃত্যু হোৱা বিষয়টো তল পেলাবলৈ আৰু বৰ্তমানৰ মুখ্যমন্ত্ৰী আৰু তেওঁৰ পৰিয়ালৰ পৰ্বতসম দুৰ্নীতিৰ লগত জড়িত বুলি অভিযোগ উত্থাপন হোৱাৰ সময়তে আৰু মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মা কয়লা ছিণ্ডিকেটৰ লগত জড়িত বুলি গম পোৱাৰ পিছত ইছ্যু ডাইভাৰ্ট কৰিবলৈ বুলি এইদৰে বিপ্লৱ কুমাৰ শৰ্মাৰ প্ৰতিবেদন ব্যৱহাৰ কৰা হৈছে। বিধায়ক অখিল গগৈয়ে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সম্পত্তিৰ এখন তালিকা ইতিমধ্যে ৰাজহুৱা কৰি থৈছে। সেই তালিকাখন সত্য নে সেয়া অসমৰ ৰাইজে জানে। কিন্তু প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈয়ে পত্নী ডলী গগৈৰ নামত চাহ বাগিছা, ৰিজ'ৰ্ট, প্ৰাইভেট স্কুল, টিভি চেনেল, বাতৰি কাকত ক্ৰয় কৰিব নোৱৰা বাবে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈ ডাঙৰীয়াৰ অপৰাধ হ'ল নেকি বুলি প্ৰশ্ন কৰে। মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক ক্ষুৰধাৰ সমালোচনা কৰি বৰাই কয় যে যিজন ব্যক্তিৰ আঙুলিত ধৰি হিমন্ত বিশ্ব শৰ্মাই ৰাজনীতিৰ স্বৰ্গসুখ লাভ কৰিলে সেইজন ব্যক্তিক মৃত্যুৰ ৬ বছৰৰ পিছত বদনামী কৰাৰ বাবে ষড়যন্ত্ৰ কৰিলে। অসমৰ সংস্কৃতিত এনে ঘটনা আগতে ঘটা নাই আৰু ইয়াৰ বাবে ভগৱানেও হিমন্ত বিশ্ব শৰ্মাক ক্ষমা নকৰে বুলি তেওঁ উল্লেখ কৰে। ৰাই দুখ প্ৰকাশ কৰি কয়, যিজন তৰুণ গগৈয়ে ব্যক্তিগত স্কুল নিৰ্মাণ নকৰি ৰাজহুৱা ষ্টেডিয়াম নিৰ্মাণ কৰিলে, হাতত বন্দুক লোৱা মানুহক দেশৰ ৰাষ্ট্ৰীয় পতকাক চেল্যুট কৰিবলৈ শিকালে, ভাঙি যাবলৈ ধৰা অসমৰ অৰ্থনীতিক স্থিৰতা প্ৰদান কৰিলে, ৰাষ্ট্ৰীয় ক্ৰীড়া অনুষ্ঠিত কৰিব পৰা আন্তঃগাথঁনি সৃষ্টি কৰিলে, সেইজন ব্যক্তিক নিজস্ব ৰাজনৈতিক স্বাৰ্থত মৃত্যুৰ পিছতো খেদি ফুৰাতো বেদনাদায়ক। ইয়াৰোপৰি অসম বিজেপিৰ সভাপতি দিলীপ শইকীয়াই প্ৰয়াত তৰুণ গগৈক দুৰ্নীতিৰ চৰ্দাৰ আছিল বুলি কৰা মন্তব্যক সমালোচনা কৰি বৰাই কয় যে, সেই সময়ৰ মুখ্যমন্ত্ৰী প্ৰয়াত তৰুণ গগৈয়ে যদি দুৰ্নীতিৰ চৰ্দাৰ আছিল তেন্তে সেই সময়ৰ বিজেপিৰ সভাপতি সৰ্বানন্দ সোণোৱালে কিয় গগৈৰ বিৰুদ্ধে তদন্তৰ দাবী নকৰি সেই সময়ৰ কংগ্ৰেছৰ প্ৰতাপী মন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক দুৰ্নীতিৰ চৰ্দাৰ বুলি কিতাপ প্ৰকাশ কৰিছিল? বৰাই তাৎপৰ্যপূৰ্ণ ভাৱে মন্তব্য কৰি কয় যে দিলীপ শইকীয়াই এতিয়া সৰ্বানন্দ সোণোৱালৰ বিপক্ষে কৈছে নে হিমন্তৰ শ্ৰুতলিপি মতে কৈছে সেয়া অসমৰ ৰাইজে বিচাৰ কৰিব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ভোট বঢ়াবলৈ ধন নিদিয়ে ড'নাল্ড

বন্ধ কৰিছে আমেৰিকাই। এই সিদ্ধান্তৰ পক্ষত এতিয়া মাত মাতিছে আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে। তেওঁ কয়, ভাৰতৰ প্ৰতি মোৰ শ্ৰদ্ধা আছে, কিন্তু আমি আমাৰ কৰদাতাৰ ধন ভাৰতলৈ কিয় দান কৰিম? ট্ৰাম্পৰ মন্তব্যৰ পিছতে আৰম্ভ হৈছে ৰাজনৈতিক বিতৰ্ক। উল্লেখ্য যে, জো বাইডেন প্ৰশাসনৰ সময়ত সমগ্ৰ বিশ্বতে গণতন্ত্ৰ শক্তিশালী কৰাৰ বাবে ৪৮৬ মিলিয়ন ডলাৰ আবন্টন দিয়া হৈছিল, ইয়াৰে ২ কোটি ১০ লাখ ডলাৰ ভাৰতক আবন্টন দিয়া হৈছিল। কিন্তু ট্ৰাম্প প্ৰশাসন ক্ষমতালৈ অহাৰ পিছতে "অপব্যয়" হ্ৰাস কৰাৰ সিদ্ধান্ত লয় আৰু সেই খণ্ডত ভাৰতীয় সাহায্যৰ অন্ত পৰাৰ কথাও ঘোষণা কৰে। আমেৰিকাৰ পুঁজিৰ পৰ্যালোচনাৰ বাবে গঠন কৰা বিশেষ সমিতিৰ মুৰব্বী ইলন মাস্কে ১৬ ফেব্ৰুৱাৰীত ছ'চিয়েল মিডিয়াত কয় যে ভাৰতীয়সকলক ভোটদানৰ বাবে উৎসাহিত কৰিবলৈ আমেৰিকাই ২ কোটি ১০ লাখ ডলাৰ দিলেহেঁতেন, কিন্তু এইবাৰ সেই খণ্ডত সেই ধন দিয়া নহ'ব। ভাৰতৰ বাহিৰেও আন বহু দেশৰ অনুদান বন্ধ কৰা হৈছে। ফ্ল'ৰিডাৰ নিজৰ মাৰ-এ-লাগো ৰিজ'ৰ্টত সংবাদ মাধ্যমক সম্বোধন কৰি ট্ৰাম্পে কয়, 'আমি ভাৰতক ২১ মিলিয়ন ডলাৰ কিয় দিছো। তেওঁলোকৰ হাতত বহুত টকা আছে। আমাৰ ওপৰত সৰ্বাধিক কৰ আৰোপ কৰা দেশসমূহৰ ভিতৰত ভাৰত অন্যতম। তেওঁলোকৰ উচ্চ শুল্কৰ বাবে আমি তেওঁলোকৰ বজাৰত সহজে প্ৰৱেশ কৰিব নোৱাৰো। ভাৰত আৰু তেওঁলোকৰ প্ৰধানমন্ত্ৰীৰ প্ৰতি মোৰ সন্মান আছে, কিন্তু তাৰ অৰ্থ এইটো নহয় যে আমি তেওঁলোকৰ ভোটাৰক উৎসাহিত কৰিবলৈ দান দিম।' ইফালে মাস্কৰ কাৰ্যালয়ে জনোৱা মতে, কেৱল ভাৰতেই নহয়, বাংলাদেশ আৰু নেপালৰ দৰে দেশৰ পৰাও অনুদান বন্ধ কৰা হৈছে। লিংগ সমতা, গণতন্ত্ৰ, আৰু মহিলা সবলীকৰণৰ বাবেও সমগ্ৰ বিশ্বতে পুঁজি হ্ৰাস কৰা হৈছে। কাৰ্যভাৰ গ্ৰহণ কৰাৰ লগে লগে মাস্কে কয়, "আমি খৰচ কমাব নোৱাৰিলে আমেৰিকা দেউলীয়া হ'ব।" সেই উদ্দেশ্যে ট্ৰাম্প প্ৰশাসনে আন্তঃৰাষ্ট্ৰীয় ৰাজনৈতিক ক্ষেত্ৰখনত অনুদানৰ পৰিমাণ কৰ্তন কৰিছে। মন কৰিবলগীয়া যে বাইডেন চৰকাৰৰ দিনত আমেৰিকাই ভাৰতক মানৱ অধিকাৰ, বাক স্বাধীনতা, সংখ্যালঘুৰ মৰ্যাদা, গণতন্ত্ৰৰ বাবে বাৰে বাৰে সমালোচনা কৰি আহিছে। অৱশ্যে সেইবোৰ বিষয়ত ট্ৰাম্প প্ৰশাসনে ভাৰতৰ বিৰুদ্ধে কঠোৰ স্থিতি গ্ৰহণ কৰা নাই। এইবাৰ সেই ধাৰা অব্যাহত ৰাখি আমেৰিকা চৰকাৰে ভাৰতীয় নিৰ্বাচনী প্ৰক্ৰিয়াৰ বাবে পুঁজি দিয়া বন্ধ কৰি দিছে বুলি কূটনৈতিক মহলে প্ৰকাশ কৰিছে।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কংগ্ৰেছক দুৰ্নীতিৰ চৰ্দাৰ আখ্যা দিয়া

কেলেংকাৰীৰ তদন্তৰ বাবে গঠিত শৰ্মা আয়োগৰ প্ৰতিবেদনক লৈ ৰাজ্যৰ ৰাজনীতি উত্তাল হৈ আছে। প্ৰতিবেদনত ২০১৩-১৫ চনলৈ লোকসেৱা আয়োগৰ দ্বাৰা নিযুক্তি সকলো বিষয়াৰ চাকৰিৰ পৰা খেদিবলৈ পৰামৰ্শ দিয়া হৈছে। কিন্তু এই প্ৰতিবেদন প্ৰকাশৰ পিছতে কংগ্ৰেছৰ বিৰুদ্ধে সৰৱ হৈছে বিজেপিৰ নৱনিযুক্তি ৰাজ্যিক সভাপতি দিলীপ শইকীয়া। প্ৰতিবেদন ৰাজহুৱা হোৱাৰ পিছতে কালি এখন সংবাদমেল সম্বোধন কৰি প্ৰতিবেদনত নাম উল্লেখ থকা সকলোৰে বিৰুদ্ধে নিজ চৰকাৰক তদন্ত কৰিবলৈ আহ্বান জনায়। লগতে প্ৰয়াত মুখ্যমন্ত্ৰী তৰুণ গগৈক আক্ৰমণৰ লক্ষ্য কৰি লৈ শইকীয়াই তৰুণ গগৈ 'দুৰ্নীতিৰ কিংপিন', তৰুণ গগৈ আছিল চাকৰিৰ চৰ্দাৰ, দ্বিতীয় চৰ্দাৰ আছিল ৰাকেশ পাল বুলি কয়। এগৰাকী প্ৰয়াত প্ৰাক্তন মুখ্যমন্ত্ৰীক লৈ আন কিছু বিতৰ্কিত মন্তব্য দিছিল দিলীপ শইকীয়াই। কিন্তু শৰ্মা আয়োগৰ প্ৰতিবেদনক লৈ সৰৱ হোৱা দিলীপ শইকীয়াক আন বিষয়ত নৰম দেখা যায়। উমৰাংছু কয়লা খনিত ৯ শ্ৰমিত নিহত কাণ্ডত খোদ বিজেপিৰ নেতা দেৱলাল গাৰ্লোছাৰ পত্নী কণিকা হোজাই জড়িত থকাৰ কথা স্পষ্ট যদিও আজিলৈ তদন্তৰ দাবী উত্থাপন কৰা নাই। ৰাজ্যত ৰেট হোল মাইনিং চলি আছে। নানা চিণ্ডিকেট চলি আছে। গোৱালপাৰাত কৰ ফাঁকি দি কয়লাৰ চিণ্ডিকেট চলি আছে যদিও আজিলৈ বিজেপিৰ কোনো নেতা তথা সভাপতি দিলীপ শইকীয়াকো সৰৱ হোৱা দেখা নাযায়। খোদ এইগৰাকী বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ বিৰুদ্ধে কেলেংকাৰী সংঘটিত কৰাৰ গুৰুতৰ অভিযোগ আছে। দিলীপ শইকীয়াৰ বিৰুদ্ধে উত্থাপিত কেইবা কোটি টকীয়া কেলেংকাৰীৰ বিৰুদ্ধে দলীয় তদন্ত ঘোষণা কৰা হৈছিল। ৰাজ্যিক বিজেপিৰ তদানীন্তন ৰাজ্যিক উপ-সভাপতি বিজয় কুমাৰ গুপ্তা আৰু মিছন ৰঞ্জন দাসক শইকীয়াৰ বিৰুদ্ধে তদন্ত কৰিবলৈ নিৰ্দেশ দিছিল। ১৭ আৰু ২৯ মাৰ্চত বিজয় কুমাৰ গুপ্তা আৰু মিছন ৰঞ্জন দাসে ভ্ৰমণ কৰে দলগাঁও আৰু ৰৌতা অঞ্চললৈ গৈ এই কেলেংকাৰীৰ তদন্ত কৰিছিল। কেনেকৈ সংঘটিত হৈছিল এই কেলেংকাৰী। কেনেদৰে পোহৰলৈ আহিছিল কেলেংকাৰী। সেই সময়ত বিজেপিৰ ৰাজ্যিক সভাপতি আছিল ভবেশ কলিতা। এতিয়াৰ বিজেপিৰ সভাপতি দিলীপ শইকীয়াৰ বিৰুদ্ধে নিজ সমষ্টিত ভূমি পট্টা দিয়াৰ নামত প্ৰায় ১০ কোটি টকা সংগ্ৰহ কৰাৰ অভিযোগ উঠিছিল। পট্টা দিয়াৰ নামত প্ৰায় এহেজাৰ বিঘা মাটিৰ বাবে প্ৰতি বিঘাত ১ লাখ ২০ হাজাৰ টকাকৈ সংগ্ৰহ কৰাৰ অভিযোগ উঠিছিল। কেৱল এই অভিযোগ দিলীপ শইকীয়াৰ বিৰুদ্ধেই নাছিল। শইকীয়াৰ কেলেংকাৰীৰ সংগী দলগাঁৱৰ এআইইউডিএফ বিধায়ক মজিবুৰ ৰহমান বুলি অভিযোগ উত্থাপন হৈছিল। ২০২৩ চনৰ ১৫ মাৰ্চত সাংগঠনিক সাধাৰণ সম্পাদক ফনীন্দ্ৰ নাথ শৰ্মাই দুই প্ৰাক্তন সভাপতিক এই কেলেংকাৰীৰ তদন্তৰ নিৰ্দেশ দিছিল। ৰাজ্যিক উপ-সভাপতি বিজয় কুমাৰ গুপ্তা আৰু মিছন ৰঞ্জন দাসক শইকীয়াৰ বিৰুদ্ধে তদন্ত কৰিবলৈ নিৰ্দেশ দিছিল। জানিব পৰা মতে, তেতিয়াৰ ২০২৩ চনৰ মাৰ্চত মাহত বিজেপিৰ ৰাজ্যিক নেতৃত্বক এক অভিযোগ পত্ৰ দাখিল কৰিছিল দুজন লোকে। দুজন লোকৰ নাম আছিল গোলাপ হুছেইন আৰু আব্দুল জলিল। তেতিয়াৰ মঙলদৈৰ সাংসদ, দলৰ ৰাষ্ট্ৰীয় সাধাৰণ সম্পাদক দিলীপ শইকীয়াৰ বিৰুদ্ধে গোলাপ হুছেইন আৰু আব্দুল জলিল ৰাজ্যিক নেতৃত্বত প্ৰায় ১০ কোটি টকা সংগ্ৰহ কৰাৰ অভিযোগ আনে। কেলেংকাৰীৰ বিৱৰণ দি গোলাপ হুছেইন আৰু আব্দুল জলিলে কৈছিল যে সাংসদ দিলীপ শইকীয়াৰ প্ৰতিনিধি তথা দৰং জিলা বিজেপিৰ উপ-সভাপতি ক্ষিতিশ ডেকা আৰু দলগাঁৱৰ এআইইউডিএফ বিধায়ক মজিবুৰ ৰহমানে ভূমি পট্টা দিয়াৰ নামক বৃহৎ হাৰত ধন সংগ্ৰহ কৰিছে। প্ৰায় ৮০০ বিঘা মাটিৰ অংশকালীন পট্টা দিয়াৰ নামত বিঘাই এই ধন সংগ্ৰহ কৰা হৈছে। প্ৰতি বিঘা ভূমিৰ বিপৰীতে ১ লাখ ২০ হাজাৰ টকাকৈ সংগ্ৰহ কৰিছে সাংসদ দিলীপ শইকীয়াৰ প্ৰতিনিধি ক্ষিতিশ ডেকা আৰু মুজিবুৰ ৰহমানে। মুঠ ১০ কোটি টকা সংগ্ৰহ কৰিছে যদিও পট্টা দিয়াত ব্যৰ্থ হৈ বুলি পত্ৰখনত উল্লেখ কৰে। এই পত্ৰ মতে, তদন্তৰ বাবে দলগাঁও আৰু ৰৌতালৈ যায় বিজয় কুমাৰ গুপ্তা আৰু মিছন ৰঞ্জন দাস। তালৈ গৈ অভিযোগকাৰী গোলাপ হুছেইন আৰু আব্দুল জলিলক গোপনে সাক্ষাৎ কৰে। গোলাপ হুছেইন আৰু আব্দুল জলিলকে নহয় বিভিন্ন লোকক সাক্ষাৎ কৰি এক প্ৰতিবেদন সাজু কৰি তেতিয়াই ৰাজ্যিক বিজেপিৰ হাতত অৰ্পণ কৰিছিল বিজয় কুমাৰ গুপ্তা আৰু মিছন ৰঞ্জন দাস। একাংশ লোকে বিজয় কুমাৰ গুপ্তা আৰু মিছন ৰঞ্জন দাসে প্ৰতিবেদনত কৈছিল যে প্ৰথমতে মাটিৰ পট্টাৰ বাবে সাংসদ দিলীপ শইকীয়াৰ কাষলৈ গৈছিল একাংশ লোক। দৰং জিলাৰ বহু লোকে দলীয় তদন্তকাৰী দুজনক কৈছিল যে সাংসদগৰাকীয়ে ক্ষিতেশ ডেকাক সাক্ষাত কৰিবলৈ কৈছিল। সকলোকে ক্ষিতেশ ডেকা, বিধায়ক মুজিবুৰ ৰহমান, গাঁওবুঢ়া নজৰুল আৰু চক্ৰ বিষয়া সমীৰ চৌধুৰীয়ে কাম কৰি দিব বুলি কৈছিল। দলগাঁও শিয়ালমাৰী মণ্ডলৰ সভাপতি বাবুল চৌহান আৰু বেছিমাৰী মণ্ডলৰ সভাপতি প্ৰণৱ চৰকাৰে এই অভিযোগ সঁচা বুলি নিশ্চিত কৰিছিল বুলি জানিব পৰা গৈছিল। আনহাতে, অভিযোগ মতে, দিলীপ শইকীয়াই তেওঁৰ প্ৰতিনিধি ক্ষিতিশ ডেকা আৰু চক্ৰ বিষয়া সমীৰ চৌধুৰীক লগ কৰিবলৈ কৈছিল। চক্ৰ বিষয়া সমীৰ চৌধুৰী, ক্ষিতিশ ডেকাৰ ঘনিষ্ঠ আছিল বিধায়ক মুজিবুৰ ৰহমান। তিনিজনে কিছুমান লোকক মাটি পট্টা দিবৰ বাবে দালালক বিঘাই প্ৰতি ১ লাখ ২০ হাজাৰ টকাকৈ ধন সংগ্ৰহৰ বাবে কৈছিল। বেছিমাৰী, বালিগাঁও, শিয়ালমাৰী, আইমাৰি, গোলান্দি, বুলেন্দি আদি গাঁও পঞ্চায়তৰ পৰা মাটিৰ পট্টা দিয়াৰ নামত প্ৰতি বিঘাত ১ লাখ ২০ হাজাৰকৈ ধন সংগ্ৰহ কৰিছিল। কিন্তু ধন যদিও পট্টা লাভ নকৰাত লিখিত অভিযোগ দিছিল ৰাজ্যিক বিজেপিৰ নেতৃত্বক। সেই সময়ত দৰং জিলা সংখ্যালঘু মৰ্চাৰ সভাপতি আবু তালিব আহমেদে অভিযোগ সঁচা বুলি মন্তব্য কৰিছিল। বেছিমাৰী মণ্ডলৰ বিজেপিৰ সংখ্যালঘু মৰ্চাৰ সভাপতি চান্দ মহম্মদে গুৰুতৰ অভিযোগ উত্থাপন কৰি কৈছিল যে ২০১৬ চনত বেছিমাৰীত বহুমহলীয়া অট্টালিকা নিৰ্মাণৰ কাম আৰম্ভ হৈছিল। ২৩টা কোঠা ২ লাখকৈ টকা আগধন লৈ নিশাৰ ভিতৰত আৱণ্টন দিয়া হয়। কিন্তু আজিলৈ এই অট্টালিকাৰ নিৰ্মাণ সম্পূৰ্ণ হোৱা নাই। ক্ষিতিশ ডেকা এতিয়াও শইকীয়াৰ প্ৰতিনিধি। বিজয় কুমাৰ গুপ্তা আৰু মিছন ৰঞ্জন দাসৰ প্ৰতিবেদনক লৈ বিজেপিয়ে ব্যৱস্থা গ্ৰহণ নকৰিলে। শইকীয়া ৰাজ্যিক বিজেপিৰ সভাপতি হ'ল। বসুন্ধৰাত পট্টা দিয়াৰ নামত ১০ কোটি টকা সংগ্ৰহৰ উত্থাপিত অভিযোগ আৰু দলীয় তদন্তৰ প্ৰতিবেদনক লৈ কিন্তু সকলো আজিও নীৰৱ। এনে কাৰণতে এতিয়া সচেতন মহলে এই সমগ্ৰ কাণ্ডক লৈ তীব্ৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰাৰ লগতে নিৰপেক্ষ তদন্তৰো দাবী কৰিছে।

# বাৰিষা পাবৰে হ'ল! বানত ক্ষতিগ্ৰস্ত পথ মেৰামতিহে নহ'ল

**ই-সংবাদ, পশ্চিম দৰং, ১৯ ফেব্ৰুৱাৰীঃ** ছিপাঝাৰৰ পশ্চিমাঞ্চলৰ এটা গুৰুত্বপূৰ্ণ দুৱৰীপাৰা-ছিপাঝাৰ পাথৰিঘাট সংযোগী লোক নিৰ্মাণ বিভাগৰ পকী পথ। পশ্চিম দৰং অঞ্চলৰ স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী তথা ৰাইজে স্বাস্থ্য, বেপাৰ-বাণিজ্য, জিলা সদৰ, অফিচ-কাছাৰীৰ কামৰ বাবে এই পথৰে যাতায়াত কৰিব লাগে। প্ৰতিটো দিন আৰু নিশাৰ ভাগতো শ শ লোকে পথটোৰে যাতায়াত কৰে। কিন্তু মঙলদৈ লোক নিৰ্মাণ বিভাগৰ এই সদা ব্যস্ত পথছোৱা মেৰামতিৰ অভাৱত জৰাজীৰ্ণ হৈ পৰাত অঞ্চলটোৰ ৰাইজে দুৰ্ভোগ ভুগিবলগীয়া হৈছে। বিগত ২০২৩ বৰ্ষত নৈনে নদীৰ মথাউৰি ছিগি দুৱৰীপাৰাত পথটোৰ ঠাই বিশেষে ক্ষতিসাধন কৰিছিল। অঞ্চলটোৰ যোগাযোগ তথা যাতায়াতৰ অন্যতম পথছোৱা বান শুকোৱাৰ পিছত ৰাইজে মেৰামতি কৰিবৰ বাবে বিভাগৰ ওচৰত আহ্বান জনাইছিল। কিন্তু আশ্চৰ্যজনকভাৱে মাজত এটা বছৰ অতিক্ৰম কৰি যোৱাৰ পাছতো বিভাগে কোনো গুৰুত্ব নিদিয়াৰ অভিযোগ উত্থাপন হৈছে। যাৰ বাবে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকল অহা-যোৱা কৰাত কষ্ট ভোগ কৰিবলগীয়া হৈছে। ছিপাঝাৰৰ বিধায়কগৰাকী পথটোৰ সমস্যাক লৈ জ্ঞাত যদিও এই ক্ষেত্ৰত একো ভূমিকা গ্ৰহণ কৰা নাই বুলি ৰাইজে অভিযোগ কৰিছে। যাৰ বাবে ৰাইজে ইয়াৰ তদন্তৰ দাবী জনাইছে।

# কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পত ব্যাপক দুৰ্নীতিৰ অভিযোগ ঠিকাদাৰ সন্থাৰ

## বিষয়া বিভূ ভূঞাৰ চাকৰি সম্প্ৰসাৰণৰ পৰিৱৰ্তে উচ্চস্তৰীয় তদন্ত দাবী

**ই-সংবাদ, বৈঠালাংছ', ১৯ ফেব্ৰুৱাৰীঃ** অসম শক্তি উৎপাদন কৰ্পোৰেচন লিমিটেডৰ গুৱাহাটীস্থিত বিজুলী ভৱনত কৰ্মৰত এমডি বিভূ ভূঞাই সংঘটিত কৰা দুৰ্নীতিৰ বিৰুদ্ধে জাঙুৰ খাই উঠিছে বৈঠালাংছ'ৰ কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ ঠিকাদাৰ সন্থা। শেহতীয়াকৈ বৈঠালাংছ' কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ ঠিকাদাৰ সন্থাই দিয়া অভিযোগ অনুসৰি এতিয়া এমডি বিভূ ভূঞাৰ বাবে খিৰতী গাইত পৰিণত হৈছে পশ্চিম কাৰ্বি আংলং জিলাৰ বৈঠালাংছ'ৰ আমট্ৰেঙত অৱস্থিত এশ মেগাৱাট বিদ্যুৎ শক্তি উৎপাদন সম্পন্ন কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পটো। স্থানীয় উদীয়মান ঠিকাদাৰ ধনীৰাম টেৰণে কয় যে এম ডি বিভূ ভূঞাই খেয়ালি মনেৰে হকে-বিকহে কামৰ নিবিদা প্ৰস্তুত কৰি অসম চৰকাৰৰ ৰাজকোষৰ ধন শৰাধ কৰাত উঠি পৰি লাগিছে। এম ডি বিভূ ভূঞাই কেতিয়াবা লিখিত আৰু কেতিয়াবা মৌখিকভাৱে কামৰ নিবিদা প্ৰদান কৰি হিয়াৰ আমঠুত পৰিণত একমাত্ৰ ঠিকাদাৰ দিগন্ত হাজৰিকাকেই কাম আবণ্টন দি শকত ধনৰ কমিচন সৰকাই আহিছে। এই অভিযোগ কৰিছে ঠিকাদাৰ ধনীৰাম টেৰণে। যাৰ ফলত অতি আদৰৰ ঠিকাদাৰ দিগন্ত হাজৰিকা এতিয়া বিভাগটোৰ ভিতৰতে হৰ্তা-কৰ্তা, বিধাতা হৈ পৰিছে। ফলত কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ লগতে অসমৰ বিভিন্ন প্ৰকল্পত জড়িত হৈ থকা ঠিকাদাৰক বঞ্চিত কৰি কেৱল দিগন্ত হাজৰিকাকেই সকলো কামৰ দায়িত্ব কি কাৰণত প্ৰদান কৰি আহিছে সেয়া নুবুজা সাঁথৰ হৈ থকা নাই বুলি অভিযোগ উত্থাপন কৰি উল্লেখ কৰে যে অসমৰ বিভিন্ন ঠাইত থকা প্ৰকল্পসমূহতো একাংশ যন্ত্ৰ বিকল হোৱা দেখুৱাই সেইসমূহ মেৰামতিৰ নামত বৃহৎ ধন আত্মসাৎ কৰিছে। অভিযোগ অনুসৰি কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পৰ পাৱাৰ গ্ৰীডত থকা পুৰণি ডি জি ছেটটো বিকল নোহোৱাকৈয়ে এটা নতুন ডি জি ছেট স্থাপন কৰাৰ পিছত উক্ত ডি জি ছেটৰ জৰিয়তে পাৱাৰ চাপ্লাই নোহোৱাত পাৱাৰ গ্ৰীডৰ ক্ৰেন চলোৱাত অসুবিধা হৈ পৰে। কিন্তু এম ডি বিভূ ভূঞাই পুৰণি ডি জি ছেট লগাই উক্ত আঁসোৱাহ দূৰ কৰিবলৈ ঠিকাদাৰক হেঁচা দিয়াৰ বিপৰীতে উক্ত ক্ৰেনখনেই বিকল হোৱা বুলি ক্ৰেনৰ মেৰামতিৰ নামত প্ৰায় ডেৰ কোটি টকা সৰকোৱাৰ ষড়যন্ত্ৰত লিপ্ত হৈছে বুলি যুৱ প্ৰতিনিধি দলটোৱে অভিযোগ কৰে। উল্লেখ্য যে বিদ্যুৎ বিভাগৰ এম ডি বিভূ ভূঞাৰ এনে কৌশলী দুৰ্নীতি সংঘটিত কৰি অহা বাবে অসম চৰকাৰৰ বিদ্যুৎ বিভাগৰ মন্ত্ৰী প্ৰশান্ত ফুকনক এটা উচ্চস্তৰীয় তদন্তৰ লগতে বিশেষকৈ কাৰ্বি লাংপি জলবিদ্যুৎ প্ৰকল্পত অসম চৰকাৰৰ শক্তি মন্ত্ৰী প্ৰশান্ত ফুকনৰ দ্বাৰা আকস্মিক ভ্ৰমণৰ আহ্বান জনাইছে যুৱ প্ৰতিনিধি দলটোৱে। সম্প্ৰতি এম ডি বিভূ ভূঞাই নিজৰ চাকৰি সম্প্ৰসাৰণৰ বাবে সংশ্লিষ্ট কৰ্তৃপক্ষক তৈল্য মৰ্দনত উঠি পৰি লাগিছে। কিন্তু সংশ্লিষ্ট কৰ্তৃপক্ষই এনে দুৰ্নীতিগ্ৰস্ত বিষয়াগৰাকীৰ চাকৰি সম্প্ৰসাৰণ বাতিল কৰিবলৈ সংশ্লিষ্ট বিভাগীয় মন্ত্ৰী প্ৰশান্ত ফুকনক স্মাৰক পত্ৰ প্ৰদান কৰিছে। আনহাতে, যুৱ প্ৰতিনিধি দলটোৱে উল্লিখিত অভিযোগসমূহ লিপিবদ্ধ কৰি বৈঠালাংছ'ৰ বিভিন্ন উদ্যমী যুৱক, সমাজ সচেতন ব্যক্তি তথা স্থানীয় ৰাইজ স্বাক্ষৰ সম্বলিত এখন স্মাৰক পত্ৰ বিভাগীয় মন্ত্ৰীগৰাকীক প্ৰদান কৰাৰ ব্যৱস্থা কৰিছে। উল্লেখ্য যে এই বাতৰি প্ৰকাশৰ পাছতে অসম শক্তি উৎপাদন কৰ্পোৰেচন লিমিটেডৰ এম ডি বিভূ ভূঞাই বিশেষ কৌশল প্ৰয়োগ কৰি নিজকে দোষ মুক্ত কৰিবলৈ ভিন্ন ঘটনা কৰাৰ আশংকা কৰি সংশ্লিষ্ট বিষয়া-কৰ্মচাৰীক চোকা দৃষ্টি ৰাখিবলৈ প্ৰচাৰ মাধ্যমৰ জৰিয়তে আহ্বান জনাইছে উদ্যমী ঠিকাদাৰসকলে।

# ৰুগীয়া হাড়গিলাক বচাব নোৱাৰি উচুপি উঠিল গোৰেশ্বৰৰ ৰাজমিস্ত্ৰী সঞ্জয় কলিতাই

**ই-সংবাদ বিশেষ, গোৰেশ্বৰ, ১৯ ফেব্ৰুৱাৰীঃ** চৰকাৰে প্ৰকৃতি ৰক্ষাৰ বাবে অমৃত বৃক্ষ ৰোপণ কাৰ্যসূচী ৰূপায়ণ কৰিলেও অসমৰ বুকুৰ পৰা বিলুপ্ত প্ৰায় হাড়গিলা ৰক্ষাৰ বাবে কোনো পদক্ষেপ নোলোৱাৰ অভিযোগ দীৰ্ঘদিনীয়া। পশুপালন, পশু চিকিৎসা বিভাগ, বন বিভাগ আদিৰ দৰে বিয়গোম বিভাগ আছে যদিও হাড়গিলা অসমৰ বুকুৰ পৰা বিলুপ্ত প্ৰায়। চৰকাৰে হাড়গিলা সামৰ্থ্য নহ'লেও বিলুপ্তি প্ৰায় হাড়গিলা সংৰক্ষণৰ বাবে অসমৰ একাংশ প্ৰকৃতিপ্ৰেমীয়ে আহোপুৰুষাৰ্থ কৰি গৈছে। প্ৰসিদ্ধ প্ৰকৃতিবিদ পূৰ্ণিমা দেৱীহঁতৰ দৰে লোকে হাড়গিলা সংৰক্ষণৰ বাবে কাম কৰি গৈছে। হাড়গিলা সংৰক্ষণৰ গুৰুত্ব বুজি নোপোৱা চৰকাৰে সকলো কথাতে বাঃ বাঃ লয় যদিও পৃষ্ঠভূমিত তেনে তৎপৰতা দেখা নাযায়। চৰকাৰৰ বিভাগসমূহৰ তৎপৰতা নথকাৰ বাবেই আজি চিকিৎসাৰ অভাৱত এটা হাড়গিলাৰ মৃত্যুত হোৱাত ব্যাথিত হৈছে একাংশ লোক। বিটিআৰৰ গোৰেশ্বৰৰ সমীপৱৰ্তী মহৰিপাৰাৰ পুখুৰীপাৰ গাঁৱত উদ্ধাৰ হৈছিল যদিও পশুপালন বিভাগৰ লোকৰ হতুৱাই চিকিৎসা কৰিব নোৱাৰাত হাড়গিলাটোৰ মৃত্যু হয়। গোৰেশ্বৰ ৰাজহ চক্ৰৰ অন্তৰ্গত মহৰিপাৰাৰ পুখুৰীপাৰ গাঁৱৰ ৰাজমিস্ত্ৰি সঞ্জয় কলিতাই উদ্ধাৰ কৰিছিল হাড়গিলাটো। পৰহি পুৱা সঞ্জয় কলিতাই নিজৰ ঘৰৰ পৰা কিছু নিলগত গৰু এৰাল দিবলৈ যাঁওতেই পথাৰৰ মাজত এটা অসুস্থ হৈ পৰা হাড়গিলা উদ্ধাৰ কৰি চিকিৎসাৰ বাবে নিজ ঘৰলৈ আনে আৰু প্ৰাথমিক চিকিৎসা কৰি উন্নত চিকিৎসাৰ বাবে বিভিন্নজনৰ জৰিয়তে বন বিভাগ আৰু পশু চিকিৎসকৰ সন্ধানত বিভিন্ন ব্যক্তিৰ লগত যোগাযোগ কৰে। তেওঁৰ কেইজনমান বন্ধুবৰ্গই বন বিভাগ তথা পশু চিকিৎসকৰ দৃষ্টিগোচৰ কৰাৰ বাবে সামাজিক মাধ্যমৰ জৰিয়তে প্ৰচাৰ কৰা লগতেই পশু চিকিৎসককো অৱগত কৰায়। লক্ষণীয়ভাৱে কালি সন্ধিয়ালৈকে হাড়গিলাটোক সু-চিকিৎসা কৰি পুনৰ মুকলি আকাশত এৰি দিয়াৰ ক্ষেত্ৰত বন বিভাগ তথা পশু চিকিৎসকৰ দল হাড়গিলাটো উদ্ধাৰ কৰা লোকজনৰ ঘৰত উপস্থিত নহ'ল। প্ৰকৃতিপ্ৰেমী সঞ্জয় কলিতাই আজি পুৱাই ঠাণ্ডাকো আওকাণ কৰি জলাশয়ৰ পৰা মাছ বিচাৰি আনে আৰু হাড়গিলাটোক খুৱাবলৈ যাওঁতেই মৃত অৱস্থাত দেখা পাই ব্যথিত হৈ পৰে। চিকিৎসাৰ অভাৱত হাড়গিলাটোৰ মৃত্যুত অকল উদ্ধাৰকাৰীজন ব্যথিত হোৱাই নহয়, তেওঁৰ পৰিয়ালটোও ব্যথিত হৈ পৰে। অসুস্থ হাড়গিলাটোক সুস্থ কৰাত বনবিভাগ তথা পশু চিকিৎসা বিভাগে কোনো পদক্ষেপ গ্ৰহণ নকৰাত ক্ষোভিত সঞ্জয় কলিতাই কয় যে মহৰিপাৰাত পশু চিকিৎসাৰ এটা কেন্দ্ৰৰ ঘৰ আছে। কিন্তু তাত পশু চিকিৎসা কৰা আজিলৈকে দেখা পোৱা নাই। পশু চিকিৎসকে হাড়গিলাটোক চিকিৎসা কৰিলে নিশ্চয় সুস্থ হ'লহেতেন। গ্ৰামাঞ্চলৰ পৰা ক্ৰমান্বয়ে লুপ্ত হ'বলৈ ধৰা হাড়গিলাটো কি ৰোগত আক্ৰান্ত হৈছিল সেই কথাও নিশ্চয় ধৰিব পাৰিলে হয়। যদি অন্য ভাইৰাছজনিত ৰোগত আক্ৰান্ত হৈছিল সেই কথাও নিশ্চয় পৰীক্ষাত ধৰা পৰিল হয়। দৃষ্টিকটুভাৱে এলেকটোৰ দায়িত্বত থকা পশু চিকিৎসকসকলে বিষয়টোত গুৰুত্ব নিদিয়াত দুখ প্ৰকাশ কৰা ৰাজমিস্ত্ৰীগৰাকীয়ে আজি সন্ধিয়া মৃত হাড়গিলাটো সসন্মানেৰে মাটিত পুতি থয়। প্ৰকৃতিৰ ভাৰসাম্য ৰক্ষাৰ ক্ষেত্ৰত বিশেষ অৰিহণা যোগাই অহা এটা হাড়গিলাৰ চিকিৎসাৰ অভাৱত মৃত্যু হোৱা ঘটনাত উদ্ধাৰকাৰী আৰু তেওঁৰ পৰিয়ালটোৰ লগতে সমগ্ৰ অঞ্চলবাসী ব্যথিত হৈ পৰিছে।

# জলজলী নদীত বাঘমাৰা-শিমলীতোলা সংযোগী পকী দলং নিৰ্মাণৰ দাবী



**ই-সংবাদ, শিমলীতোলা, ১৯ ফেব্ৰুৱাৰীঃ** দক্ষিণ বৰপেটাৰ চেঙা সমষ্টি আৰু গোৱালপাৰা জিলাৰ নৱাগত শিমলীতোলা সংযোগী জলজলী নৈৰ ওপৰত স্বাধীনতাৰ ৭৬ বছৰ পাৰ হোৱাৰ পিছতো আজিলৈকে স্থায়ী পকী দলং নিৰ্মাণ নোহোৱাত চৰম দুৰ্ভোগ ভুগিবলগীয়া হৈছে ৰাইজে। চেঙা উন্নয়ন খণ্ডৰ কাৰ্যালয় বাঘমাৰা চৰত হোৱাৰ উপৰি প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰ, বিভিন্ন স্কুল-কলেজ, বাঘমাৰা সমবায় সমিতিত প্ৰতিমাহে বৃহৎ পৰিমাণৰ চাউল নাওৰে নদী পাৰ কৰি আনোঁতে যথেষ্ট কষ্টৰ লগতে আৰ্থিক লোকচানৰ সন্মুখীন হ'বলগীয়া হয়। পূব গোৱালপাৰা আৰু দক্ষিণ বৰপেটাৰ চৰাঞ্চলৰ লাখ লাখ লোক দৈনন্দিন জীৱনত প্ৰয়োজীয় কামত লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানত কৰ্মৰত কৰ্মচাৰীৰ লগতে ছাত্ৰ-ছাত্ৰীসকলৰ যথেষ্ট সময় অপচয়ৰ লগতে নিদিষ্ট সময়ত গন্তব্য স্থানত উপস্থিত হ'ব নোৱাৰে। গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত ৰোগী সময়মতে চিকিৎসালয় পোৱাৰ আগতেই মৃত্যুক আঁকোৱালি ল'ব লগা হয়। বাৰিষা কালত নৈৰ বাঢ়নী পানীয়ে কেতিয়াবা বিপদ সীমা অতিক্ৰম কৰাৰ ফলত বহু সময়ত নাও দুৰ্ঘটনাত পতিত হৈ বহু লোকৰ মৃত্যু হয়। বৰপেটা জিলাৰ চৰাঞ্চলৰ যোগাযোগৰ সু-ব্যৱস্থা অবিহনে জিলাখনৰ শৈক্ষিক, অৰ্থনৈতিক, বাণিজ্যিক, পৰ্যটন তথা সামাজিক-সাংস্কৃতিক ক্ষেত্ৰত বিকাশৰ কথা ভাবিব নোৱাৰি বুলি ভুক্তভোগী ৰাইজে মন্তব্য কৰে। এই ক্ষেত্ৰত সময়ত লোৱা প্ৰতিবাদী কাৰ্যসূচীৰে জলজলী নদীৰ ওপৰত এখন দলং নিৰ্মাণৰ ব্যাপক দাবী উত্থাপন হৈ আহিছে যদিও এনে গুৰুতৰ সমস্যাৰ প্ৰতি ৰাজ্যৰ পৰিৱৰ্তনকামী বিজেপি চৰকাৰেও তেনে বিশেষ পদক্ষেপ গ্ৰহণ কৰা পৰিলক্ষিত হোৱা নাই। উপায়ান্তৰ হৈ স্থানীয় ৰাইজে পাৰঘাটৰ লেচীৰ সহযোগত দান-বৰঙনিৰে প্ৰত্যেক বছৰে প্ৰায় কোটি টকা ব্যয় সাপেক্ষে ছয়মাহৰ বাবে যাতায়াতৰ উপযোগী হোৱাকৈ জলজলী নৈৰ ওপৰত বাঁহ আৰু কাঠৰ সংমিশ্ৰণেৰে বৃহৎ দলং নিৰ্মাণ কৰি যাতায়াতৰ ব্যৱস্থা কৰি দলংখনেৰে প্ৰতিদিনে বিভিন্ন সৰু-বৰ বাহনৰ উপৰি প্ৰায় দহ বাৰ হাজাৰৰো অধিক মানুহে যাতায়াত কৰে। বাঘবৰ সমষ্টিৰ বিধায়ক শ্বেৰমান আলী আহমেদৰ লগতে অসমৰ মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাক নৱাগত শিমলীতোলা আৰু বাঘমাৰা সংযোগী জলজলী নৈৰ ওপৰত স্থায়ী পকী দলং নিৰ্মাণৰ ব্যৱস্থা কৰিবলৈ ৰাইজে দাবী জনাইছে।

## কোনো ধৰণৰ অনুজ্ঞাপত্ৰ নোহোৱাকৈ চলাই গৈছে একাংশ ভুৱা ফাৰ্মাচী

# ৰাজ্যত কাঠফুলাৰ দৰে গঢ়ি উঠিছে একাংশ ভুৱা ফাৰ্মাচী

**ই-সংবাদ, গুৱালকুছি, ১৯ ফেব্ৰুৱাৰীঃ** অসমৰ বিভিন্ন প্ৰান্তত মুন্নাভাই ৰূপী চিকিৎসকে কাঠফুলাৰ দৰে গঢ়ি তুলিছে চিকিৎসা চেম্বাৰ তথা ফাৰ্মাচী। এনে চিকিৎসক তথা ভুৱা ফাৰ্মাচীৰ ভুল চিকিৎসাৰ বাবেই ইতিমধ্যে বহু পৰিয়ালে হেৰুৱাইছে আপোনজনক। এফালে অসম চৰকাৰৰ স্বাস্থ্য বিভাগৰ উন্নয়নৰ জয়ঢোল, আনফালে ৰাজ্যৰ স্বাস্থ্য বিভাগক অংগুষ্ঠ প্ৰদৰ্শন কৰি কামৰূপৰ বৰিজানীত এগৰাকী প্ৰাথমিক শিক্ষকে ৰোগীক সহায় কৰাৰ অচিলা লৈ অনুজ্ঞাপত্ৰ বিহীনভাৱে ফাৰ্মাচীৰ ৰমৰমীয়া ব্যৱসায় চলাই সৰ্বসাধাৰণৰ জীৱনক লৈ হেতালি খেলাৰ গুৰুতৰ অভিযোগ উত্থাপন কৰিছে সচেতন দল-সংগঠন তথা ৰাইজে। প্ৰাপ্ত তথ্য অনুসৰি, কামৰূপ জিলাৰ পছৰীয়া গাঁও পঞ্চায়তৰ অন্তৰ্গত বৰজানীত কৌছৰ আলী নামৰ এগৰাকী প্ৰাথমিক শিক্ষকে আৰ্য হস্পিতাল ইনফৰমেচন চেণ্টাৰ নামেৰে এখন ফাৰ্মাচী খুলি চিকিৎসা চলোৱাৰ অভিযোগ উত্থাপন হৈছে। বৈধ অনুজ্ঞাপত্ৰ বিহীনভাৱে বিভিন্ন ৰোগৰ চিকিৎসকৰ নাম সংলগ্ন বেনাৰ আঁৰি নামত সেই চিকিৎসকৰ তথ্য প্ৰদান কেন্দ্ৰ খুলি বৈধ নথিপত্ৰ অবিহনে শিক্ষক কৌছৰ আলীয়ে ফাৰ্মাচীৰ জৰিয়তে চিকিৎসা চলাই অহাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। এনেদৰে এগৰাকী প্ৰাথমিক শিক্ষকে 'আৰ্য হস্পিতাল ইনফৰমেচন চেণ্টাৰ' নামেৰে এটি সহায়ক কেন্দ্ৰ স্থাপন কৰি ৰোগীক চিকিৎসা সেৱা আগবঢ়াই অহা ঘটনাই সকলোকে হতচকিত কৰি তুলিছে। খোদ মুখ্যমন্ত্ৰী ডও হিমন্ত বিশ্ব শৰ্মাৰ সমষ্টিতে পোহৰলৈ আহিছে কৌছৰ আলী নামৰ প্ৰাথমিক শিক্ষক তথা ফাৰ্মাচীৰ কৃতকৰ্ম। উল্লেখ্য যে কামৰূপৰ বৰিজানীত দীৰ্ঘদিনৰ পৰা এনেদৰে ফাৰ্মাচী খুলি চিকিৎসা চলাই অহাৰ অভিযোগ শিক্ষকগৰাকীৰ বিৰুদ্ধে। প্ৰশ্ন হয়, বৰ্তমানৰ মুখ্যমন্ত্ৰীৰ সমষ্টিতে কেনেকৈ এজন মুন্নাভাই ৰূপী ভুৱা ফাৰ্মাছিষ্টে দীৰ্ঘদিন ধৰি ৰোগীক চিকিৎসা চলাইছে আহিছে। একাংশ ভুৱা ফাৰ্মাচীৰ ঘটনা পোহৰলৈ অহাৰ পাছত সংশ্লিষ্ট স্বাস্থ্য বিভাগে কি ব্যৱস্থা লয় সেয়া পৰৱৰ্তী সময়ত লক্ষণীয় হ'ব।

# ভৱানীপুৰ দক্ষিণহাটীত তিনিদিনীয়াকৈ শিৱৰাত্ৰিৰ আয়োজন

**ই-সংবাদ, ভৱানীপুৰ, ১৯ ফেব্ৰুৱাৰীঃ** ভৱানীপুৰৰ বিভিন্ন অঞ্চলত শ্ৰীশ্ৰীশিৱৰাত্ৰি পূজাৰ আয়োজন চলিছে। ভৱানীপুৰ আঞ্চলিক শিৱ মন্দিৰ, হাটখ'লা শিৱ মন্দিৰ, দক্ষিণহাটী শিৱ মন্দিৰত শিৱৰাত্ৰি পূজাৰ বিশাল আয়োজন চলিছে। দক্ষিণহাটী শিৱ মন্দিৰত তিনিদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে শিৱৰাত্ৰি পূজাৰ আয়োজন চলিছে। দক্ষিণহাটী শিৱৰাত্ৰি পূজা উদযাপন সমিতিৰ সভাপতি সৌৰভ কলিতা, সম্পাদকদ্বয় অনুপ কলিতা আৰু সৌৰভ তালুকদাৰে কাৰ্যসূচী সম্পৰ্কে জনোৱা মতে, ২৫ ফেব্ৰুৱাৰীৰ পুৱা ১০ বজাত দক্ষিণহাটীৰ পূবেৰুণ যুৱ সংঘৰ উদ্যোগত কুইজ প্ৰতিযোগিতা, সন্ধিয়া ৪ বজাত ১৪ বছৰ অনুৰ্দ্ধৰ মাজত একক নৃত্য প্ৰতিযোগিতা, ৬ বজাত বন্তি প্ৰজ্বলন, ৬.১০ বজাত ৰাজহুৱা বন্তি প্ৰজ্বলন, ৭ বজাত আতচবাজী প্ৰদৰ্শন। ২৬ ফেব্ৰুৱাৰীৰ পুৱা ৭ বজাত শিৱ মন্দিৰৰ দ্বাৰ উন্মোচন, ১০ বজাত ৰঙিয়াৰ গোপাল কৃষ্ণ নাগাৰা নাম দলৰ দ্বাৰা নাগাৰা নাম পৰিৱেশন, দুপৰীয়া ১২ বজাত প্ৰসাদ বিতৰণ, ১২.৩০ বজাত সিদ্ধ প্ৰসাদ বিতৰণ, আবেলি ৪ বজাত স্থানীয় আয়তীসকলৰ দ্বাৰা নাম পৰিৱেশন, সন্ধিয়া ৭ বজাত শ্ৰীশ্ৰী মহাশিৱৰাত্ৰি পূজা-অৰ্চনা আৰু হোমযজ্ঞ অনুষ্ঠান, ৭.১৫ বজাত মহাদেৱৰ ভোগ বিতৰণ, নিশা ৮ বজাত স্থানীয় ভকতৰ দ্বাৰা ভাংৰিস, পাঞ্চালী পাঠ আৰু সংকীৰ্তন পৰিৱেশন, ১০ বজাত প্ৰসাদ বিতৰণ। ২৭ ফেব্ৰুৱাৰীৰ সন্ধিয়া ৬ বজাত প্ৰয়াত দিলীপ কুমাৰ চৌধুৰী সোঁৱৰণী মঞ্চ মুকলি, ৬:১৫ বজাত বঁটা বিতৰণী অনুষ্ঠান, ৭.১৫ বজাত সাংস্কৃতিক অনুষ্ঠান। সাংস্কৃতিক অনুষ্ঠানত মুখ্য আকৰ্ষণ হিচাপে অৰুন্ধতী ভানুপ্ৰিয়া আৰু চিন্ময় দাসে সংগীত পৰিৱেশন কৰিব।

# ৰঙিয়াত ড্ৰাগছ ,তীৰ জুৱাৰ বিৰুদ্ধে যুৱ কংগ্ৰেছৰ প্ৰতিবাদ

**ই-সংবাদ, ৰঙিয়া, ১৯ ফেব্ৰুৱাৰীঃ** ৰঙিয়াত ড্ৰাগছ, তীৰ জুৱাৰ বিৰুদ্ধে আজি যুৱ কংগ্ৰেছৰ উদ্যোগত প্ৰতিবাদী সমদল উলিওৱা হয়। এন এছ ইউ আইৰ সহযোগত ৰঙিয়া নগৰৰ ৰাজীৱ ভৱনৰ পৰা ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়লৈ অনুষ্ঠিত কৰা সমদলকালত হাতে হাতে ড্ৰাগছ, জুৱা বিৰোধী শ্ল'গান সমৃদ্ধ বেনাৰ, ফেষ্টুন আদি লৈ বিভিন্ন শ্ল'গানৰে পৰিৱেশ উত্তাল কৰি তোলে। কাৰ্যসূচীত অসম প্ৰদেশ যুৱ কংগ্ৰেছৰ সাধাৰণ সম্পাদক কামাল হুছেইন, প্ৰদেশ কংগ্ৰেছৰ মুখপাত্ৰ বিবুলৰ ৰহমান, ৰঙিয়া নগৰ আৰু গ্ৰাম্য ব্লক কংগ্ৰেছৰ সভাপতি উজ্জ্বল লহকৰ, উদ্ধৱ দাস, জিলা কংগ্ৰেছৰ উপ-সভাপতি মুৰতাজ ৰহমান, জিলা যুৱ কংগ্ৰেছৰ সভাপতি আচিফুৰ ৰহমান, জিলা এন.এছ.ইউ.আইৰ সভাপতি চাকিল আহমেদ, নগৰ আৰু গ্ৰাম্য ব্লক কংগ্ৰেছৰ সভাপতি উজ্জ্বল লহকৰ, উদ্ধৱ দাস যুৱ কংগ্ৰেছী নেতা ভাস্কৰ কলিতা প্ৰমুখ্যে নেতৃবৃন্দ কাৰ্যসূচীত উপস্থিত থাকে। ইফালে, যুৱ কংগ্ৰেছ আৰু এন.এছ.ইউ.আইৰ শতাধিক কৰ্মী আৰু বিষয়ববীয়াৰ অংশগ্ৰহণৰে সমদলৰ অন্তত ৰঙিয়া ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে উত্থাপিত দাবী সম্বলিত স্মাৰকপত্ৰ ৰাজ্যৰ মুখ্যমন্ত্ৰীলৈ প্ৰেৰণ কৰা হয়।

# পৰ্বতঝোৰাত চাৰি শতাধিকৰ বিজেপিত যোগদান



**ই-সংবাদ, পৰ্বতঝোৰা, ১৯ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ পৰ্বতঝোৰা মণ্ডল বিজেপিৰ উদ্যোগত আজি বগৰীবাৰী ঐতিহাসিক ২৫ হাত কালী মন্দিৰ খেল পথাৰত পুৱাৰ ভাগত ভাৰতীয় জনতা পাৰ্টিৰ এক যোগদান কাৰ্যসূচী অনুষ্ঠিত হয়। এই কাৰ্যসূচীত বিভিন্ন দলৰ পৰা চাৰি শতাধিক লোকে এক গাম্ভীৰ্যপূৰ্ণ পৰিৱেশত বিজেপি দলত যোগদান কৰে। উল্লেখ্য যে বগৰীবাৰী ঐতিহাসিক ২৫ হাত কালী মন্দিৰৰ বাকৰিত অনুষ্ঠিত এই যোগদান কাৰ্যসূচীৰ আঁত ধৰে পৰ্বতঝোৰা মণ্ডল বিজেপিৰ মুখ্য কৰ্মকৰ্তা নাৰায়ণ পালে। অনুষ্ঠানত পৰ্বতঝোৰা মণ্ডল বিজেপি দলৰ সভাপতি সৰ্বেশ্বৰ ৰাভাৰ লগতে সহস্ৰাধিক লোক উপস্থিত থাকে। অনুষ্ঠানত কোকৰাঝাৰ জিলা বিজেপি দলৰ নৱনিযুক্ত সভাপতি গোহাঁই বসুমতাৰী, বিজেপি দলৰ কেন্দ্ৰীয় সমিতিৰ সদস্য তথা অসম ভৈয়াম জনজাতি নিগমৰ উপাধ্যক্ষ বলেন্দ্ৰ কুমাৰ মুছাহাৰীৰ উপস্থিতিত বিভিন্ন দলৰ পৰা অহা বিভিন্ন পৰ্যায়ৰ কৰ্মী-সমৰ্থকে বিজেপি দলত যোগদান কৰে। এই সন্দৰ্ভত গৌৰীপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক তথা অসম ভৈয়াম জনজাতি উন্নয়ন নিগমৰ উপাধ্যক্ষ বলেন্দ্ৰ কুমাৰ মুছাহাৰীয়ে কয় যে ভাৰত তথা অসমত বিজেপি দলৰ নেতৃত্বত চলা চৰকাৰখনে কৰি থকা উন্নয়নৰ যাত্ৰাত সকলোৱে আগবাঢ়ি আহিলেহে এই অঞ্চলৰ সকলো ধৰণৰ উন্নয়ন সম্ভৱ হৈ উঠিব। আজিৰ এই যোগদান কাৰ্যসূচীত বনৰ গাঁও পৰিষদীয় সমষ্টিৰ এম চিএলএ ৰাজীৱ ব্ৰহ্ম, সুভাইঝাৰ পৰিষদীয় সমষ্টিৰ এমচিএলএ প্ৰভাত বসুমতাৰী, লাইচল বড়ো, পৰ্বতঝোৰা মণ্ডল বিজেপিৰ কৰ্মকৰ্তা অন্তেশ্বৰ ৰাভাকে ধৰি বিজেপি দলৰ বিভিন্ন স্তৰৰ কৰ্মকৰ্তাৰ লগতে অঞ্চলটোৰ ভালেসংখ্যক লোক উপস্থিত থাকে।

## নিৰ্বাচিত প্ৰতিনিধিৰ সৈতে সমন্বয় শক্তিশালী কৰাৰ লক্ষ্য

# বৰপেটাত সাংসদ ফণী ভূষণ চৌধুৰীৰ সভাপতিত্বত 'দিছা'ৰ বৈঠক

**ই-সংবাদ, বৰপেটাৰোড, ১৯ ফেব্ৰুৱাৰীঃ** লোকসভাৰ সাংসদ সদস্য ফণীভূষণ চৌধুৰীৰ সভাপতিত্বত আজি বৰপেটাত DISHA (জিলা উন্নয়ন সমন্বয় আৰু নিৰীক্ষণ সমিতি)ৰ এখন বৈঠক অনুষ্ঠিত হয়। এই বৈঠকত জিলা পৰিষদ, জিলা উন্নয়ন আয়ুক্ত, অতিৰিক্ত জিলা আয়ুক্ত, সহকাৰী আয়ুক্ত আৰু বৰপেটা জিলাৰ সকলো বিভাগৰ বিষয়াসকলে অংশগ্ৰহণ কৰে। প্ৰতিটো বিভাগৰ প্ৰতিনিধিয়ে নিজ নিজ বিভাগৰ অধীনত আঁচনি, কাৰ্যসূচী আৰু অগ্ৰগতিৰ ওপৰত আলোকপাত কৰে। বৰপেটাৰ উপায়ুক্ত ৰোহন কুমাৰ ঝাই জিলা পৰ্যায়ত শাসন ব্যৱস্থা উন্নত কৰাৰ ক্ষেত্ৰত দিছাৰ উপযোগিতাৰ ওপৰত আলোকপাত কৰে। নিৰ্বাচিত প্ৰতিনিধি আৰু স্থানীয় চৰকাৰৰ মাজত সমন্বয় শক্তিশালী কৰাৰ বাবে DISHA এক চৰকাৰী পদক্ষেপ। ইয়াৰ লক্ষ্য হৈছে উন্নয়ন যাতে দক্ষতাৰে আৰু সময় মতে হয়। বৈঠকৰ আৰম্ভণিতে আয়ুক্ত ঝাই জোৰ দি কয় যে দিছাই শাসন ব্যৱস্থাত সহযোগিতামূলক প্ৰচেষ্টা নিশ্চিতভাৱে শক্তিশালী কৰিব। উল্লেখ্য যে আজিৰ দিছাৰ বৈঠক ১ মাৰ্চলৈ অব্যাহত থাকিব। বৰপেটা জিলাৰ অন্তিমখন দিছাৰ বৈঠক ২০২৩ চনৰ নৱেম্বৰ মাহত অনুষ্ঠিত হৈছিল।

# চৰাইবাহীত কৃষি বিজ্ঞান কেন্দ্ৰৰ উদ্যোগত গো পালন, যতন শীৰ্ষক কৰ্মশালা

**ই-সংবাদ, লাহৰীঘাট, ১৯ ফেব্ৰুৱাৰীঃ** অসম কৃষি বিশ্ববিদ্যালয়, যোৰহাটৰ অন্তৰ্ভুক্ত মৰিগাঁও জিলা কৃষি বিজ্ঞান কেন্দ্ৰই বিভিন্ন সময়ত জিলাখনৰ কৃষকসকলক বিভিন্ন ন ন প্ৰযুক্তিৰ প্ৰশিক্ষণ দি কৃষকসকলক আগবঢ়াই নি আহিছে। আজি মৰিগাঁও জিলাৰ চৰাইবাহীত গো-পালকসকলক আগবঢ়াই নিয়াৰ উদ্দেশ্যে জিলা কৃষি বিজ্ঞান কেন্দ্ৰই চৰাইবাহীৰ মহাবাহু এগ্ৰ' কৃষক উৎপাদক প্ৰতিষ্ঠানত গো-পালন আৰু ইয়াৰ যতন সন্দৰ্ভত এটি প্ৰশিক্ষণ অনুষ্ঠিত কৰে। মহাবাহু এগ্ৰ' কৃষক উৎপাদক প্ৰতিষ্ঠানৰ কাৰ্যালয় প্ৰেক্ষাগৃহত এদিনীয়াকৈ গো-পালনৰ ওপৰত অনুষ্ঠিত প্ৰশিক্ষণটিত চৰাইবাহী অঞ্চলৰ তথা মহাবাহু প্ৰতিষ্ঠানৰ লগত জড়িত ২৫ গৰাকী গো-পালকে অংশগ্ৰহণ কৰে। এই এদিনীয়া প্ৰশিক্ষণত প্ৰশিক্ষণ আগবঢ়ায় মৰিগাঁও কৃষি বিজ্ঞান কেন্দ্ৰৰ মুৰব্বী ডাঃ ৰিজুস্মিতা শৰ্মা ডেকা আৰু পশু বিজ্ঞানৰ বিশেষজ্ঞ ডাঃ সুভাষ কলিতাই। প্ৰশিক্ষণত বিশেষকৈ প্ৰসূতি গাই




আৰু গৰ্ভৱতী গাইৰ যতন, থলুৱা আৰু বিবিধ বৰ্ণসংকৰ প্ৰজাতিৰ গাই পালনৰ ক্ষেত্ৰত বিজ্ঞানসন্মত ধাৰণা আৰু প্ৰয়োজনীয়তা, ইয়াৰ গুৰুত্ব, বিজ্ঞানসনমত গো-পালনৰ লক্ষ্যত উপনীত হ'ব পৰাকৈ ইয়াক বাছনি, লালন পালন, খাদ্য লগতে ইয়াৰ পৰৱৰ্তী পৰ্যায়ৰ আশানুৰূপ দুগ্ধ উৎপাদন আদি বিষয়ত গো-পালকসকলক প্ৰশিক্ষণ প্ৰদান কৰে। প্ৰশিক্ষণত মহাবাহু এগ্ৰ' কৃষক উৎপাদক প্ৰতিষ্ঠাৰ অধ্যক্ষ মানস নাথ আৰু মুখ্য কাৰ্যবাহী বিষয়া ডিবেন্দ্ৰ কুমাৰ হাজৰিকা উপস্থিত থাকে।

# গৰিয়া মৰিয়া দেশী জাতীয় পৰিষদৰ ডিব্ৰুগড় জিলা সমিতি গঠন

**ই-সংবাদ, ডিব্ৰুগড়, ১৯ ফেব্ৰুৱাৰীঃ** ডিব্ৰুগড়ত সদৌ অসম গৰিয়া-মৰিয়া-দেশী জাতীয় পৰিষদৰ ডিব্ৰুগড় জিলা সমিতিৰ দ্বি-বাৰ্ষিক সাধাৰণ সভাখনি আজি স্থানীয় ডিব্ৰুগড় কেন্দ্ৰীয় ঈদগাহ ময়দান প্ৰেক্ষাগৃহত অনুষ্ঠিত হয়। আলহজ্ব চৌকত আলিৰ কালাম পাক তিলাৱত আৰু দোৱাৰে আৰম্ভ কৰা সভাখনৰ আঁত ধৰে বুলবুল ৰহমানে। অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক নাছিৰ চুলতানৰ সভাপতিত্বত অনুষ্ঠিত সভাখনিত ২০২৫-২০২৭ বৰ্ষৰ বাবে বিভিন্ন বিষয়ববীয়া আৰু সদস্যৰে নতুনকৈ এখনি শক্তিশালী জিলা সমিতি গঠন কৰা হয়। সেই অনুযায়ী সভাপতি ৰহিমুল হুছেইন, কাৰ্যকৰী সভাপতি ৰাইহান জুবেইৰী, উপ-সভাপতি ক্ৰমে নৌছাদ আলী আহমদ, কমৰুজ জামান, ছাহিদ লতিফ, ছফিউল বৰা, সম্পাদক ইয়াকুব আলী, সহকাৰী সম্পাদকত্ৰয় ফৰিদ আহমেদ, আব্দুল হাদি, আমজেদ আলী, ধনভৰলী- ৰুবুল হুছেইন, সাংগঠনিক সম্পাদকত্ৰয় নাজিম উদ্দিন আহমেদ, ইউনুছ আলী আহমেদ, মফিজুল ৰহমান, সাংস্কৃতিক সম্পাদকদ্বয় মুকুল আহমেদ, আদিব আলী। জনগোষ্ঠীয় সম্পাদকদ্বয় চামছুদ্দিন আহমেদ, মফিজুৰ ৰহমান, প্ৰচাৰ সম্পাদকদ্বয় নিপো আহমেদ, মাহমুদুৰ ৰহমান। ইয়াৰ উপৰি জিলাখনৰ বিভিন্ন অঞ্চলক সামৰি ১১(এঘাৰ) জনকৈ কাৰ্যকৰী সদস্য নতুন সমিতিখনত অন্তৰ্ভুক্ত হয়। সভাত অৱসৰপ্ৰাপ্ত জ্যেষ্ঠ উপ-পঞ্জীয়ক আলহজ্ব জেহিৰ উদ্দিন আহমেদ, কেন্দ্ৰীয় সমিতিৰ সহকাৰী সম্পাদক ৰুবুল আলী, কেন্দ্ৰীয় প্ৰতিনিধি টকিউৰ ৰহমান আদিয়ে তেওঁলোকৰ বহুমূলীয়া বক্তব্য আগবঢ়ায়। নতুন সমিতিখনে জিলাখনত সংগঠনটোক অধিক শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে।

# বংশী গোপাল নামঘৰৰ গুৰুত্ব আসন প্ৰতিষ্ঠা দিৱসৰ ৰূপালী জয়ন্তী বৰ্ষ

**ই-সংবাদ, মুছলপুৰ, ১৯ ফেব্ৰুৱাৰীঃ** ভক্তিৰসৰ অমৃত নিজৰা বোৱা এক পৰিৱেশত আজি বাক্সাৰ জলাগাঁৱত বংশী গোপাল নামঘৰৰ গুৰু আসন প্ৰতিষ্ঠা দিৱসৰ ৰূপালী জয়ন্তী বৰ্ষ উদযাপন উপলক্ষে ভাগৱত শোভাযাত্ৰা উলিওৱা হয়। গাঁৱখনৰ বাপ-বান্ধৱ, আই-মাতৃ আৰু জীয়ৰী-জোৱাই সকলোৱে অংশগ্ৰহণ কৰা ভাগৱত শোভাযাত্ৰা উদ্বোধন কৰে বংশী গোপাল নামঘৰৰ সেৰেক জয়নন্দ দাসে। ইয়াৰ পূৰ্বে পুৱা বন্তি প্ৰজ্বলন কৰে বংশী গোপাল নামঘৰৰ উপদেষ্টা ৰবীন্দ্ৰনাথ দাসে, গুৰু আসন স্থাপন কৰে গুৱাহাটীৰ পানবজাৰ নামঘৰৰ শৰণাচাৰ্য বীৰেন্দ্ৰনাথ পাঠকে, ধৰ্মধ্বজা উত্তোলন কৰে ৰূপালী জয়ন্তী উদযাপন সমিতিৰ কাৰ্যকৰী সভাপতি বীৰেন্দ্ৰনাথ দাসে, স্মৃতি তৰ্পণ কৰে ৰূপালী জয়ন্তী উদযাপন সমিতিৰ উপদেষ্টা দ্বীপেন কুমাৰ দাসে, গছপুলি ৰোপণ কৰে সাংবাদিক চন্দন মেধি, সমাজসেৱক নিৰেন বসুমতাৰী, পৱিত্ৰ দাস আৰু যুগল দাসে। ইফালে, সন্ধিয়া শংকৰদেৱ শিশু নিকেতন, ডুমুনীৰ প্ৰধান আচাৰ্য গণেশ ডেকাই উদ্বোধন কৰা সাংস্কৃতিক মঞ্চত মণিকাঞ্চন সাংস্কৃতিক গোষ্ঠী বজালী, আধ্যাত্মিক গীতা সত্ৰ পাঠশালা আৰু পৰমেশ্বৰ বৈশ্য আৰু সংগী বৃন্দ আঠিয়াবাৰীৰ দ্বাৰা ভক্তিমূলক গীতৰ অনুষ্ঠান চলে। উল্লেখ্য যে বৃহস্পতিবাৰে অনুষ্ঠিত হ'বলগীয়া ধৰ্মালোচনা সভাত নিৰ্দিষ্ট বক্তা হিচাপে আধ্যাত্মিক গুৰু সন্তশ্ৰী হেম ভাই উপস্থিত থাকিব বুলি জানিবলৈ দিয়ে উদযাপন সমিতিয়ে। লগতে এই সভাতে অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী ৰঞ্জিৎ কুমাৰ দাস, উৰ্খাও গৌৰা ব্ৰহ্ম, বিধায়ক ফণীধৰ তালুকদাৰকে ধৰি কেবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকিব। অন্তিম দিনাৰ কাৰ্যসূচীত ৰাইজৰ উপস্থিতি কামনা কৰিছে উদযাপন সমিতিয়ে।

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ বিশেষ উদ্যোগ

# মাজুলীৰ কেন্দ্ৰীয় আলি আয়ে লৃগাং উৎসৱত ৰিণিকি ভূঞা শৰ্মা

**ই-সংবাদ, মাজুলী, ১৯ ফেব্ৰুৱাৰীঃ** ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ ৰাজ্যিক সমিতিয়ে আজি নামনি মাজুলী ৰাইজৰ সহযোগত নামনি মাজুলী কেন্দ্ৰীয় আলি-আই-লৃগাং উৎসৱ উদযাপন কৰে। নামনি মাজুলী চেলেক গাঁৱৰ মুৰং ঘৰৰ প্ৰাংগণত মুকলি খেল পথাৰত উদযাপন কৰা উক্ত আলি-আয়ে-লৃগাং উৎসৱত ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ ৰাজ্যিক সমিতিৰ নেত্ৰী বৃন্দৰ লগতে প্ৰাইড ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ সঞ্চালিকা তথা মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ পত্নী ৰিণিকি ভূঞাই অংশগ্ৰহণ কৰে। উক্ত আলি-আই-লৃগাং উৎসৱ উপলক্ষে আজি পুৱা মিচিং জনগোষ্ঠীৰ উপাস্য দেৱতা চন্দ্ৰ-সূৰ্যক উপাসনা কৰি গুটি সিঁচা উৎসৱ শুভাৰম্ভ কৰে। চেলেক গাঁৱৰ মুৰং ঘৰৰ প্ৰাংগণত আলি-আয়ে-লৃগাঙৰ গুটি সিঁচা পৰ্ব আৰম্ভ কৰে বিশিষ্ট সমাজকৰ্মী তথা সন্মিলিত গণশক্তি- অসমৰ মাজুলী জিলা সমিতিৰ সভাপতি ৰঞ্জিত দলেয়ে। উক্ত গুটি সিঁচা উৎসৱত মিচিং জনগোষ্ঠীৰ সকলো পৰম্পৰা আৰু ধৰ্মীয় বিশ্বাস পালন কৰা হয়। বিয়লি এক বজাৰ পৰা নৱ নিৰ্মিত বৃহৎ প্ৰেক্ষাগৃহত আলি-আয়ে-লৃগাং উৎসৱৰ মুকলি সভা অনুষ্ঠিত হয়। ভাৰতীয় জনতা পাৰ্টিৰ ৰাজ্যিক কৃষক মৰ্চাৰ সম্পাদক, যুৱ নেতা বিতোপন দলেয়ে আঁত ধৰা আলি-আই-লৃগাং উৎসৱৰ সভাখন উদ্বোধন কৰে গহপুৰৰ বিধায়ক তথা কৃষক মৰ্চাৰ ৰাজ্যিক সভাপতি উৎপল বৰাই। তেওঁ ভাৰতীয় জনতা পাৰ্টিৰ কৃষক মৰ্চাৰ সহযোগত আজি আলি-আয়ে-লৃগাং উদযাপন কৰাৰ বাবে স্থানীয় ৰাইজক ধন্যবাদ জ্ঞাপন কৰে। বৰাই নিজৰ ভাষণত কৃষিৰ ওপৰত ভিত্তি কৰিয়েই অসমে দেশৰ শীৰ্ষক পাঁচখন ৰাজ্যৰ ভিতৰত স্থান পাব বুলি উল্লেখ কৰে। কৃষক মৰ্চাৰ সাধাৰণ সম্পাদক ৰঞ্জিত ভট্টাচাৰ্যই আদৰণী ভাষণ দি তেওঁ আলি-আয়ে-লৃগাং উৎসৱৰ তাৎপৰ্য ব্যাখ্যা কৰে। সম্পাদকজনে মাজুলীৰ কৃষকক জৈৱিক প্ৰক্ৰিয়াৰে খেতি কৰিবলৈ আহ্বান জনায়। সভাত যোৰহাট লোকসভা সমষ্টিৰ প্ৰাক্তন সাংসদ তথা ভাৰতীয় জনতা পাৰ্টিৰ উপ-সভাপতি তপন কুমাৰ গগৈয়ে ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে ভাষণ প্ৰদান কৰে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাৰ সহধৰ্মিনী তথা নৰ্থ ইষ্ট এণ্টাৰটেইনমেণ্ট প্ৰাইভেট লিমিটেডৰ সঞ্চালিকা ৰিণিকি ভূঞা শৰ্মাই। তেওঁ মিচিং জনগোষ্ঠীৰ লোকসকলক আলি-আয়ে-লৃগাং উৎসৱৰ শুভেচ্ছা জনাই জনগোষ্ঠীটোৰ কৃষিৰ ভঁৰাল ভৰপুৰ হোৱাৰ কামনা কৰে। তেওঁ চহকী মিচিং জনগোষ্ঠীৰ সংস্কৃতি, খাদ্য সম্ভাৰ, সাজপাৰক ভূয়সী প্ৰশংসা কৰি অসমৰ এটা পবিত্ৰ উৎসৱ হিচাপে আলি-আয়ে- লৃগাঙক অভিহিত কৰে আৰু মিচিং জনগোষ্ঠীৰ লোকসকলে ধৰি ৰখাৰ বাবে ধন্যবাদ জ্ঞাপন কৰে। সভাত নিৰ্দিষ্ট বক্তাৰ ভাষণ প্ৰদান কৰে বিশিষ্ট সমাজকৰ্মী তথা মিচিং লোক কৃষ্টিৰ সাধক বিনোদ কুম্বাঙে। তেওঁ আলি-আয়ে-লৃগাং মিচিং জনগোষ্ঠীৰ পৰিচয় আৰু প্ৰাণ বুলি উল্লেখ কৰে আৰু প্ৰকৃত নিয়মৰাজিৰ ভিত্তিত আলি-আয়ে-লৃগাং উৎসৱ উদযাপনৰ আহ্বান জনায়। তেওঁ আলি-আয়ে-লৃগাঙৰ মহত্ব ব্যাখ্যা কৰি,ৰাজনীতিৰ উৰ্ধত থাকি মিচিং জনগোষ্ঠীৰ সকলো কৃষ্টি সংস্কৃতি, ধৰ্ম, পৰম্পৰা, উৎসৱ পাৰ্বন উদযাপনৰ পৰামৰ্শ প্ৰদান কৰে। উক্ত অনুষ্ঠানত ঠেঙাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী প্ৰতাপ কছাৰী, প্ৰাক্তন যুৱ মৰ্চাৰ ৰাজ্যিক সভাপতি সিদ্ধাৰ্থ শংকুৰ বৰুৱা, মাজুলী জিলা সন্মিলিত গণশক্তিৰ সভাপতি ৰঞ্জিত দলে, ভাৰতীয় জনতা পাৰ্টিৰ মাজুলী জিলা সমিতিৰ সভাপতি দীপক গোস্বামী প্ৰাক্তন সভাপতি বীৰেন শইকীয়াই বিশিষ্ট অতিথি হিচাপে অংশগ্ৰহণ কৰে। অনুষ্ঠানত শলাগ জ্ঞাপন কৰে বিশিষ্ট সমাজকৰ্মী বিতোপন দলেয়ে। তাৰপিছত, অনুষ্ঠিত হোৱা সাংস্কৃতিক অনুষ্ঠানত গীত পৰিৱেশন কৰে বিশিষ্ট শিল্পী তৰুলতা কুটুমে। শিল্পী তৰুলতা কুটুমে কেইবাটাও জনপ্ৰিয় গীত পৰিৱেশন কৰে।

# সৰুপেটা-ভৱানীপুৰত 'টাইপা'ৰ বিৰুদ্ধে এজাহাৰ

**ই-সংবাদ, ভৱানীপুৰ, ১৯ ফেব্ৰুৱাৰীঃ** আহোমসকলৰ ধৰ্মীয় অনুষ্ঠান মে-ডাম-মে-ফিত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ অনুগামী চন্দ্ৰ বৰুৱা নামৰ এগৰাকী লোকৰ অংশগ্ৰহণ আৰু ইয়াৰ পিছতেই উক্ত ব্যক্তিগৰাকীক শ্ৰীমন্ত শংকৰদেৱ সংঘৰ দ্বাৰা সংগঠনটোৰ মজিয়াৰ পৰা বহিষ্কাৰ আৰু জৰিমনা বিহাৰ পিছত এনে কাৰ্যৰ বিৰুদ্ধাচাৰণ কৰি 'টাইপা' অৰ্থাৎ আহোম যুৱ পৰিষদ আৰু শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মাজত অভিযোগ-প্ৰতি অভিযোগ উত্থাপন হৈ থকাৰ মাজতে আজি সৰুপেটা আৰক্ষী চকীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ভৱানীপুৰীয়া গোপাল আতা আঞ্চলিক শাখা সমিতি আৰু সংঘৰ অধীনৰ ১৫ খন প্ৰাথমিক শাখা সমিতিয়ে পৃথকে পৃথকে এজাহাৰ দাখিল কৰে। ভৱানীপুৰীয়া গোপাল আতা আঞ্চলিক শাখা সমিতিৰ সভাপতি শৈলেন্দ্ৰ কুমাৰ চৌধুৰী আৰু সম্পাদক সঞ্জীৱ কলিতাৰ নেতৃত্বত যোৱা প্ৰায় দুকুৰি ভকত-বৈষ্ণৱে সভাপতি আৰু সম্পাদক স্বাক্ষৰিত এজাহাৰত টাই আহোম যুৱ পৰিষদৰ কৰ্মকৰ্তা উদীপ্ত গগৈ আৰু তেওঁৰ সহযোগীসকলৰ বিৰুদ্ধে উপযুক্ত কাৰ্যব্যৱস্থা গ্ৰহণৰ দাবী উত্থাপন কৰে। এজাহাৰত শ্ৰীমন্ত শংকৰদেৱ সংঘই গুৰুজনাৰ আদৰ্শেৰে উজ্জীৱিত আৰু উচ্চ-নীচজাতি ভেদহীন সমাজ নিৰ্মাণত ব্ৰতী এক জাতীয় সৰ্ববৃহৎ সংগঠন বুলি উল্লেখ কৰে। এজাহাৰত 'টাইপা'ৰ কৰ্মকৰ্তাসকলে সংবাদ মাধ্যমৰ জৰিয়তে সংঘৰ বিৰুদ্ধে নানা উচটনিমূলক বক্তব্য প্ৰদান কৰাৰ উপৰি সদস্যসকল ভাবুকি প্ৰদান কৰাৰো অভিযোগ কৰা হৈছে। শ্ৰীমন্ত শংকৰদেৱ সংঘক জনমানসত হেয় কৰিবলৈ চলোৱা এনে কাৰ্যত সংঘৰ লক্ষ লক্ষ ভক্ত-অনুগামীয়ে মনত প্ৰচণ্ড আঘাত পোৱাৰ লগতে সমগ্ৰ অসমতে ব্যাপক প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱা কথাটোলৈও আঙুলিয়াই দিয়া হৈছে।

**শিঙিমাৰীৰ কামাখ্যা বায়'ফুৱেলছ প্ৰাইভেট লিমিটেডৰ বিকট শব্দক লৈ অতিষ্ঠ ৰাইজ**

# বায়'ফুৱেলছ ইথানল উদ্যোগৰ শব্দ প্ৰদূষণক লৈ সৰৱ ছিপাঝাৰ ছাত্ৰ সন্থা

**ই-সংবাদ, দুমুনিচকী, ১৯ ফেব্ৰুৱাৰীঃ** ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি চুমন বৰদলৈ আৰু সাধাৰণ সম্পাদক অক্ষয় কুমাৰ ডেকাই এক বিবৃতিৰ জৰিয়তে দৰং জিলাৰ ছিপাঝাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত দুমুনিচকী সমীপৰ শিঙিমাৰীৰ কামাখ্যা বায়'ফুৱেলছ প্ৰাইভেট লিমিটেড নামৰ ইথানল প্ৰস্তুত কৰা উদ্যোগটোৰ পৰা নিৰ্গত হোৱা ধোঁৱা আৰু বিকট শব্দৰ বিষয়টোত সৰৱ হৈ পৰে। উদ্যোগটিৰ পৰা সময়ে সময়ে তীব্ৰ শব্দ নিৰ্গত হোৱাত দৰং জিলাৰ পশ্চিম প্ৰান্তৰ ৰাইজ অতিষ্ঠ হৈ থকাৰ সময়তে উদ্যোগটোৰ পৰা এইবাৰ নিৰ্গত ধোঁৱাৰ পৰা বাহিৰ হোৱা গোন্ধ আৰু প্ৰদূষণে অঞ্চলটিত ভয় আৰু শংকাৰ সৃষ্টি কৰিছে। উল্লেখ্য যে কিছুদিন আগলৈ উদ্যোগটোৰ পৰা ভয়াৱহ শব্দ প্ৰদূষণ হৈছিল। ৰাইজৰ প্ৰতিক্ৰিয়াৰ পাছত সদ্যহতে শব্দৰ পৰিমাণ কমি আছে যদিও এতিয়া কামাখ্যা বায়'ফুৱেলছ প্ৰাইভেট লিমিটেডৰ মেচিনৰ পৰা নিৰ্গত হোৱা ক'লা ধোঁৱা বায়ুৰ লগত মিহলি হৈ ক'লা সৰু সৰু গুৰি সৃষ্টি হৈ পৰিৱেশ দূষিত কৰিছে। লগতে সহ্য কৰিব নোৱাৰা এবিধ গোন্ধ বিয়লি পৰিছে। এই ঘটনাই দৰং জিলাৰ পশ্চিম প্ৰান্তৰ ৰাইজক শংকিত কৰি তুলিছে। আজি ছিপাঝাৰ আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি, সাধাৰণ সম্পাদক আৰু উপ-সভাপতি পীযুষ কান্তি আৰু প্ৰচাৰ সম্পাদক জিন্তুমণি নাথ সহিতে এটি প্ৰতিনিধি দলে দৰং জিলাৰ জিলা আয়ুক্তক এই বিষয়ত এখন স্মাৰক পত্ৰ প্ৰদান কৰাৰ লগতে উদ্যোগটিৰ পৰা নিৰ্গত হোৱা ভয়াৱহ শব্দ আৰু ধোঁৱাৰ পৰা হোৱা ভয়াৱহ প্ৰদূষণ অতি শীঘ্ৰে নিৰ্মূল কৰিবলৈ দাবী জনোৱাৰ লগতে স্থানীয় যুৱক-যুৱতীক নিযুক্তি দিবলৈ দাবী উত্থাপন কৰে।

# ধূলি-বালিৰে কদৰ্যময় হৈ পৰিছে নলবাৰী চহৰ, সাধাৰণ ৰাইজে ভুগিছে দুৰ্ভোগ

**ই-সংবাদ ব্যুৰ', নলবাৰী, ১৯ ফেব্ৰুৱাৰীঃ** নলবাৰী চহৰ আৰু ইয়াৰ উপকণ্ঠ অঞ্চলৰ ধূলিময় কদৰ্য ছবিখনে ৰাইজৰ চকু কপালত তুলিছে। যোৱা কেইমাহ মান ধৰি বৰষুণ নোহোৱাৰ ফলতেই চহৰখন বৰ্তমান ধূলি-বালিৰে কদৰ্যময় হৈ পৰিছে। ইয়াৰ পিছতো ৱাৰ্ডসমূহ চাফ-চিকুণ কৰাৰ বিপৰীতে কমিচনাৰসকলক অৱহেলা কৰি থকা দেখা গৈছে। চহৰখনত চাফ-চিকুণ তথা স্বচ্ছতা বুলি একো নাই। এটি অকৰ্মণ্য বিভাগ হৈ পৰিছে পৌৰ সভা। চহৰৰ বাট-পথৰ এতিয়া য'তে ত'তে পৰিলক্ষিত হৈছে অস্বচ্ছতাৰ পৰিৱেশ। নলবাৰী জিলাখনৰ অন্তৰ্গত নলবাৰী পৌৰসভাৰ হেমাহিৰ বাবে যেন ধূলিময়-কদৰ্যময় চহৰলৈ পৰিণত হৈছে নলবাৰী। এনে ধূলিময়-কদৰ্যময় পৰিৱেশৰ বাবে চহৰখনৰ সাধাৰণ মানুহে অস্বস্তিত ভুগিব লগা হৈছে। বিশেষকৈ বিদ্যালয়-মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলে এনে প্ৰদূষণৰ বাবে যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। ছাত্ৰ-ছাত্ৰীসকলে পথসমূহৰে অহা-যোৱা কৰিব নোৱাৰা হৈছে। ৰাইজৰ অভিযোগ, চহৰখনৰ নলী-নৰ্দমাসমূহৰ কাম-কাজসমূহো আধৰুৱা হৈ আছে। বিসংগতিপূৰ্ণভাৱে কাম-কাজসমূহ কৰি থকা বাবে নলা-নৰ্দমাসমূহ উন্মোক্ত হৈ আছে। পথচাৰীয়ে বিপদসংকুলভাৱে যাতায়াত কৰিব লগা হৈছে। নিৰ্মাণৰ কামসমূহ লেহেমীয়া গতিৰ বাবে আধৰুৱা হৈ থকাৰ ফলত পথসমূহ ধূলিময় হৈ পৰিছে। হাজো ৰোডত তীব্ৰ যান-জঁটৰ সৃষ্টি হৈ আছে। ভকতপাৰা পথটিৰে মানুহে অহা-যোৱা কৰিব নোৱাৰা অৱস্থা হৈছে। কলেজ ৰোড, পি এন চি পথ, এন টি ৰোড, হাজো পথ আদিৰ কামসমূহ ঠিকাদাৰে লেহেমীয়া কৰিছে বুলি ৰাইজে অভিযোগ কৰিছে। পৌৰসভাৰ অকৰ্মণ্যতা আৰু সংশ্লিষ্ট ঠিকাদাৰৰ হেমাহিত চহৰৰ পথসমূহৰ কামসমূহ আধৰুৱা হৈ আছে। ইফালে, চহৰৰ উপকণ্ঠ অঞ্চল মালিকুছি, জাপাৰকুচি, পয়লা, দিঘেলি, গোপাল বজাৰ আদি অঞ্চলত মাটি কঢ়িওৱা ট্ৰেক্টৰৰ দৌৰাত্ম্যই চৌদিশ ধূলিময় কৰি তুলিছে। ৰাইজে অতি শীঘ্ৰে এই ব্যৱস্থা উন্নত কৰাৰ বাবে জিলা আয়ুক্তক দাবী জনাইছে।

# চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শুভেচ্ছামূলক উপহাৰ

**ই-সংবাদ, লাহৰীঘাট, ১৯ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলা প্ৰশাসনৰ উদ্যোগত আজি জিলা আয়ুক্তৰ সভাকক্ষত জিলাখনৰ চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলক মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শুভেচ্ছামূলক উপহাৰ প্ৰদান কৰা হয়। জিলা আয়ুক্ত দেৱাশীষ শৰ্মাৰ অধ্যক্ষতাত অনুষ্ঠিত এই অনুষ্ঠানত সংবাদকৰ্মীসকলৰ সমাজৰ প্ৰতি দায়িত্বশীলতা, গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ হিচাপে তেওঁলোকৰ ভূমিকা আৰু সঁচা তথ্য জনগণলৈ প্ৰেৰণৰ গুৰুত্বৰ বিষয়ে আলোচনা কৰা হয়। সভাত জিলা আয়ুক্তগৰাকীয়ে সাংবাদিকসকলক সংবাদ প্ৰচাৰৰ জৰিয়তে সমাজখনৰ সুস্থ বিকাশত সহায় কৰাৰ বাবে আহ্বান জনায় আৰু জিলা প্ৰশাসনৰ সকলো চৰকাৰী কাৰ্যসূচীত সহযোগিতা আগবঢ়াবলৈ অনুৰোধ কৰে। অনুষ্ঠানত জিলাখনৰ কেইবাগৰাকী জ্যেষ্ঠ সাংবাদিকে সাংবাদিকতাৰ বিভিন্ন সমস্যা, বিশেষকৈ ডিজিটেল সাংবাদিকতাৰ প্ৰাসংগিকতা আৰু ইয়াৰ প্ৰভাৱ সম্পৰ্কে মত প্ৰকাশ কৰে। অনুষ্ঠানৰ অন্তত, জিলা আয়ুক্ত গৰাকীয়ে জিলাখনৰ বিভিন্ন প্ৰেছ ক্লাবৰ অন্তৰ্গত চৰকাৰীভাৱে স্বীকৃতিপ্ৰাপ্ত সাংবাদিকসকলক মুখ্যমন্ত্ৰীৰ শুভেচ্ছামূলক উপহাৰৰ টোপোলা প্ৰদান কৰে। আজিৰ এই সভাত জিলা তথ্য আৰু জনসংযোগ কাৰ্যালয়ৰ কৰ্মচাৰী দিপালী তামুলী, ভাস্কৰ জ্যোতি বৰা আৰু আন কৰ্মচাৰীসকল উপস্থিত থাকে।

ROYAL CONSTRUCTION
MANUFACTURER OF
CEMENT BRICK, PAVER BLOCK, COLOR PAVER BLOCK, CEMENT TILES
FACTORY ADDRESS : TITKURI, KAMARGAON, RANGIA, KAMRUP(R)
CALL: +91 88 76 99 50 95, +91 99 57 41 80 39

# মৰিগাঁৱত নাবালিকা ধৰ্ষণকাৰীক পক্’চ আদালতৰ ৮ বছৰৰ সশ্ৰম কাৰাদণ্ড

**ই-সংবাদ, মৰিগাঁও, ১৯ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ জাগীৰোড আৰক্ষী থানাৰ অন্তৰ্গত পশ্চিম জোনবিল গাঁৱৰ বাবুল দেৱনাথ নামৰ এজন লোকক নাবালিকা ধৰ্ষণৰ জঘন্য অপৰাধত মৰিগাঁও পক্’চ আদালতে আজি ৮ বছৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰিছে। প্ৰাপ্ত তথ্য মতে এই লোকজনৰ বিৰুদ্ধে দুবছৰ পূৰ্বে এক নাবালিকা ধৰ্ষণ কাণ্ড সংঘটিত কৰাৰ অভিযোগত জাগীৰোড আৰক্ষী থানাত ৩৫১/২০২৩ নম্বৰত এটা গোচৰ ৰুজু কৰা হৈছিল। ২০২৩ বৰ্ষত সংঘটিত এই জঘন্য ঘটনাটোৰ তদন্ত কৰি জাগীৰোড আৰক্ষীয়ে মৰিগাঁও পক্’চ আদালতত অভিযোগনামা দাখিল কৰিছিল। নাবালিকা ধৰ্ষণৰ উক্ত গোচৰ আৰু অভিযোগনামাৰ ভিত্তিত মৰিগাঁও পক্’চ আদালতে পক্’চ গোচৰ নং ৩৭৬/২০২৩ ৰ অধীনত বিচাৰ প্ৰক্ৰিয়া চলাই আজি মৰিগাঁৱৰ অতিৰিক্ত সত্ৰ ন্যায়াধীশ তথা পক্’চ আদালতৰ বিশেষ ন্যায়াধীশ এন এ আহমেদৰ আদালতে পক্’চ আইনৰ ৮ নং ধাৰা আৰু ভাৰতীয় দণ্ডবিধিৰ ৩৫৪ নং ধাৰাত দোষী সাব্যস্ত কৰি ধৰ্ষণ কাণ্ডৰ অপৰাধী বাবুল দেৱনাথক ৮ বছৰৰ সশ্ৰম কাৰাদণ্ডৰে দণ্ডিত কৰাৰ লগতে দহ হাজাৰ টকাৰ জৰিমনা বিহিছে।

# কামৰূপ জিলা পথ সুৰক্ষা সমিতিৰ সভা

**ই-সংবাদ, উত্তৰ গুৱাহাটী, ১৯ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ জিলা পথ সুৰক্ষা সমিতিৰ সভাখন কালি উত্তৰ গুৱাহাটীৰ অভয়পুৰস্থিত কামৰূপ জিলাৰ আৰক্ষী ছাউনীত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰৰ সভাপতিত্বত অনুষ্ঠিত হয়। সভাত কামৰূপ জিলাত পথ দুৰ্ঘটনা ৰোধ কৰা আৰু পথ দুৰ্ঘটনাত মৃত্যুৰ সংখ্যা যথাসম্ভৱ হ্ৰাস কৰাৰ বাবে গ্ৰহণ কৰিবলগীয়া ব্যৱস্থাৱলী সন্দৰ্ভত আৰক্ষী, পৰিবহণ, পথ নিৰ্মাণকাৰী সংস্থাসমূহ যেনে লোক নিৰ্মাণ বিভাগ, ৰাষ্ট্ৰীয় ঘাইপথ প্ৰাধিকৰণ, এন এইচ আই ডি চি এলৰ বিষয়ববীয়াৰ উপস্থিতিত বিস্তৃত আলোচনা কৰা হয়। আজিৰ সভাত জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই জিলাখনত পথ দুৰ্ঘটনাৰ সংখ্যা হ্ৰাস কৰাৰ বাবে পথ সুৰক্ষাৰ নিয়মাৱলী সন্দৰ্ভত সজাগতা বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰাৰ লগতে ৰাষ্ট্ৰীয় ঘাইপথৰ কাষত থকা ধাবাসমূহত যাতে কোনো কাৰণতে অবৈধভাৱে সুৰাৰ বিক্ৰী নহয় তাৰ ওপৰত চোকা নজৰ ৰাখিবলৈ আবকাৰী বিভাগক নিৰ্দেশ প্ৰদান কৰে। জিলা আয়ুক্তগৰাকীয়ে আবকাৰী বিভাগক নিয়মীয়াকৈ উক্ত ধাবাসমূহত অভিযান চলাই অবৈধভাৱে সুৰাৰ বিক্ৰী নিয়ন্ত্ৰণ কৰাতো নিশ্চিত কৰি এনে ধাবাৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ নিৰ্দেশ দিয়ে। সভাত জিলাখনত যান-বাহন আইন উলংঘাকাৰীৰ বিৰুদ্ধে আৰক্ষী আৰু পৰিবহণ বিভাগৰ তৰফৰ পৰা কঠোৰ ব্যৱস্থা গ্ৰহণ কৰা হৈছে বুলিও বিভাগকেইটাই উল্লেখ কৰে। উল্লেখ্য যে সভাত কামৰূপ জিলাৰ আৰক্ষী অধীক্ষক ৰঞ্জন ভূঞা, অতিৰিক্ত জিলা আয়ুক্ত প্ৰণৱ দত্ত গোস্বামী, ৰঙিয়াৰ সমজিলা আয়ুক্ত দেৱাশীষ গোস্বামী, অতিৰিক্ত আৰক্ষী অধীক্ষক (অপৰাধ) সোমালীন শুভদৰ্শিনী, উত্তৰ গুৱাহাটী ৰাজহ চক্ৰৰ চক্ৰ বিষয়া ভাস্কৰজ্যোতি কলিতা, লোকনিৰ্মাণ পথ বিভাগৰ কামৰূপৰ অধীক্ষক অভিযন্তা মৃদুল দাসকে ধৰি বিভিন্ন বিভাগৰ মুৰব্বী বিষয়াসকল উপস্থিত থাকে। সভাত যান-বাহন আইন উলংঘাকাৰীক চিনাক্ত কৰাত সহায় হোৱাকৈ পৰ্যাপ্ত সংখ্যক ব্ৰেথ এনালাইজাৰ ক্ৰয়, পথ দুৰ্ঘটনা সংঘটিত হোৱা এলেকাসমূহৰ পৰিদৰ্শন কৰি দুৰ্ঘটনাৰ কাৰণ চিনাক্তকৰণ আদি পথ দুৰ্ঘটনাৰ সৈতে জড়িত বিভিন্ন বিষয় সন্দৰ্ভত আলোচনা কৰা হয়।

# বেচাপাৰাত মহা শিৱৰাত্ৰিৰ আয়োজন

**ই-সংবাদ, মিৰ্জা, ১৯ ফেব্ৰুৱাৰীঃ** দক্ষিণ কামৰূপৰ পলাশবাৰী সমষ্টিৰ দখলা বেচাপাৰাৰ একমাত্ৰ নৱগ্ৰহ মন্দিৰত অহা ২৬ ফেব্ৰুৱাৰীত মহাশিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে। জ্যোতিষী ৰত্ন দেৱ শৰ্মাৰ বাসগৃহত অৱস্থিত নৱগ্ৰহ মন্দিৰত মহাশিৱৰাত্ৰি পূজাৰ মাহাত্ম্য বহু পুৰণা। জ্যোতিষী শৰ্মাই ১৯৯১ চনৰ পৰাই জ্যোতিষী সাধনা একাধিক ক্ৰমে অব্যাহত ৰাখি দক্ষিণ কামৰূপত অন্যতম নৱগ্ৰহ মন্দিৰ স্থাপন কৰে। এই মন্দিৰৰ ২০০৮ চনৰ ৩০ অক্টোবৰৰ দিনাখন লাইখুঁটা আৰু আধাৰশিলা স্থাপন হোৱাৰ এবছৰ পাছত, ২০০৯ চনৰ ৩০ অক্টোবৰত প্ৰাণ প্ৰতিষ্ঠা কৰে। অজস্ৰ ভক্তৰ সমাগমৰে প্ৰতিবছৰে ৰাইজৰ উপস্থিতিৰে এই মন্দিৰত মনসা পূজা, দুৰ্গা পূজা, বিষ্ণু পূজা, নটা গ্ৰহৰ পূজা, শিৱৰাত্ৰি ইত্যাদি পূজা জ্যোতিষী ৰত্ন দেৱ শৰ্মাৰ নেতৃত্বত আয়োজিত হৈ আহিছে। অইন বছৰৰ দৰে এইবেলিও ৰত্ন দেৱ শৰ্মাৰ বাসগৃহত অৱস্থিত দক্ষিণ কামৰূপৰ একমাত্ৰ নৱগ্ৰহ মন্দিৰত মহাশিৱৰাত্ৰি পূজাৰ আয়োজন কৰা হৈছে। আয়োজক শৰ্মাই অসমৰ লগতে দক্ষিণ কামৰূপৰ ভক্তপ্ৰাণ, ধৰ্মপ্ৰাণ ৰাইজৰ উপস্থিতি তথ সহায়-সহযোগিতা কামনা কৰিছে।

# ৰঙিয়াত ৰে’লৱেৰ গৃহত মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, ৰঙিয়া, ১৯ ফেব্ৰুৱাৰীঃ** ৰঙিয়া নগৰৰ আৰ এন ২ ৰে’লৱে গেটৰ সমীপৱৰ্তী বিভাগীয় পৰিত্যক্ত কোঠাত আজি পুৱাৰ ভাগত এটি মৃতদেহ উদ্ধাৰ হোৱাৰ ঘটনাই চাঞ্চল্যৰ সৃষ্টি কৰে। স্থানীয় লোকে চিপ লৈ থকা অৱস্থাত মৃতদেহ প্ৰত্যক্ষ কৰি লগে লগে ওচৰৰ গেটমেনক খবৰ দিয়ে। লগে লগে ঘটনাস্থলীত ৰে’ল আৰক্ষী আৰু ৰঙিয়া আৰক্ষী থানাৰ লোক উপস্থিত হৈ মৃতদেহটো উদ্ধাৰ কৰে। ৰহস্যজনক অৱস্থাত উদ্ধাৰ হোৱা মৃত লোকজনৰ পৰিচয় উদ্ধাৰ হোৱা নাই। আনকি এয়া হত্যা নে আত্মহত্যা বাতৰি লিখা পৰলৈ জানিব পৰা হোৱা নাই।


• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ’ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।


# লাহৰীঘাটৰ ছাতিয়ানতুলিত মৰাপাট ভৰ্তি ট্ৰাকত অগ্নিকাণ্ড

**ই-সংবাদ, লাহৰীঘাট, ১৯ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ লাহৰীঘাট আৰক্ষী থানাৰ অন্তৰ্গত ছাতিয়ানতুলিত আজি মৰাপাট ভৰ্তি এখন ১২ চকীয়া ট্ৰাকত সংঘটিত হয় ভয়াৱহ অগ্নিকাণ্ড। জুইৰ লেলিহান শিখাই অতি কম সময়ৰ ভিতৰতে গাড়ীখনত ভৰ্তি হৈ থকা মৰাপাটত আৱৰি ধৰে। স্থানীয় ৰাইজে অগ্নি নিৰ্বাপণ কৰিবলৈ চেষ্টা চলায় যদিও ব্যৰ্থ হোৱাত গাড়ীৰ চালকজনে মৰাপাট ভৰ্তি ট্ৰাকখন পথৰ দাঁতিত থকা এখন বিলত বগৰাই দিয়ে। উল্লেখ্য যে বিদ্যুৎ তাঁৰত ট্ৰাকখন লাগি অগ্নিকাণ্ডৰ সূত্ৰপাত হোৱা বুলি সন্দেহ প্ৰকাশ কৰিছে স্থানীয় ৰাইজে। অগ্নিকাণ্ডৰ ঘটনাত কোনো লোক হতাহত হোৱা নাই। জুই নিৰ্বাপণৰ বাবে অহা গাড়ীও বহু সময় পিছত ঘটনাস্থলীত উপস্থিত হয়। ইপিনে, অগ্নিকাণ্ড হোৱা স্থানত লাহৰীঘাট আৰক্ষী উপস্থিত হৈ পৰিস্থিতি নিয়ন্ত্ৰণ কৰে।

# মান্দাকাটা বগুলা বাবা মাজাৰ শ্বৰীফত উৰুছ মোবাৰক

**ই-সংবাদ, বাইহাটা চাৰিআলি, ১৯ ফেব্ৰুৱাৰীঃ** কামৰূপ জিলাৰ উত্তৰ মান্দাকাটাস্থিত কামিল-এ-কামাল সুগন্ধি ৰস্তম আলী ওৰফে বগুলা বাবাৰ মাজাৰ শ্বৰীফত কাইলৈ ৪০ সংখ্যক উৰুছ মোবাৰকৰ অনুষ্ঠিত কৰা হ’ব। ইতিমধ্যে আৰিফ আহমেদক সভাপতি, মজিবৰ ৰহমানক কাৰ্যকৰী সভাপতি, ইন্তাজুল হক সম্পাদক হিচাপে লৈ এখন উৰুছ উদযাপন সমিতি গঠন কৰা হৈছে। বগুলাবাবা আঞ্চলিক মাজাৰ পৰিচালনা সমিতিৰ সভাপতি মনজুৰ আলী আৰু সম্পাদক চামচুল আলম হুছেইনে অৱগত কৰা মতে ইতিমধ্যে উৰুছ পৰিচালনা সমিতিয়ে প্ৰকাশ কৰি উলিওৱা কাৰ্যসূচী অনুসৰি কাইলৈ পুৱা ৯ বজাত উৰুছ উদযাপন সমিতিৰ সভাপতি আৰিফ আহমেদে পতাকা উত্তোলনৰে কাৰ্যসূচী মুকলি কৰাৰ পিছত মাজাৰত গিলাপ পৰিধান কাৰ্যসূচী ৰূপায়ণ কৰা হ’ব। ১০ বজাত পৱিত্ৰ কোৰাণ পাঠ। বিয়লি অনুষ্ঠিত হ’ব আলোচনা চক্ৰ আৰু সমূহীয়া দোৱা। এই বেলি আলোচনা চক্ৰৰ বিষয় হৈছে ‘সমন্বয়ৰ ক্ষেত্ৰৰূপে বগুলা বাবাৰ মাজাৰ শ্বৰীফ’। ইয়াত আলোচক হিচাপে উপস্থিত থাকিব অৱসৰপ্ৰাপ্ত শিক্ষক চালেহউদ্দিন আহমেদ, জ্যেষ্ঠ অধিবক্তা জীৱন বৰুৱা, ভাগৱত পাঠক, পৱিত্ৰ দেৱ শৰ্মা, সাংমাগুলিক বন বিষয়া ইউনুছ ছেলিম, সমাজকৰ্মী তথা লেখক মমতাজ আলী। সন্ধিয়া জিকিৰ জাৰি শিল্পী মজিবৰ ৰহমান আৰু ফাইজুৰ ৰহমানৰ জিকিৰ পৰিৱেশন। উত্তৰ গুৱাহাটী প্ৰাথমিক চিকিৎসালয়ৰ জ্যেষ্ঠ চিকিৎসক ডাঃ মুনিন্দ্ৰ নাথ চমুৱাই উদ্বোধন কৰিব বাউল গীত পৰিৱেশনৰ অনুষ্ঠান। নিশা নিয়াজ বিতৰণ আৰু ১২ বজাত আখেৰী দোৱাৰ পিছত সামৰণি পৰিব ।

# ধৰ্মশালাত বৌয়েকক বলাৎকাৰ দেওৰেকৰ, হত্যা কৰি দিলে আত্মহত্যাৰ ৰূপ!

**ই-সংবাদ, গোলকগঞ্জ, ১৯ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ ধৰ্মশালা আৰক্ষী নিৰীক্ষণ চকীৰ অন্তৰ্গত কচুৱাখাস প্ৰথম খণ্ড গাঁৱত ধৰ্ষণকাণ্ডক গাপ দিয়াৰ বাবে স্বামীৰ পৰিয়ালে বোৱাৰীক হত্যা কৰি আত্মহত্যাৰ ৰূপ দিয়াৰ চেষ্টা চলোৱা ঘটনাই অঞ্চলটোত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, তিনি বছৰ পূৰ্বে ঢেপঢেপীৰ বাবৰ আলীৰ কন্যা বিউটী খাতুনৰ বিয়া হৈছিল ধৰ্মশালাৰ কচুৱাখাস প্ৰথম খণ্ড গাঁৱৰ জোলাপাৰাৰ ছাত্তাৰ আলীৰ পুত্ৰ জাকিৰ হুছেইনৰ লগত। বিয়াৰ পিছৰে পৰা স্বামীৰ পৰিয়ালে যৌতুক বিচাৰি বোৱাৰীক নিৰ্যাতন চলায়। উপায়ন্তৰ হৈ ঘৰৰ মাটি বিক্ৰী কৰি যৌতুক দিয়ে। ইপিনে, কৰ্ম সূত্ৰে স্বামী গুৱাহাটীত থকাৰ সুযোগ লৈ স্বামীৰ পৰিয়ালে মহিলাগৰাকীৰ ওপৰত অত্যাচাৰ বেছিকৈ কৰিবলৈ ধৰে। পিতৃ গৃহত যাবলৈও হেঁচা প্ৰয়োগ কৰে। বোৱাৰীগৰাকী সকলো কষ্ট সহ্য কৰি আছিল। যোৱা ১২ ফেব্ৰুৱাৰীত অত্যাচাৰৰ মাত্ৰা চৰম সীমাত উপনীত হয়। বোৱাৰীগৰাকী দুপৰীয়া দুৱাৰ বন্ধ কৰি ঘৰত শুই আছিল। দেওৰেক নুৰ আলমে চিলিঙৰ ওপৰেৰে ঘৰৰ ভিতৰত সোমাই মাতৃ সম বৌয়েকক বলাৎকাৰ কৰে। এই সন্দৰ্ভত শহুৰ-শাহুই ঘটনাটো গোপনে ৰখাৰ বাবে দাবী-ধমকি দিয়ে যদিও বোৱাৰীগৰাকীয়ে ফোনযোগে স্বামীক জনায়। কিন্তু স্বামীয়েও ঘটনাটোত গুৰুত্ব নিদি গোপনে ৰাখিবলৈ ধমক দিয়ে। মহিলাগৰাকীয়ে সকলো ঘটনা মাতৃগৃহক অৱগত কৰে। অভিযোগ মতে, পৰহি শাহুয়ে বোৱাৰীগৰাকীৰ মাতৃকো ফোন কৰি ধমকি দিয়ে। বোৱাৰীগৰাকী কথা নুশুনিলে মৃতদেহ পঠিয়াই দিব বুলি সাৱধান কৰি দিয়ে। কালি স্বামী জাকিৰ হুছেইন গুৱাহাটীৰ পৰা ঘৰলৈ ঘূৰি আহিছিল। আজি পুৱা জাকিৰে ফোন কৰি শাহুৰেকক বিউটী খাতুনে আত্মহত্যা কৰা বুলি জনায়। ততালিকে সকলোৰে গৈ ঘৰখনত উপস্থিত হয়। মাতৃ পৰিয়ালে অভিযোগ কৰা মতে এয়া আত্মহত্যা নহয় পৰিকল্পিত হত্যা। হত্যা কৰি ডিঙিত ৰছী লগাই ওলমাই থোৱা বুলি অভিযোগ কৰে। এই সন্দৰ্ভত মাতৃ পৰিয়ালে ধৰ্মশালা আৰক্ষী নিৰীক্ষণ চকীত মূল অভিযুক্ত দেওৰেক নুৰ আলম, স্বামী জাকিৰ হুছেইন, সৰু দেওৰেক জাহাংগীৰ আলম, শহুৰ ছাত্তাৰ আলী আৰু শাহু জাহানাৰা বেগমৰ নামত এজাহাৰ দাখিল কৰে। ইপিনে, আৰক্ষী ঘটনাস্থলীত উপস্থিত হোৱাৰ পূৰ্বে সকলোৱে ঘৰৰ পৰা পলায়ন কৰে। আৰক্ষীয়ে মৃতদেহ উদ্ধাৰ কৰি ইতিমধ্যে মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে।

# ধূপধৰাত টাইপাৰ বিৰুদ্ধে এজাহাৰ দাখিল শংকৰ সংঘৰ

**ই-সংবাদ, ধূপধৰা, ১৯ ফেব্ৰুৱাৰীঃ** শ্ৰীমন্ত শংকৰদেৱ সংঘৰ মূল সমিতিৰ আহ্বান মৰ্মে গোৱালপাৰা জিলাৰ ধূপধৰা আঞ্চলিক শাখাই টাইপাৰ বিৰুদ্ধে ধূপধৰা থানাত আজি এজাহাৰ দাখিল কৰে। সমগ্ৰ অসমৰ লগতে গোৱালপাৰা জিলাৰ ধূপধৰাত আজি ২৩ খন প্ৰাথমিক শাখাৰ সহযোগত ধূপধৰা আঞ্চলিক শাখাই টাই-আহোম যুৱ পৰিষদ নামৰ সংগঠনটোৱে ১৭ ফেব্ৰুৱাৰী তাৰিখে শিৱসাগৰৰ সোণাৰি নগৰৰ মাজমজিয়াত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান আৰু প্ৰতীক চিহ্ন জ্বলাই দিয়াৰ প্ৰতিবাদ জনাই আৰক্ষী থানাত সংগঠনটোৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰাৰ লগতে এনে দুষ্কাৰ্যক তীব্ৰ ভাষাৰে গৰিহণা দিয়ে। লগতে দুষ্কাৰ্য সংঘটিত কৰা সংগঠনটোৰ জড়িত নেতাসকলৰ বিৰুদ্ধে আইনীভাৱে কঠোৰ পদক্ষেপ গ্ৰহণৰ দাবী জনাই সংঘই। এজাহাৰ দাখিলৰ বাবে ধূপধৰা আঞ্চলিক শাখাৰ অন্তৰ্গত ২৩ খন প্ৰাথমিক শাখাৰ ভকত-বৈষ্ণৱ সকলে মৌন সমদল কৰি ধূপধৰা জগত গুৰু নামঘৰৰ পৰা ধূপধৰা থানাত উপস্থিত হয়। হাতত পৱিত্ৰ গুণমালা লৈ ভকত-বৈষ্ণৱ, আই-মাতৃ সকলে থানাত উপস্থিত হয়। লগতে হাতত সংঘৰ পতাকা লৈ সম্পূৰ্ণ শৃংখলিতভাৱে মৌনতা অৱলম্বন কৰি এজাহাৰ দাখিলত অংশগ্ৰহণ কৰে ভকত-বৈষ্ণৱ, আই-মাতৃ, সেৱক-সেৱিকাসকলে। এজাহাৰ দাখিলৰ অন্তত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ ধূপধৰা আঞ্চলিক শাখাৰ সভাপতি জিতুমনি দাসে কয়, শংকৰদেৱ সংঘৰ পৱিত্ৰ বস্তুত আঘাত হানি জনগোষ্ঠীয় সংগঠনটোৱে ব্ৰহ্ম তালুত খোঁট মাৰিছে। সমগ্ৰ উত্তৰ পূব ভাৰতৰ সৰ্ববৃহৎ ধৰ্মীয় অনুষ্ঠান শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধান আৰু প্ৰতীক চিহ্ন জ্বলাই দিয়া কাৰ্যটো অতি নিন্দনীয়। এই দুষ্কাৰ্যৰ জৰিয়তে সংগঠনটোৰ কেইজনমান বিষয়ববীয়াই লক্ষ লক্ষ ভকতক মৰ্মান্তিক দুখ আৰু বেদনা দিছে। গতিকে তেনে দুষ্কাৰ্য সংঘটিত কৰা ব্যক্তিৰ বিৰুদ্ধে আইনী ভাৱে কঠোৰ পদক্ষেপ গ্ৰহণৰ অনুৰোধ জনায় আঞ্চলিক শাখাৰ সভাপতি গৰাকীয়ে। আৰক্ষী থানাত ধূপধৰা আঞ্চলিক শাখাৰ লগতে আঞ্চলিকৰ অন্তৰ্গত ২৩ খন প্ৰাথমিক শাখাইও সুকীয়া সুকীয়াকৈ আহোম সংগঠনটোৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰে।

# আৰক্ষীৰ নামত দালালি, পশ্চিম যোৰহাটত এজন জালত

**ই-সংবাদ, পশ্চিম যোৰহাট, ১৯ ফেব্ৰুৱাৰীঃ** পুলিবৰ আৰক্ষী থানাৰ অন্তৰ্গত মালৌপথাৰ ৰাদ্ধনীজান গাঁৱৰ পৰা পুলিবৰ থানাৰ আৰক্ষীয়ে যোৱা নিশা আৰক্ষীৰ নামত দালালি কৰা এজন যুৱকক গ্ৰেপ্তাৰ কৰে। দালাল যুৱকজন ৰাদ্ধনীজান গাঁৱৰ প্ৰাঞ্জল শইকীয়া বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ।অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদৰ পুলিবৰ-মালৌপথাৰ আঞ্চলিক সমিতিয়ে পুলিবৰ থানাত দাখিল কৰা এজাহাৰৰ ভিত্তিত আৰক্ষীয়ে প্ৰাঞ্জল শইকীয়াক গ্ৰেপ্তাৰ কৰে।পৰিষদৰ পুলিবৰ-মালৌপথাৰ আঞ্চলিক সমিতিৰ সাধাৰণ সম্পাদক মানস বৰাই জানিবলৈ দিয়া মতে, ৩ ফেব্ৰুৱাৰীত গৰুমৰা গুৱাল গাঁৱৰ নিৱাসী জিতু বৰাৰ বিৰুদ্ধে এক



গুৰুতৰ অভিযোগত আই এছ বি টি আৰক্ষী চকীত ৰুজু হৈছিল এটা গোচৰ। উক্ত গোচৰটো আৰক্ষীৰ সৈতে মীমাংসা কৰি দিয়াৰ নামত প্ৰাঞ্জল শইকীয়াই জিতু বৰাৰ পৰিয়ালৰ পৰা নগদ ৬০ হাজাৰ টকা বিচাৰে। প্ৰথমে ৩০ হাজাৰ, পাছত ১০ হাজাৰ টকা লৈ আৰক্ষীক সৈমান কৰাব বুলি জিতু বৰাৰ পৰিয়ালটোক জনায়। প্ৰাঞ্জল শইকীয়াৰ লগত সেই স্থানৰে অনু নাথ আৰু ফুকন বৰাও জড়িত আছিল বুলি পৰিষদৰ সৈতে জড়িতসকলে জনাইছে। সেয়ে পৰিষদে সেই দুজনৰ নামো এজাহাৰত উল্লেখ কৰিছে। প্ৰাঞ্জল শইকীয়াক গ্ৰেপ্তাৰ কৰাৰ আগলৈকে জিতু বৰাৰ পৰিয়ালৰ পৰা বাকী টকা বিচাৰি হাৰাশাস্তি কৰিছিল বুলি প্ৰকাশ। আৰক্ষীয়ে প্ৰাঞ্জল শইকীয়াক গ্ৰেপ্তাৰ কৰিলেও অনু নাথ আৰু ফুকন বৰা পলাতক বুলি আৰক্ষীৰ সূত্ৰত প্ৰকাশ। পুলিবৰ থানাৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা প্ৰাঞ্জলক গোচৰ নং ৩১/২৫ ৰ ৩১৮ (৪), ৩১৬ (২), ৩০৮ (৪) ধাৰাত গোচৰ ৰুজু কৰি জে'ললৈ প্ৰেৰণ কৰিছে।

Nucleomed-পেটচিটি স্কেন / PETCT Scan- 970701223

# মৰিগাঁৱৰ দুৰ্ভগীয়া পৰিয়াললৈ মুখ্যমন্ত্ৰীৰ ১ লাখ টকাৰ অৰ্থ সাহায্য

**ই-সংবাদ, মৰিগাঁও, ১৯ ফেব্ৰুৱাৰীঃ** মৰিগাঁও জিলাৰ শুকদল সৰুবড়ি গাঁৱৰ দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ অকাল মৃত্যুক সাবটি লোৱা দৰিদ্ৰ ব্যক্তি অজয় দাসৰ পৰিয়ালটোক আজি মুখ্যমন্ত্ৰীৰ আৰ্থিক সহায়ৰ ১ লাখ টকাৰ এখন চেক প্ৰদান কৰা হয়। মুখ্যমন্ত্ৰীৰ আৰ্থিক সহায়ৰ ১ লাখ টকাৰ উক্ত চেকখন মৃতকৰ পত্নী মাইনা দাসৰ হাতত প্ৰদান কৰে মৰিগাঁৱৰ জিলা আয়ুক্ত দেৱাশীষ শৰ্মাই। উল্লেখ্য যে গাড়ী চলাই পৰিয়াল পোহপাল দি অহা অজয় দাস নামৰ লোকজন দীৰ্ঘদিন দুৰাৰোগ্য ৰোগত আক্ৰান্ত হৈ বিগত ১১ ফেব্ৰুৱাৰীত অকাল মৃত্যুক সাবটি লৈছিল। লোকজনৰ মৃত্যুৰ পিছত পত্নী, ১০ আৰু ৬ বছৰীয়া দুগৰাকী কন্যা সন্তান আৰু মাতৃ বাৰুকৈয়েই অসহায় অৱস্থাত পৰে। ১৬ জানুৱাৰীত মৰিগাঁৱত অনুষ্ঠিত অসম চৰকাৰৰ কেবিনেট বৈঠকৰ সময়ত মৃতকৰ পৰিয়ালটোৱে মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাক সাক্ষাৎ কৰি কিছু আৰ্থিক সহায়ৰ বাবে অনুৰোধ জনাইছিল। সেই সময়ত মুখ্যমন্ত্ৰীয়ে দুৰ্ভগীয়া পৰিয়ালটোক সহায় প্ৰদানৰ আশ্বাস দিয়ে। সেই অনুসৰি পৰিয়ালটোলৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১ লাখ টকা প্ৰেৰণ কৰে। ইপিনে, মুখ্যমন্ত্ৰীৰ এনে বদান্যতাক ভূয়সী প্ৰসংশা কৰিছে মৰিগাঁৱৰ বিভিন্ন মহলে।

# খাৰুপেটীয়াত অবাধে ম্যাদ উকলা খাদ্য সামগ্ৰী বিক্ৰী, নীৰৱ যোগান বিভাগ

**ই-সংবাদ, খাৰুপেটীয়া, ১৯ ফেব্ৰুৱাৰীঃ** সমাগত পবিত্ৰ ৰমজান মাহৰ পূৰ্বেই গ্ৰাহকক ঠগিবলৈ সাজু হৈছে একাংশ অসাধু পাইকাৰী বিক্ৰেতা। খাৰুপেটীয়াত তেনে এক ঘটনা সংঘটিত হোৱাৰ অভিযোগ পোৱা গৈছে। অভিযোগ মতে, দৰং জিলাৰ খাৰুপেটিয়াত এজন সুলভ মূল্য আৰু পাইকাৰী গেলামাল দোকানীয়ে দুদিন পূৰ্বে এজন খুচুৰা বিক্ৰেতা গ্ৰাহকক ম্যাদ উকলি যোৱা চেঁৰৈ বিক্ৰী কৰে। চেঁৰৈ হৈছে পবিত্ৰ ৰমজান মাহত মুছলমান লোকসকলে ইফতাৰত গ্ৰহণ কৰা এক প্ৰধান খাদ্য। ৰোজাৰ বাবে উপযোগী এইবোৰ খাদ্যতো একাংশ অসাধু ব্যৱসায়ীয়ে অধিক টকা লাভৰ আশাত ৰোজা আৰম্ভ হোৱাৰ পূৰ্বেই গ্ৰাহকক ৰামঠগন দিয়া আৰম্ভ কৰিছে। উল্লেখ যে দৰঙৰ খাৰুপেটিয়া চাৰিআলি পুৰণা মাছ বজাৰৰ কাষতে অৱস্থিত গোবিন্দ ঘোষ নামৰ সুলভ মূল্য আৰু গেলামালৰ দোকানীজনে এজন গ্ৰাহকক বিক্ৰী কৰিছিল ম্যাদ উকলি যোৱা চেঁৰৈৰ কেইবাটাও টেমা। যোৱা ৪/২/২৩ তাৰিখত তৈয়াৰ কৰা এই চেঁৰৈ পেকেটত লিখা আছে ১৮ মাহৰ ম্যাদ। আৰু সেই মতে অতিৰিক্ত ৬ মাহ সময় উকলি যোৱাৰ পিছতো দোকানীজনে গ্ৰাহকক বিক্ৰী কৰিছে এই চেঁৰৈবোৰ। অভিযোগৰ ভিত্তিত সাংবাদিকৰ দল এটাই দোকানখনত উপস্থিত হোৱাৰ পিছত ঘটনাস্থলীত সমাগম ঘটে বহু সাধাৰণ গ্ৰাহক আৰু ওচৰ চুবুৰীয়া দোকানীৰ। অসাধু ব্যৱসায়ীজনে কেমেৰা আৰু ঘটনাস্থলীত উপস্থিত হোৱা ৰাইজক দেখি দোকানত সজাই ৰখা ম্যাদ উকলি যোৱা চেঁৰৈ বস্তাত ভৰাই আঁতৰাই দিয়ে। অৱশেষত ভুক্তভোগী গ্ৰাহকজনৰ পৰা ম্যাদ উকলি যোৱা চেঁৰৈসমূহ দোকানীজনে ঘূৰাই লৈ টকা ঘূৰাই দিয়ে। উল্লেখ্য যে ভুক্তভোগী গ্ৰাহকজনৰ লগতে ঘটনাস্থলীত উপস্থিত ৰাইজে দৰং জিলা তথা অসম চৰকাৰৰ খাদ্য সুৰক্ষা বিভাগক খাৰুপেটিয়াৰ বিভিন্ন দোকানত তদন্ত মৰ্মে বিহীন ব্যৱস্থা গ্ৰহণ কৰিবলৈ আহ্বান জনায়। লগতে খাদ্য সামগ্ৰীৰ পেকেট বা টেমাসমূহ ক্ৰয়ৰ সময়ত ম্যাদ চাই ক্ৰয় কৰাৰ আহ্বান জনায় ঘটনাস্থলীত উপস্থিত থকা একাংশ লোকে।

# আগমণিত পৰিবহণ বিভাগৰ অভিযান, ৫ খন ট্ৰেক্টৰৰ পৰা ডেৰ লাখ জৰিমনা সংগ্ৰহ

**ই-সংবাদ, গোলকগঞ্জ, ১৯ ফেব্ৰুৱাৰীঃ** ধুবুৰী জিলাৰ আগমনি ৰাজহ চক্ৰ এলেকাত আজি জিলা পৰিবহণ বিভাগে অভিযান চলাই পাঁচখন ট্ৰেক্টৰৰ পৰা ডেৰ লাখ টকা জৰিমনা বিহে। জানিব পৰা মতে, হকে বিহকে গ্ৰামাঞ্চলত ইটা ভাটা গঢ়ি উঠাৰ বাবে ডাম্পাৰ-ট্ৰেক্টৰৰ দৌৰাত্ম্য বৃদ্ধি পাইছে। ট্ৰেক্টৰ-ডাম্পাৰসমূহৰে ইটা ভাটাৰসমূহত মাটিৰ যোগান ধৰা হয়। এইসমূহ ট্ৰেক্টৰ-ডাম্পাৰৰ প্ৰায় ভাগৰে প্ৰয়োজনীয় নথি-পত্ৰ নাই। তদুপৰি চালকৰো অনুজ্ঞাপত্ৰ নাই। যাৰ ফলত গ্ৰামাঞ্চলত এইসমূহ বাহনৰ দুৰ্ঘটনা বেছিকৈ সংঘটিত হৈ আহিছে। এই সন্দৰ্ভত একাধিক বাতৰি কাকতত বাতৰি প্ৰকাশ হোৱাৰ পাছতেই কিছু পৰিমাণে গা-লৰে জিলা পৰিবহণ বিভাগৰ। আজি জিলা পৰিবহণ বিষয়া পূৰবী কলিতা আৰু গোলকগঞ্জ সমজিলাৰ সহকাৰী দণ্ডাধীশ কপিল দাসৰ নেতৃত্বত এটা দলে ট্ৰেক্টৰৰ বিৰুদ্ধে অভিযান চলায়। অভিযানত ১৭ নং ৰাষ্ট্ৰীয় ঘাইপথৰ আগমনিত দুখন, হালাকুৰাত দুখন আৰু হালাকুৰা বটেৰহাট পথৰ বিদ্যাৰডাবৰী চতুৰ্থ খণ্ড গাঁৱত এখন ট্ৰেক্টৰ জব্দ কৰে। পাঁচখন ট্ৰেক্টৰৰ গৰাকীক ডেৰ লাখ টকা জৰিমনা বিহে। অভিযানকাৰী দলটোৱে ৰাষ্ট্ৰীয় ঘাইপথতে চাৰিখন ট্ৰেক্টৰ জব্দ কৰাৰ বিপৰীতে বটেৰহাটত গৈ এখন জব্দ কৰিবলৈ সক্ষম হয়। অভিযোগ মতে, ৰাষ্ট্ৰীয় ঘাইপথতকৈ গ্ৰামাঞ্চলত ট্ৰেক্টৰৰ দৌৰাত্ম্য বেছি। তেনেক্ষেত্ৰত ৰাষ্ট্ৰীয় ঘাইপথত অভিযান চলাই দায়িত্ব সামৰা বুলি বহুতে অভিযোগ কৰিছে। উল্লেখ্য যে আগমনিত অভিযান চলোৱাৰ সময়তে পাঁচশ মিটাৰ নিলগত চলিছিল ডাম্পাৰৰ দৌৰাত্ম্য। আজি পুৱাৰে পৰা ছাগলীয়া বন গাণনিক বিষয়া বৰা আৰু ফৰেষ্টাৰ জনৈক অধিকাৰীৰ লগত গোপন বুজাবুজি কৰি ভূ-মাফিয়াই ঘৰিয়ালডাঙা দ্বিতীয় খণ্ড গাঁৱৰ তেতুলতলাত জেচিবিৰে অবৈধভাৱে কৃষিভূমি খনন কৰি আছিল। তাৰ পৰাই ডাম্পাৰেৰে সদা ব্যস্ত কালডোবা বজাৰৰ মাজেৰে প্ৰেৰণ কৰিছিল বিভিন্ন স্থানলৈ।

# চামগুৰিত দুটা পৃথক দুৰ্ঘটনাত এজন নিহত, আহত ৪ জন

**ই-সংবাদ, পুৰণিগুদাম, ১৯ ফেব্ৰুৱাৰীঃ** নগাঁও জিলাৰ চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত সোণাৰীবালি অঞ্চলত আৰু বাজিয়াগাঁও অঞ্চলত আজি পৃথকে-পৃথকে সংঘটিত হোৱা পথ দুৰ্ঘটনাত এগৰাকী মহিলা থিতাতে নিহত হোৱাৰ লগতে চাৰিগৰাকী লোক গুৰুতৰভাৱে আহত হয়। ঘটনা সন্দৰ্ভত জানিব পৰা মতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত সোণাৰীবালি অঞ্চলত আজি দুপৰীয়া সময়ত এ-এছ- ০২- ই- আৰ- ৯৯৯৪ নম্বৰৰ ই-ৰিক্সাখনক এ-এছ-১২-বি-চি- ৮১৩৯ নম্বৰৰ বাঁহ কঢ়িয়াই অনা এ চি গাড়ীখনে খুন্দা মাৰে। ফলত আনোৱাৰা বেগম (৫০) নামৰ মহিলাগৰাকী থিতাতে নিহত হোৱাৰ লগতে মিনাৰা খাতুন (২৫), ইয়াছমিৰা বেগম (২৮) নামৰ মহিলা দুগৰাকীসহ আজগৰ আলী নামৰ লোকজন গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ পথ দুৰ্ঘটনাটোত গুৰুতৰভাৱে আহত হোৱা তিনিওজনকে স্থানীয় লোকৰ সহযোগত চিকিৎসাৰ বাবে নগাঁও মেডিকেললৈ প্ৰেৰণ কৰাৰ লগতে থিতাতে নিহত হোৱা মহিলাগৰাকীৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁও অসামৰিক চিকিৎসালয়লৈ প্ৰেৰণ কৰে। আনহাতে, চামগুৰি আৰক্ষী থানাৰ অন্তৰ্গত বাজিয়াগাঁও অঞ্চলত এখন অচিনাক্ত গাড়ীয়ে এখন ই-ৰিক্সাক খুন্দা মাৰে।ফলত ই-ৰিক্সাখনৰ চালকজন গুৰুতৰভাৱে আহত হয়। পৰৱৰ্তী সময়ত ঘটনাস্থলীত চামগুৰি আৰক্ষী থানাৰ আৰক্ষী উপস্থিত হৈ স্থানীয় লোকৰ সহযোগত গুৰুতৰভাৱে আহত হোৱা ই-ৰিক্সাখনৰ চালকজনক চিকিৎসাৰ বাবে নগাঁও মেডিকেললৈ প্ৰেৰণ কৰে বুলি জানিব পৰা গৈছে।

# কামপুৰত ৰে'লৰ খুন্দাত এজনৰ মৃত্যু

**ই-সংবাদ, কামপুৰ, ১৯ ফেব্ৰুৱাৰীঃ** কামপুৰ আৰু লাওপানী ৰে'ল ষ্টেচনৰ মাজৰ গুইমাৰীত আজি পুৱা ৰে'লৰ খুন্দাত এজন লোকৰ মৃত্যু হয়। মৃত লোকজন গুইমাৰী গাঁৱৰ বিপুল বৰুৱা বুলি চিনাক্ত কৰা হৈছে। ৰে'লপথ পাৰ হোৱাৰ সময়তে এখন মালবাহী ৰে'লগাড়ীয়ে খুন্দিওৱাৰ ফলতে উক্ত অঘটনটো সংঘটিত হয়। স্থানীয় লোকৰ খবৰৰ ভিত্তিত ৰে'ল আৰক্ষী উক্ত স্থানত উপস্থিত হৈ লোকজনৰ মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে নগাঁৱলৈ প্ৰেৰণ কৰে। ঘটনাটোক লৈ অঞ্চলটোত সৃষ্টি হৈছে তীব্ৰ চাঞ্চল্যৰ।

# বৰপেটাৰোডত তীব্ৰবেগী ডাম্পাৰৰ দৌৰাত্ম্য, কণমানি নিহত হোৱাক লৈ প্ৰতিক্ৰিয়া

## আছু-আমছুৰ প্ৰতিবাদ, প্ৰশাসনক ব্যৱস্থা গ্ৰহণৰ দাবী

**ই-সংবাদ, বৰপেটাৰোড, ১৯ ফেব্ৰুৱাৰীঃ** বৰপেটাৰোডৰ সমীপৰ বাজেগাঁও পথত সংঘটিত হয় এক মৰ্মান্তিক ঘটনা। তীব্ৰ বেগী ডাম্পাৰৰ খুন্দাত প্ৰাণ গ'ল এটি কণমানিৰ। এই ঘটনাই সমগ্ৰ অঞ্চলতেই শোকৰ ছাঁ পেলাইছে। তীব্ৰ বেগী ডাম্পাৰে মহটিয়াই নিলে বাগছাৰ বংশীবাৰীৰ দীপাংক সিংহা আৰু দিপালী সিংহাৰ নেহা সিংহা নামৰ এটি ডেৰ বছৰীয়া শিশুক। বৰপেটাৰোড-মানাহ সংযোগী পথৰ বাজেগাঁৱত সংঘটিত হয় এই ভয়ংকৰ পথ দুৰ্ঘটনাটো। যাৰ ফলত থিতাতে নিহত হয় ডেৰ বছৰীয়া শিশুটি। আনহাতে, দুৰ্ঘটনা সংঘটিত কৰিয়ে AS-28 C-9975 নম্বৰৰ ডাম্পাৰৰ চালকজন ঘটনাস্থলীৰ পৰা পলায়ন কৰে। ঘটনাৰ বিৱৰণি অনুসৰি, সন্ধিয়া AS-28 B-2623 নম্বৰৰ হোণ্ডা স্কুটিৰে বৰপেটাৰোডৰ পৰা নিজ ঘৰ অভিমুখে আহি আছিল বাগছাৰ বংশীবাৰীৰ দীপাংক সিংহা, দিপালী সিংহা আৰু তেওঁলোকৰ শিশু কন্যা নেহা সিংহা। আহি থকা সময়তেই পথৰ ওপৰত পেলাই থোৱা শিলত খুন্দা খাই স্কুটিখন পিছলি পৰাত ডেৰ বছৰীয়া শিশুটি চিটিকি ৰাস্তাত পৰে। সেই সময়তেই বিপৰীত দিশৰ পৰা আহি থকা তীব্ৰ বেগী ডাম্পাৰে মহটিয়াই লৈ যায় কণমানি নেহা সিংহাক। যাৰ ফলত থিতাতেই মৃত্যু হয় ডেৰ বছৰীয়া শিশুটিৰ। দীৰ্ঘদিন ধৰি বৰপেটাৰোড-মানাহ সংযোগী পথটোৰ জৰাজীৰ্ণ অৱস্থাৰ বিষয়ে বিভিন্ন সময়ত বাতৰি প্ৰচাৰ কৰাৰ লগতে বিভিন্ন সংগঠনে প্ৰতিবাদ সাব্যস্ত কৰি আহিছিল যদিও জৰাজীৰ্ণ পথটো মেৰামতি কৰাৰ নাছিল। কিন্তু মঙলবাৰে পুৱা পথটোৰ মেৰামতি কৰাৰ নামত পথৰ ওপৰত ডাঙৰ ডাঙৰ শিল পেলাই থৈ যায়। পেলাই থোৱা সেই শিলৰ বাবে এই দুৰ্ঘটনা সংঘটিত হোৱা বুলি প্ৰত্যক্ষদৰ্শী একাংশই জনায়। আনহাতে একাংশ শিল-বালি মহলে দৈনিক শ শ ডাম্পাৰ-ট্ৰেক্টৰেৰে শিল-বালি কঢ়িয়াই অহাৰ বাবে পথটোৰ বিভিন্ন ঠাইত প্ৰকাণ্ড প্ৰকাণ্ড গাঁতৰ সৃষ্টি হৈছে, যাৰ ফলত যাতায়াতৰ বাবে যথেষ্ট কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছে ৰাইজ। উক্ত দুৰ্ঘটনা সংঘটিত হোৱাৰ পিছতেই জাঙুৰ খাই উঠিছে বিভিন্ন দল-সংগঠনৰ লগতে স্থানীয় ৰাইজ। এইক্ষেত্ৰত বৰপেটা জিলা ছাত্ৰ সন্থাৰ উপ-সভাপতি অৰ্ণৱ জ্যোতি শৰ্মাই কয় যে কালি নিশা বৰপেটাৰোডত যিটো ঘটনা সংঘটিত হৈছে তাৰ বাবে জগৰীয়া ঠিকাদাৰ আৰু বিভাগীয় কৰ্তৃপক্ষ, সমান্তৰালকৈ ডাম্পাৰ। কিয়নো মানাহ সংযোগী উক্ত পথছোৱা বিগত কেইবাবছৰ ধৰি জৰাজীৰ্ণ অৱস্থাত আছে, যাৰ ফলত কেইবাটাও পথ দুৰ্ঘটনা সংঘটিত হৈছে। কেইবাজনো লোকে প্ৰাণ হেৰুৱাবলগীয়া হৈছে। কালি কোনোৱা এজন ঠিকাদাৰে উক্ত পথছোৱা মেৰামতিৰ অচিলাৰে বৃহৎ বৃহৎ বল্ডাৰ ৰাজপথৰ মাজত পেলাই থৈ গৈছে লগতে ডাম্পাৰৰ অতপালিৰ বাবে এটি নিষ্পাপ দেৰ শিশুৱে মৃত্যুক আঁকোৱালি ল'বলগীয়া হৈছে। শৰ্মাই কয় যে যদি অনাগত দিনত ডাম্পাৰ চালকসকলক নাকি লগোৱাৰ লগতে মানাহ সংযোগী পথছোৱা অতি সোনকালেই নিৰ্মাণ কৰা নহয় তেন্তে ইয়াৰ বিৰুদ্ধে তীব্ৰ আন্দোলন গঢ়ি তুলিব সদৌ অসম ছাত্ৰ সন্থাই। তেওঁ কালিৰ দুৰ্ঘটনাৰ বাবে ঠিকাদাৰজনক তদন্তৰ আওতালৈ আনিবলৈ আহ্বান জনায়। এই ক্ষেত্ৰত আজি বৰপেটাৰোড আছু আৰু বৰপেটা জিলা আছুৱে পথটো শীঘ্ৰে মেৰামতি কৰাৰ লগতে মৃতকৰ পৰিয়ালক ক্ষতি পূৰণ দিয়াৰ দাবী জনাইছে।

# জাগীৰোডত বিপদজনক দলঙৰ ত্ৰুটি দূৰ কৰিবলৈ যুৱ-ছাত্ৰ পৰিষদৰ সম-জিলা আয়ুক্তলৈ স্মাৰক পত্ৰ প্ৰদান

**ই-সংবাদ, জাগীৰোড, ১৯ ফেব্ৰুৱাৰীঃ** জাগীৰোড সম-জিলা আয়ুক্তক বুধবাৰে অসম জাতীয়তাবাদী যুৱ-ছাত্ৰ পৰিষদে এখন স্মাৰক পত্ৰ প্ৰদান কৰে। যুৱ-ছাত্ৰ পৰিষদ জাগীভকতগাঁও আঞ্চলিক সমিতিৰ ভাঃ সভাপতি যতিন ডেকা আৰু সাধাৰণ সম্পাদক দুলু ডেকাৰ স্বাক্ষৰিত স্মাৰক পত্ৰখনত উল্লেখ থাকে যে, বিগত ১ ফেব্ৰুৱাৰীত ৰাইজৰ সুবিধাৰ্থে অসমৰ মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই কপিলী নৈ ওপৰত থকা জাগী ভকতগাঁও দলং খন শুভ মুকলি কৰে। কিন্তু বহু আন্দোলনৰ ফলশ্ৰুতিত ৰাইজে উপহাৰ পোৱা দলং খন বৰ্তমানেও বিপদমুক্ত নহয়। কিয়নো জাগী ভকতগাঁও দলঙৰ দুই মূৰৰ দুটা চাৰিআলিয়ে বিপদ মাতিছে। কিন্তু দলংখনৰ দুয়ো মূৰে থকা দুটা গুৰুত্বপূৰ্ণ চাৰিআলি আৰু এটা কেঁকুৰি এতিয়া চালক সকলৰ বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। বিশেষকৈ দলংখনৰ উত্তৰ দিশে থকা জাগী ভকতগাঁও চাৰিআলিটো বৰ্তমান সময়ত অতি বিপজ্জনক হৈ পৰাত সকলো চালকৰ বাবে চিন্তাৰ কাৰণ হৈ পৰিছে। নতুন দলংখনৰ বাবে সৃষ্টি হোৱা এই চাৰিআলিযুক্ত পথছোৱা যথেষ্ট ওখ হোৱাত বাহনসমূহ চাৰিআলিটোত উঠাৰ লগে লগে জাগীৰোডমুখী বাহনবোৰ ঘূৰাবলৈ জটিল হৈ পৰা পৰিলক্ষিত হৈছে। ডাঙৰ আৰু গধূৰ বাহনবোৰ ঘুৰাবলৈ যথেষ্ট ঠাইৰ প্ৰয়োজন হোৱাত আন বাহনবোৰ ৰৈ যাবলৈ বাধ্য হৈ পৰে। তেনে পৰিস্থিতিত জাগীৰোড বা মৰিগাঁও দিশৰপৰা দ্ৰুতগতিৰে অহা বাহনসমূহ হঠাতে ৰাখিবলৈ যাওতে দুৰ্ঘটনা হোৱাৰ আশংকাৰ উদ্ভৱ হৈছে। বিগত দিনসমূহত কেইবাটাও সৰু বৰ দুৰ্ঘটনা সংঘটিত হোৱাৰ লগতে কেবাটাও ভয়ংকৰ দুৰ্ঘটনাৰ পৰা ৰক্ষা পৰিছে। আনহাতে, দলংখনৰ দক্ষিণ দিশে থকা বাংঠাই গাঁও চাৰিআলিটোতো সমানেই দুৰ্ঘটনাৰ আশংকাই দেখা দিছে। সেয়ে দলং খনৰ দুই মূৰত দূৰ্ঘটনা সংঘটিত নহবৰ বাবে নিৰ্দিষ্ট স্থানত সংকেত চিহ্ন, ডাঙৰ আকৃতিৰ উত্তল দাপোন লগতে প্ৰয়োজন সাপেক্ষে যান বাহন নিয়ন্ত্ৰণ শাখাৰ আৰক্ষী নিয়োগ কৰিবলৈ স্মাৰক পত্ৰৰ জৰিয়তে আহ্বান জনায়। উক্ত কাৰ্যসূচীত জিলা উপদেষ্টা জ্যোতিৰ্ময় গোস্বামী, সাংস্কৃতিক সম্পাদক সংগ্ৰাম ডেকা আৰু আঞ্চলিক সমিতিৰ উপ সভাপতি মধু ডেকাৰ লগতে একাংশ যুৱ-ছাত্ৰ নেতা উপস্থিত থাকে।

# ৰাণীৰ ভোলাগাঁৱত চোৰাং কাঠ জব্দ, ২জনক আটক

**ই-সংবাদ, মিৰ্জা, ১৯ ফেব্ৰুৱাৰীঃ** পলাশবাৰী আৰক্ষী থানাৰ অন্তৰ্গত তথা ৰাণী বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত ভোলাগাঁৱত বন বিভাগে যোৱা ১৫ ফেব্ৰুৱাৰীত বৃহৎ সংখ্যক ফলা কাঠ জব্দ কৰাৰ লগতে এই বনাঞ্চলিক কাৰ্যালয়ৰ অন্তৰ্গত নালাপাৰা খণ্ড বন-কাৰ্যলয়ৰ নালাপাৰা অঞ্চলটোৰ পৰা চোৰাংকৈ গছ কটা দুজন লোকক পৃথকে পৃথকে আটক কৰে ৰাণীৰ বন বিভাগে। এক গোপন খবৰৰ ভিত্তিত ভোলাগাঁৱত বন বিভাগে অভিযান চলাই এই ফলা কাঠখিনি জব্দ কৰে। এই কাঠসমূহ ৰাণী বনাঞ্চলিক কাৰ্যালয়ত ৰখা হয়। ইপিনে, চোৰাংকৈ গছ কটাৰ অপৰাধত বিৰাজ ৰাভা আৰু সুৱনেশ্বৰ দাসক নালাপাৰা শুকুৰবেৰীয়া অঞ্চলটোৰ পৰা আটক কৰে ৰাণীৰ বন বিভাগে। বনবিভাগে এই দুজন লোকৰ বিৰুদ্ধে পৃথককৈ বন গোচৰ ৰুজু কৰি লোক দুজনক জে'ললৈ প্ৰেৰণ কৰে বুলি জানিবলৈ দিয়ে বন বিভাগে।

# নগাঁৱৰ পশ্চিমাঞ্চলৰ বজাৰত হঠাৎ পিঁয়াজৰ মূল্যবৃদ্ধি, গ্ৰাহকৰ মাজত হাহাকাৰ

**ই-সংবাদ, বেবেজীয়া, ১৯ ফেব্ৰুৱাৰীঃ** ৰাজ্যত নিত্য ব্যৱহাৰ্য সামগ্ৰীৰ মূল্যবৃদ্ধিয়ে জনসাধাৰণক জুৰুলা কৰি অহাৰ সময়তে হঠাত নগাঁও জিলাৰ পশ্চিমাঞ্চলৰ বজাৰত পিয়াজৰ মূল্যবৃদ্ধিয়ে গ্ৰাহকসকলক স্তম্ভিত কৰি তুলিছে। আচলতে, জিলাখনৰ পশ্চিম প্ৰান্তৰ গ্ৰামাঞ্চলৰ বিভিন্ন বজাৰ সমূহত বিগত দুটা দিনৰ পৰা পিয়াজৰ মূল্য প্ৰতিকেজিত ৪০ টকাৰ পৰা একেকোবে ৫০ টকা হোৱাৰ ফলত গ্ৰাহক সকলৰ মাজত হাহাকাৰ পৰিস্থিতিৰ সৃষ্টি হৈছে। উল্লেখ্য যে, জিলাখনৰ পশ্চিমাঞ্চলৰ বেবেজীয়া, জাজৰি, ফুলগুৰি, জামুগুৰি, শান্তিজান, কহিগুৰি, বৰিবজাৰ, ভালুকমাৰী, কদমনি, ডুমডুমীয়া-বালিসত্ৰ, ধূপগুৰি, বেছামাৰী, আলিটাঙনি, ধিং, দলংঘাট আদিত থকা সাপ্তাহিক আৰু অৰ্ধ সাপ্তাহিক বজাৰকেইখন গঞ্জাৰাইজৰ বাবে অতি গুৰুত্বপূৰ্ণ বজাৰ। এই বজাৰ কেইখনত শাক-পাচলিকে ধৰি আলু, পিয়াজ, জলকীয়া আদি কেচা সামগ্ৰী প্ৰতিদিনে জিলাখনৰ প্ৰতিটো প্ৰান্তৰ ব্যৱসায়ীসকলে আহি ক্ৰয় কৰি খুচৰা বজাৰত বিক্ৰী কৰাৰ লগতে আন একাংশ ব্যৱসায়ীয়ে এই সামগ্ৰীবোৰ ক্ৰয় কৰি যোৰহাট, গুৱাহাটী, ডিব্ৰুগড়, তিনিচুকীয়া, শিৱসাগৰ আদি বিভিন্ন স্থানলৈ সৰবৰাহ কৰে। কিন্তু এইকেইদিনত উক্ত বজাৰ কেইখনত আশ্চৰ্যজনকভাৱে পিয়াজৰ দাম প্ৰতিকেজিত ৪০ ৰ পৰা ৫০ টকা হোৱাত গ্ৰাহকসকলৰ লগতে ক্ষুদ্ৰ ব্যৱসায়ীসকলো একপ্ৰকাৰে বিপাঙত পৰিছে। আনকি পিয়াজৰ দাম হঠাতে এইদৰে দ্ৰুত গতিত বৃদ্ধি পোৱাৰ পাছত ক্ষুদ্ৰ ব্যৱসায়ী সকল জাণ্ডৰ খাই উঠিছে। কোৱাটো সমীচিন যে, সাধাৰণতে ফেব্ৰুৱাৰী মাহৰ এই সময়ছোৱাত স্থানীয় কৃষকে যথেষ্ঠ সংখ্যক পিয়াজ উৎপাদন কৰে। যাৰ ফলত বিগত বৰ্ষবোৰত এনে সময়ত পিয়াজৰ মূল্য প্ৰতিকেজিত ১০-২০ টকা মূল্যহে হৈছিল। পিছে এইবেলি স্থানীয় কৃষকৰ পিয়াজ উৎপাদন হৈ থকাৰ সময়টো এনেদৰে কেজিয়ে প্ৰতি ৪০-৫০ টকা মূল্যত পিয়াজ কিনিবলৈ গৈ গ্ৰাহক সকল হতচকিত হৈছে। সেয়ে পিয়াজৰ এনে দামবৃদ্ধিৰ ক্ষেত্ৰত শীঘ্ৰে ব্যৱস্থা গ্ৰহনৰ বাবে জিলা প্ৰশাসনৰ প্ৰতি সচেতন ৰাইজে অনুৰোধ জনাইছে।

# মিৰ্জাত অগপৰ কামৰূপ জিলাৰ বৰ্ধিত কাৰ্যনিৰ্বাহক সভা

**ই-সংবাদ, মিৰ্জা, ১৯ ফেব্ৰুৱাৰীঃ** পঞ্চায়ত নিৰ্বাচনলৈ মাজত মাত্ৰ কেইটামান সপ্তাহ বাকী। আমাৰ দলে আগন্তুক পঞ্চায়ত নিৰ্বাচনৰ বাবে ইতিমধ্যে ৰণকৌশল তৈয়াৰ কৰিছে। কামৰূপ জিলাৰ ছয়টা বিধানসভা সমষ্টিতেই দলে তীব্ৰ প্ৰতিদ্বন্দ্বিতা আগবঢ়োৱাটো নিশ্চিত। বৰ্তমানলৈ বিজেপি দলৰ সৈতে মিত্ৰতা সম্পৰ্কত আমাৰ একো আলোচনা হোৱা নাই। অৱশ্যে সন্মানজনক মিত্ৰতাৰ বাবে দুৱাৰ খোলা আছে।- এই মন্তব্য অগপৰ নেতা তথা দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ডাঃ কমলাকান্ত কলিতাৰ। যোৱা ১৫ ফেব্ৰুৱাৰীত মিৰ্জাৰ সাতপাৰা দুৰ্গাপূজা প্ৰাংগণত অগপৰ কামৰূপ জিলাৰ এখন বৰ্ধিত কাৰ্যনিৰ্বাহক সভাত অংশগ্ৰহণ কৰি পলাশবাৰী অগপৰ নেতা তথা দলৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক ডাঃ কমলাকান্ত কলিতাই এইদৰে মন্তব্য কৰে। দলৰ জিলা সভাপতি খগেন নাথৰ সভাপতিত্বত অনুষ্ঠিত হোৱা গুৰুত্বপূৰ্ণ সভাখনত ডাঃ কলিতাই দলৰ নিষ্ঠাৱান কৰ্মীসকলে জিলাখনত দলৰ হৃত মৰ্যাদা পুণৰুদ্ধাৰৰ ক্ষেত্ৰত যথেষ্ট কৰিবলগীয়া আছে বুলিও মন্তব্য কৰে। আনহাতে, সভাখনত অংশগ্ৰহণ কৰি কমলপুৰ সমষ্টিৰ প্ৰাক্তন বিধায়ক সত্যব্ৰত কলিতাই প্ৰতিগৰাকী অসমীয়া মানুহৰ শৰীৰত অগপৰ তেজ বৰ্তমানো প্ৰবহমান হৈ আছে বুলি কয়। আগন্তুক নিৰ্বাচনত দলৰ তৃণমূলৰ পৰা নেত্ৰীলৈ প্ৰতিগৰাকী কৰ্মীয়ে নিষ্ঠাৰে কাম কৰিব বুলিও তেওঁৰ গভীৰ বিশ্বাস। জিলাখনৰ ছয়টা বিধানসভা সমষ্টিৰ পৰা অহা দুই শতাধিক কৰ্মীৰ উপস্থিতিত হোৱা সভাখনত বকো সমষ্টিৰ প্ৰাক্তন বিধায়ক জ্যোতিপ্ৰসাদ দাস, জিলাৰ সম্পাদকদ্বয় পৰমেশ্বৰ বৰ্মন আৰু শুভৰাম দাস প্ৰমুখ্যে বহুকেইজন দায়িত্বশীল নেতা-কৰ্মীয়ে অগপই আজীৱন জাতীয় দায়বদ্ধতাৰ দিশটোক অগ্ৰাধিকাৰ দি অহাৰ কথাটো প্ৰতিগৰাকী অসমীয়াই জানে বুলি কয়।

# ডিগাৰুতৰ কাৰ্বি দেহাল কাচিৰ্দম উৎসৱত পথ-সুৰক্ষাৰ জনসচেতনতা অনুষ্ঠান পৰিবহণ বিভাগৰ

**গুৱাহাটী, ১৯ ফেব্ৰুৱাৰীঃ** সমাজৰ সৰ্বস্তৰতে পথ-সুৰক্ষা সজাগতাৰ ব্যাপক জনসচেতনতা গঢ়ি তোলাৰ বাবে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই দিয়া নিৰ্দেশনাত পৰিবহণ বিভাগে বিভিন্ন সামাজিক-সাংস্কৃতিক অনুষ্ঠানৰ মঞ্চত ব্যতিক্ৰমী কাৰ্যসূচী অব্যাহত ৰাখিছে। যোৱা ১৮ফেব্ৰুৱাৰী, মঙ্গলবাৰে নিশা ডিমৰীয়া সমষ্টিৰ অন্তৰ্গত ডিগাৰুৰ চেনীমূৰত অনুষ্ঠিত কেন্দ্ৰীয় কাৰ্বি দেহাল (ৰংকেৰ) কাচিৰ্দম উৎসৱৰ সাংস্কৃতিক সন্ধিয়াত ৰাজ্যৰ পৰিবহণ বিভাগৰ বিশেষ কতৰ্ব্যৰত বিষয়া আৰু কামৰূপ মহানগৰ জিলাৰ অতিৰিক্ত দায়িত্বৰাহী জিলা পৰিবহণ বিষয়া গৌতম দাসৰ তত্বাৱধানত সহস্ৰাধিক ৰাইজৰ উপস্থিতিত পথ-সুৰক্ষাৰ গুৰুত্বপূৰ্ণ সজাগতা কাৰ্যসূচী অনুষ্ঠিত হয়। অনুষ্ঠানত বৃহৎ সংখ্যক জনগনৰ উপস্থিতিত দেহাল উৎসৱৰ উপদেষ্টা অজয় ইংতি, সভাপতি লক্ষেশ্বৰ ৰংহাং, লেনিন বৰুৱা ৰংহাং, সম্পাদক ধীৰেন ৰংহাং আৰু মিলন ৰংপিৰ সম্বৰ্ধনা গ্ৰহণ কৰি পৰিবহণৰ উচ্চপদস্থ বিষয়াগৰাকীয়ে কাৰ্বি দেহাল (ৰংকেৰ) কাচিৰ্দম উৎসৱৰ মাহাত্ম্য সন্দৰ্ভত ব্যক্তব্য আগবঢ়ায়। ইয়াৰ পিছতে তেওঁ "দেহা থাকিলেহে বেহা" বুলি উল্লেখ কৰি সুৰক্ষিত আৰু দুৰ্ঘটনামুক্ত জীৱন যাপনৰ বাবে পথৰে যাতায়াত কৰা সকলো শ্ৰেণীৰ লোককে পথ-সুৰক্ষাৰ সজাগতাক অগ্ৰাধিকাৰ দিবলৈ আহ্বান জনায়। সমগ্ৰ ভাৰতবৰ্ষৰ লগতে অসমত সংঘটিত পথ দুৰ্ঘটনাত নিহতৰ উপৰি গুৰুতৰভাৱে আহত হৈ পঙ্গুত্ব কটাবলগীয়া লোকৰ তথ্য সদৰি কৰি পথ দুৰ্ঘটনাই দেশৰ আৰ্থ-সামাজিক ক্ষেত্ৰলৈ কঢ়িয়াই অনা ভয়াবহতাৰ কথা উল্লেখ কৰে। একেদৰে যানবাহন ব্যৱহাৰকাৰীৰ সামাজিক দায়বদ্ধতা আৰু নৈতিক কতৰ্ব্যবোধ সন্দৰ্ভত উল্লেখ কৰি পথ সুৰক্ষাৰ সজাগতা-সচেতনতাক অভ্যাস তথা সংস্কৃতিত পৰিণত কৰিবলৈ তেওঁ আহ্বান জনায়। যানবাহন চলাওঁতে নীতিনিয়ম মানি সুৰক্ষিত যাতায়াত অব্যাহত ৰাখিব পাৰিলে আমি সকলোৱে মিলি অসমক নিঃসন্দেহে এখন দুৰ্ঘটনামুক্ত ৰাজ্য হিচাপে গঢ়ি তুলিব পাৰিম বুলিও পৰিবহণৰ উচ্চপদস্থ বিষয়াগৰাকীয়ে গুৰুত্বপূৰ্ণ বক্তব্য আগবঢ়াই। উল্লেখ্য যে, এজন কলেজীয়া ছাত্ৰই সহপাঠীৰ সঙ্গত পৰি হেলমেট পৰিধান নকৰাকৈ দ্ৰুতগতিত বাইক চলাই ভয়ংকৰ দুৰ্ঘটনাত পতিত হৈ মগজুৰ ভাৰসাম্যতা হেৰুৱাই ওৰেটো জীৱন পঙ্গুত্ব কটাবলগীয়া হোৱা বাস্তৱৰ এটি জীয়া কাহিনীৰ আধাৰত ৰচিত এখন সজাগতামূলক নাটক প্ৰদৰ্শন কৰি সাংস্কৃতিক সন্ধিয়াৰ নতুন প্ৰজন্মৰ শ্ৰোতা-দৰ্শককে ধৰি সকলো শ্ৰেণীৰ ৰাইজৰ মাজত সজাগতা সৃষ্টিৰ প্ৰয়াস কৰা হয়। ইফালে বিশিষ্ট কণ্ঠশিল্পী দীনেশ দাস, যানবাহন পৰিদৰ্শক জয়সিং ৰংফাৰ আৰু শিল্পী গোপেশ চৌধুৰীয়ে পথ সুৰক্ষা গীত পৰিৱেশন কৰি দৰ্শকক আপ্লুত কৰে।

# টাইপাৰ বিৰুদ্ধে শংকৰদেৱ সংঘৰ ২৬৪খন এজাহাৰ দাখিল

**ই-সংবাদ, তিতাবৰ, ১৯ ফেব্ৰুৱাৰীঃ** শংকৰদেৱ সংঘ আৰু টাই আহোম যুৱ পৰিষদৰ মাজৰ সংঘাত ক্ৰমান্বয়ে জটিল ৰূপ ধাৰণ কৰিছে। ফিৰিঙতিৰ পৰা খণ্ডৱ দাহ হোৱাৰ দৰে এই দুই সংগঠনৰ মাজৰ উত্তেজনা যেন দিনক দিনে বাঢ়ি আহিছে। টাই আহোম যুৱ পৰিষদৰ সদস্যসকলে শ্ৰীমন্ত শংকৰদেৱ সংঘৰ সংবিধানৰ প্ৰতিলিপি জুলাই প্ৰতিবাদ কৰাৰ ঘটনাত শংকৰদেৱ সংঘৰ ভকত আৰু বৈষ্ণৱসকল ক্ষুব্ধ হৈ পৰিছে। আজি তিতাবৰৰ শংকৰদেৱ সংঘৰ জিলা নামঘৰত প্ৰায় পাঁচশতাধিক ভকত-বৈষ্ণৱ একগোট হৈ এক সমদল গঠন কৰে। তেওঁলোকে হাতে-হাতে এজাহাৰ লৈ তিতাবৰ আৰক্ষী চকীত উপস্থিত হৈ টাই আহোম যুৱ পৰিষদৰ বিৰুদ্ধে ২৬৪ খন এজাহাৰ দাখিল কৰে। তিতাবৰ আঞ্চলিক শাখাৰ লগতে কেইবাখনো প্ৰাথমিক শাখাৰ সদস্যসকলে এই সমদলত সক্ৰিয়ভাৱে অংশগ্ৰহণ কৰে। তিতাবৰ আঞ্চলিক শাখাৰ সভাপতিয়ে সাংবাদিকক দিয়া এক সাক্ষাৎকাৰত কয়, "টাই আহোম যুৱ পৰিষদৰ সংগঠনৰ সৈতে আমাৰ কোনো সংঘাত নাই। এই সংঘাত কেৱল সংগঠনটোৰ ভিতৰত থকা কিছু দুষ্কৃতিকাৰীৰ বিৰুদ্ধেহে। ভৱিষ্যতত যাতে কোনো ব্যক্তিয়ে এনে কাম কৰিবলৈ সাহস নকৰে, তাৰ বাবে চৰকাৰে উপযুক্ত প্ৰদক্ষেপ গ্ৰহণ কৰিব লাগে।" ইফালে, তিতাবৰৰ বৰহোলা আৰক্ষী চকীত শ্ৰীমন্ত শংকৰদেৱ সংঘৰ কেইবা শতাধিক ভকতে টাই আহোম যুৱ পৰিষদৰ বিৰুদ্ধে এজাহাৰ দাখিল কৰা বুলি জানিব পৰা গৈছে।

# মেঘালয়ৰ কয়লা খনিত মৃত্যু অসমৰ যুৱকৰ

**ই-সংবাদ, বৰপেটাৰোড, ১৯ ফেব্ৰুৱাৰীঃ** মেঘালয়ৰ কয়লা খনিত কৰ্মৰত অৱস্থাত বৰপেটাৰোডৰ বংশিবাৰীৰ যুৱক বিপুল বৰ্মনৰ মৃত্যুৰ বাতৰিয়ে অঞ্চলটোত শোকৰ ছাঁ পেলাইছে। উল্লেখ্য যে, দৰিদ্ৰ পৰিয়ালৰ একমাত্ৰ উপাৰ্জনকাৰী বিপুলে তেওঁৰ ৰুগীয়া দুই সন্তানৰ চিকিৎসাৰ খৰছৰ বাবে দুমাহ আগতে মেঘালয়লৈ গৈছিল। তাত তেওঁ এটা কয়লা খনিত কা কৰি আছিল। কৰ্মৰত অৱস্থাতে মৃত্যু ঘটে যুৱকজনৰ। তেওঁৰ মৃত্যুয়ে শোকস্তব্ধ কৰিছে পৰিয়ালটোক। স্থানীয়সকলে অবৈধ কয়লা খনন বন্ধ কৰি এনে দুৰ্ঘটনা ৰোধ কৰিবলৈ চৰকাৰৰ পৰা কঠোৰ ব্যৱস্থা গ্ৰহণৰ দাবী জনাইছে।



কৰাচীত অনুষ্ঠিত চেম্পিয়নছ ট্ৰফীৰ প্ৰথমখন খেলত পাকিস্তানৰ বিৰুদ্ধে শতক অৰ্জন নিউজিলেণ্ডৰ উইল ইয়ঙৰ

## চেম্পিয়নছ ট্ৰফীৰ পূৰ্বেই ভাৰতৰ হাতত পৰাজিত হ'ল পাকিস্তান!

# বাবৰক চেৰ পেলাই এদিনীয়াৰ শীৰ্ষ ৰেংকিঙত অধিষ্ঠিত শুভমন গিল

**নতুন দিল্লী, ১৯ ফেব্ৰুৱাৰীঃ** ৰাজকুমাৰৰ পৰা ৰজালৈ! আইচিচি চেম্পিয়নছ ট্ৰফী ২০২৫ৰ পূৰ্বে এদিনীয়া ক্ৰিকেটৰ শীৰ্ষ বেটছমেন হিচাপে স্বীকৃতি লাভ কৰিছে শুভমন গিলে। ভাৰতীয় অ'পেনাৰগৰাকীয়ে এতিয়া এদিনীয়া ৰেংকিঙত এক নম্বৰ স্থান দখল কৰি দীৰ্ঘদিন ধৰি শীৰ্ষ স্থান দখল কৰি থকা পাকিস্তানী তাৰকা ক্ৰিকেটাৰ বাবৰ আজমক চেৰ পেলাইছে।শেহতীয়াকৈ টেষ্টত গিলৰ প্ৰদৰ্শন সন্তোষজনক নাছিল, আৰু টি-২০তো তেওঁ নিয়মীয়াকৈ সুযোগ লাভ কৰিবলৈ সক্ষম হোৱা নাছিল। অৱশ্যে এদিনীয়া ফৰ্মেটত তেওঁ ভাৰতীয় ব'ৰ্ডৰ বাবে আত্মবিশ্বাসৰ প্ৰতীক হৈ পৰিছে। ইংলেণ্ডৰ বিৰুদ্ধে সদ্য সমাপ্ত শৃংখলাত তেওঁক উপ-অধিনায়কৰ দায়িত্ব দিয়া হৈছিল আৰু তেওঁ নিজৰ কৰ্তব্য প্ৰশংসনীয়ভাৱে পালন কৰিছিল। শুভমনে তিনিখন মেচত এটা শতক আৰু দুটা অৰ্ধশতকৰ সহায়ত ২৫৯ ৰান সংগ্ৰহ কৰি সৰ্বাধিক ৰান সংগ্ৰহকাৰীৰ তালিকাত স্থান লাভ কৰে। এই উৎকৃষ্ট ফৰ্মৰ পুৰস্কাৰ হিচাপে এতিয়া আইচিচিৰ ৰেংকিঙত শীৰ্ষস্থান দখল কৰিছে গিলে। আইচিচিৰ শেহতীয়া ৰেংকিঙ অনুসৰি গিলে ৭৯৬ ৰেটিং পইণ্টেৰে এদিনীয়া বেটছমেন তালিকাত এক নম্বৰ স্থানলৈ উন্নীত হৈছে। আনহাতে, দীৰ্ঘদিন ধৰি শীৰ্ষত থকা বাবৰ আজমে ৭৭৩ পইণ্টেৰে দ্বিতীয় স্থানলৈ নামি আহিছে। বাবৰৰ শেহতীয়া ফৰ্ম আশা কৰা ধৰণে প্ৰদৰ্শিত হোৱা নাই। শেহতীয়া ছিৰিজত কিছু ৰান সংগ্ৰহ কৰাৰ পিছতো ডাঙৰ ইনিংছৰ অভাৱত শীৰ্ষ স্থান হেৰুৱাবলগীয়া হৈছে বাবৰে। আনহাতে, টেষ্ট বেটছমেনৰ তালিকাত ৭৬১ ৰেটিং পইণ্টেৰে তৃতীয় স্থানত আছে ভাৰতীয় অধিনায়ক ৰোহিত শৰ্মা। বিৰাট কোহলী ষষ্ঠ স্থানত থকাৰ বিপৰীতে শ্ৰেয়াছ আয়াৰে নৱম স্থানলৈ উন্নীত হৈছে। বলাৰৰ তালিকাত চতুৰ্থ সৰ্বোচ্চ স্থানত আছে ভাৰতৰ কুলদীপ যাদৱ। কোৱা বাহুল্য যে এই শীৰ্ষ স্থানে চেম্পিয়নছ ট্ৰফীৰ পূৰ্বে গিলৰ আত্মবিশ্বাস আৰু অধিক বৃদ্ধি কৰিব। এদিনীয়া ক্ৰিকেটৰ ভাৰতৰ নতুন 'ৰজা'জনে চেম্পিয়নছ ট্ৰফীত নিজৰ আধিপত্য বজাই ৰাখিব পাৰিবনে নাই সেয়া লক্ষ্যণীয় হ'ব।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# মুখ্যমন্ত্ৰীক সহায় ভিক্ষা

নগৰত সোমবাৰে নিশা অৰূপ বিশাল নামৰ এগৰাকী বিজেপিৰ পালিনেতাৰ দ্বাৰা প্ৰহৃত হোৱা একে অঞ্চলৰে শাৰীৰিক ভাৱে সক্ষম দম্পতী মহোৰাম দাস আৰু ৰেণু দাসে ন্যায় বিচাৰি মুখ্যমন্ত্ৰীলৈ কাতৰ অনুৰোধ জনাইছে। কিয়নো বিনা কাৰণতে দম্পতীহালৰ বাসগৃহত সোমাই আক্ৰমণ কৰা অৰূপ বিশাল নামৰ যুৱক জনক আৰক্ষীয়ে থানালৈ মাতি নিয়েই জামিন দিয়ে। এনেদৰে কোনো ধৰণৰ সোধপোছ নকৰাকৈয়ে ঘৰলৈ যাবলৈ দিয়া দিয়া কাৰ্যত বৃহত্তৰ শুৱালকুছি অঞ্চলত সচেতন ৰাইজে আশ্বাৰ্য প্ৰকাশ কৰিছে। আইন সকলোৰে বাবে সমান হোৱাটো বাঞ্ছনীয়। কেৱল বিজেপিৰ পালিনেতা হোৱাৰ সুবাদতে এনেদৰে যাবলৈ দিয়া বুলি মন্তব্য কৰে সচেতন ৰাইজে। অৱশ্যে শুৱালকুছি আৰক্ষী থানাত আৰক্ষীয়ে ভুক্তভোগীৰ এজাহাৰৰ ভিত্তিত ১৮/২৫ নম্বৰত গোচৰ পঞ্জীয়ন কৰি ভাৰতীয় ন্যায় সংহিতাৰ অধীনত (বিএনএছ) ৩২৯ (৩), / ১১৫(২), ৩২৪(৪), / ১৩১/২৯৬ /৩৫১(২) কেছ ৰজু কৰিয়েই আৰক্ষীয়ে দায়িত্ব সামৰিছে। কেৱল বিজেপিৰ পালিনেতা হোৱাৰ সুবাদতে শুৱালকুছি আৰক্ষীয়ে নামমাত্ৰ তদন্ত কৰিয়ে দায়িত্ব সামৰিব বিচাৰিছে নেকি এইয়া ৰাইজৰ মাজত প্ৰশ্নৰ উদয় হৈছে। নিঃসহায় খাটিখোৱা দম্পতীহালক ন্যায় দিব কোনে? সেয়েহে আদবয়সীয়া দম্পতীয়ে কান্দি কান্দি মুখ্যমন্ত্ৰীলৈ ন্যায়ৰ বাবে অনুৰোধ জনাইছে। আনহাতে, অৰূপ বিশালৰ বিৰুদ্ধে দাখিল কৰা এজাহাৰৰ ভিত্তিত ৰজু কৰা গোচৰ জামিনযোগ্য হোৱাৰ বাবেই জামিন দিয়া বুলি আৰক্ষী মন্তব্য কৰে। ইপিনে চিকিৎসকৰ প্ৰতিবেদনৰ ওপৰত নিৰ্ভৰ কৰি চাৰ্জশ্বিট দাখিল কৰিব বুলি শুৱালকুছি আৰক্ষী থানাৰ তদন্তকাৰী বিষয়াই মন্তব্য কৰিছে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com, যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)। কাৰ্যবাহী সম্পাদকঃ ধ্ৰুৱজ্যোতি ধনন্তৰি